অন্বেষণ

ত্ৰয়োদশ বছৰ ■ দশম সংখ্যা ■ নৱেম্বৰ, ২০২৬

স্বৰ্ণকন্যা লাভলীনা বৰগোহাঁই



ন'বেল বঁটা, ২০২৬

অস্কাৰ ক্লেইন পদক বিজয়ী অশোক সেন

ডিব্ৰু-ছৈখোৱাৰ বনৰীয়া ঘোঁৰা

বিভিন্ন লেখাৰ লগত সম্পৰ্কিত ছবি

কেনজো ফুল

চিংহুৱা বিশ্ববিদ্যালয়

বেলুচিস্তান

মাওল্লাং

বেৰেন দ্বীপ

কস্তুৰী মৃগ

অন্বেষণ

ত্ৰয়োদশ বছৰ, দশম সংখ্যা, নৱেম্বৰ, ২০২৬ চন

অন্বেষণ, অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত

সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

ANWESHAN, a general knowledge based monthly magazine

published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust

Email : assamjatiyabidyalay@gmail.com

Website : assamjatiyabidyalay.com

সূচীপত্ৰ

২ **ন'বেল বঁটা, ২০২৬**
■ অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৭ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৮ **ক্ৰীড়াংগন**

৯ **অস্কাৰ ক্লেইন পদক লাভ কৰা প্ৰথমজন ভাৰতীয় পদাৰ্থবিজ্ঞানী অশোক সেন**
■ অভিজিত শৰ্মা বৰুৱা

১০ **বেলুচিস্তান সংকট : স্বাধীনতাৰ ঘোষণা আৰু ভূ-ৰাজনৈতিক প্ৰেক্ষাপট**
■ প্ৰণীতা দেৱী

১২ **স্বৰ্ণকন্যা লাভলীনা বৰগোহাঁই**
■ কুশল গোস্বামী

১৩ **চুড'কু**

১৪ **ই-আৱৰ্জনা আৰু পুনঃচক্ৰীয়কৰণ**
■ বনালী বৰুৱা কাশ্যপ

১৫ **ড° ভূপেন হাজৰিকাৰ গীতত মহাবাহু ব্ৰহ্মপুত্ৰ**
■ নিষ্ঠা বৰগোহাঁই

১৭ **সাহসী নায়কজন**
■ ৰশ্মিনন্দা কলিতা

১৯ **কঁহুৱা বন**
■ দেৱাংগনা বৰঠাকুৰ

২০ **ৰং**
■ ৰাগিনী শিৰম

২১ **মন যায়**
■ চহাম এছ কাশ্যপ

২১ **ফুল**
■ উদীপ্তা চৌধুৰী

২১ **শেহতীয়া পুৰা**
■ নিচান প্ৰতীম ভৰদ্বাজ

২১ **দুৰ্গা পূজা**
■ বৰষা শৰ্মা

২২ **সীমান্ত গান্ধী**
■ নৱনীতা কলিতা

২৪ **ডিব্ৰু-ছৈখোৱাৰ বনৰীয়া ঘোঁৰা**
■ দোলন বৰা

২৫ **জন সম্বোধন**
■ জয়ন্ত ডেকা

২৬ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

৩২ **কুইজ**
■ দীপাংকৰ কৌশিক

৩৩ **Stories from World Classics**
■ Papari Kalita

৩৪ **Did You Know**
■ Bhaktimala Saikia

৩৫ **চিংহুৱা বিশ্ববিদ্যালয়**
■ চন্দনা মেধি চৌধুৰী

৩৬ **প্ৰকৃতিৰ ঐতিহ্য ক্ষেত্ৰ 'মাওফ্লাং'**
■ ৰীতামণি মহন্ত

৩৭ **ৰুদ্ৰ বৰুৱা : অসমৰ মাটি আৰু মানুহৰ কণ্ঠস্বৰ**
■ অপৰ্ণা দেৱী

৩৮ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৯ **হিমালয়ৰ হীৰা—কেনজো ফুল**
■ জিংথিশ্ৰী গগৈ

৪০ **ভাৰতৰ একমাত্ৰ জাগ্ৰত আগ্নেয়গিৰি : বেৰেন দ্বীপ**
■ হিমাশ্ৰী ডেকা

মুখ্য সম্পাদক : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
সম্পাদক : পংকজ দত্ত
সহযোগী সম্পাদক : ড° লিপিমণি দত্ত, কুশল গোস্বামী
সহকাৰী সম্পাদক : ডিম্পল তালুকদাৰ
ব্যৱস্থাপনা : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

বেটুপাত : কুঞ্জৰ দাস, দুলাল বনিয়া
আলোকচিত্ৰ : জাহ্নৱী বৰুৱা (উৎস : ইণ্টাৰনেট)
ছবি : ইণ্টাৰনেট
ডিটিপি : প্ৰশান্ত বৰঠাকুৰ
আৰ্হি পাঠ : কুলধৰ কলিতা
মূল্য : ত্ৰিছ টকা

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰিন্স চৌধুৰীৰ দ্বাৰা মুদ্ৰিত।

বিশেষ নিবন্ধ

ন’বেল বঁটা, ২০২৬

■ অভিজিত শৰ্মা বৰুৱা

পদাৰ্থবিজ্ঞান

২০২৬ চনৰ পদাৰ্থবিজ্ঞানৰ ন’বেল বঁটা লাভ কৰিছে ফ্ৰান্সিছ হালজেনে (Francis Halzen)। ‘আইচকিউব নিউট্ৰিন’ অবজাৰভেটৰী’ (Icecube Neutrino Observatory) নিৰ্মাণত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ বাবে আৰু জ্যোতিৰ্বৈজ্ঞানিক উৎসৰ উচ্চ শক্তিসম্পন্ন নিউট্ৰিন’ আৱিষ্কাৰৰ বাবে তেওঁক এই বঁটা প্ৰদান কৰা হৈছে। হালজেনৰ জন্ম হৈছিল বেলজিয়ামৰ টিয়েনেনত। তেওঁ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ উইছকনছিন-মেডিছন বিশ্ব-বিদ্যালয়ৰ (University of Wisconsin-Medison) অধ্যাপক পদত কাৰ্য্যনিৰ্বাহ কৰিছিল।



ফ্ৰান্সিছ হালজেন

হালজেনে ‘আইচকিউব নিউট্ৰিন’ অবজাৰভেটৰী’ কেন্দ্ৰটো নিৰ্মাণৰ লগত জড়িত আন্তঃৰাষ্ট্ৰীয় দলটোৰ নেতৃত্ব দিছিল। ২০১১ চনত সম্পূৰ্ণ হোৱা এক ঘন কিলোমিটাৰ আকাৰৰ এই নিৰীক্ষণ কেন্দ্ৰটো আলোক সংবেদকৰ দ্বাৰা সজ্জিত। আইচকিউব ব্যৱহাৰ কৰি গৱেষকসকলে বিশ্বৰ অত্যন্ত শক্তি-সমৃদ্ধ প্ৰক্ৰিয়াৰ পৰা উৎপন্ন হোৱা নিউট্ৰিন’ চিনাক্ত কৰিব পাৰিছে। ইয়াৰ সংবেদকে এণ্টাৰ্কটিকাৰ গভীৰ বৰফত নিউট্ৰিন’ই পাৰমাণৱিক নিউক্লিয়াছৰ সৈতে সংঘৰ্ষ কৰাৰ সময়ত উৎপন্ন হোৱা চেৰেনকভ (Cherenkov) বিকিৰণ ধৰি ৰাখিবলৈ সক্ষম হৈছে।

ৰসায়নবিজ্ঞান

২০২৬ চনৰ ৰসায়নবিজ্ঞানৰ ন’বেল বঁটা লাভ কৰিছে হেনৰি বি কাগান (Henri B. Kagan) আৰু কেনছ’ ছয়’য়ে (Kenso Soai)। হেনৰি বি কাগান ফ্ৰান্সৰ ‘ইউনিভাৰ্ছিটি পেৰিছ-ছুড’ (University Paris-sud)ত আৰু কেনছ’ ছয়’য়ে জাপানৰ ‘টকিঅ’ ইউনিভাৰ্ছিটি অৱ ছায়েন্স’ত (Tokyo University of Science) গৱেষণা কৰিছিল। ‘অপ্ৰতিসম জৈৱ সংশ্লেষণত অৰৈখিক প্ৰভাৱ আৰু স্ব-অনুঘটন’ৰ আৱিষ্কাৰৰ বাবে তেওঁলোকে এই পুৰস্কাৰ লাভ কৰিছে।

হেনৰি বি কাগান

কেনছ’ ছয়’

এমিনো এচিডৰ দৰে কিছুমান অণুৰ দুটা ভিন্ন ৰূপ থাকে। সেই দুটাৰ এটা আনটোৰ দাপোণ প্ৰতিবিম্ব। অৱশ্যে জীৱন্ত প্ৰাণীৰ দেহত এই ধৰণৰ দুটা দাপোণ প্ৰতিবিম্বৰ ভিতৰত মাত্ৰ এটাহে থাকে। এই ধৰণৰ ৰাসায়নিক অপ্ৰতিসমতা কেনেদৰে উদ্ভৱ হ’ব পাৰে, সেয়া ৰসায়নবিজ্ঞানীসকলৰ বাবে ইমানদিন ধৰি দুৰ্বোধ্য হৈ আছিল। এই ৰহস্যৰ সমাধানৰ বাবে কাগান আৰু কেনছ’ ছয়’য়ে এই বছৰৰ পদাৰ্থবিজ্ঞানৰ ন’বেল পুৰস্কাৰ লাভ কৰিছে।

১৯৮৬ চনত কাগানে অসমতাপূৰ্ণ বিক্ৰিয়াত অৰৈখিক প্ৰভাৱ আৱিষ্কাৰ কৰে। ইয়াৰ পৰা দেখা গ’ল যে অনুঘটকৰ ‘দাপোণ-চিত্ৰ বিশুদ্ধতা’ আৰু আন দ্ৰব্যৰ বিশুদ্ধতাৰ মাজত সদায় ৰৈখিক সম্পৰ্ক থকাৰ প্ৰয়োজন নাই। এই আৱিষ্কাৰৰ ফলত ৰসায়নবিদসকলৰ বাবে গৱেষণাৰ এক বিশাল ক্ষেত্ৰ উন্মুক্ত হৈ পৰিল।

কেনছ’ ছয়’য়ে ৫-পাইৰিমিডাইল এলকানল (5-pyrimidyl alkanol) ব্যৱহাৰ কৰি প্ৰথমটো অসমতাপূৰ্ণ স্ব-অনুঘটন বিক্ৰিয়া বিকশিত কৰে। এই প্ৰক্ৰিয়াত এটা ‘দাপোণ প্ৰতিবিম্ব’ৰ সামান্য প্ৰাৰম্ভিক অসমতাই সেই অণুটোৰ স্ব-প্ৰতিলিপিকৰণ ঘটায়, আৰু শেষত সমগ্ৰ উৎপাদন বৃদ্ধি কৰে।

চিকিৎসাবিজ্ঞান



কাৰ্ল ডেইছেৰথ　*পিটাৰ হেগেমান*　*জৰ্জ নাগেল*

২০২৬ চনৰ চিকিৎসাবিজ্ঞানৰ ন'বেল বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে কাৰ্ল ডেইছেৰথ (Karl Deisseroth), পিটাৰ হেগেমান (Peter Hegemann) আৰু জৰ্জ নাগেলক (Georg Nagel)। 'আলোক-নিয়ন্ত্ৰিত আয়ন চেনেল আৰু অপট'জেনেটিক্স' (Opto-genetics) সম্পৰ্কীয় আৱিষ্কাৰৰ বাবে তেওঁলোকক এই পুৰস্কাৰ দিয়া হৈছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কাৰ্ল ডেইছেৰথ হ'ল হোৱাৰ্ড হিউজ মেডিকেল ইন্সটিটিউট (Howard Hughes Medical Institute) আৰু ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ আমেৰিকান চিকিৎসাবিজ্ঞানী। জাৰ্মানীৰ পিটাৰ হেগেমান বাৰ্লিনৰ হামবল্ড বিশ্ববিদ্যালয়ৰ (Humboldt University) জীৱপদাৰ্থবিজ্ঞানী। জাৰ্মানীৰে জৰ্জ নাগেল উইৰ্জবাৰ্গ বিশ্ববিদ্যালয়ৰ (University of Würzburg) আণৱিক উদ্ভিদ শৰীৰবিজ্ঞানী।

মস্তিষ্কই কেনেদৰে স্মৃতি, অনুভূতি আৰু আচৰণ গঠন কৰে, সেয়া বহুদিন ধৰি গৱেষকসকলে উলিয়াব পৰা নাছিল। কাৰ্ল ডেইছেৰথ, পিটাৰ হেগেমান আৰু জৰ্জ নাগেলে এই ক্ষেত্ৰত সফলতা লাভ কৰিছিল। তেওঁলোকৰ প্ৰযুক্তিয়ে এক জীৱন্ত মস্তিষ্কৰ স্বতন্ত্ৰ স্নায়ুকোষৰ কাৰ্য্যকলাপ আৰম্ভ কৰা বা বন্ধ কৰাটো সম্ভৱ কৰি তুলিলে। মস্তিষ্কৰ ৰহস্য উন্মোচনৰ বাবে এই পদ্ধতিটো এতিয়া সমগ্ৰ পৃথিৱীৰ গৱেষণাগাৰসমূহত ব্যৱহাৰ কৰা হয়।

এই কামৰ আৰম্ভণি হৈছিল হেগেমান আৰু নাগেলৰ 'চেনেলৰ'ড'পছিন' (Channelrhodopsin) আৱিষ্কাৰৰ জৰিয়তে। ই হ'ল এককোষী সেউজীয়া শেলাইত পোৱা পোহৰৰ প্ৰতি সংবেদনশীল এবিধ প্ৰ'টিন আৰু ই আলোক-নিয়ন্ত্ৰিত 'আয়ন চেনেল' (ion channel) হিচাপে কাম কৰিব পাৰে।

ইয়াৰ পাছত ডেইছেৰথে স্নায়ুকোষত চেনেলৰ'ড'পছিন জিন অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হ'ল। ইয়াৰ ফলত গৱেষকসকলে নীলা পোহৰৰ নিখুঁত বিকিৰণ ব্যৱহাৰ কৰি নিৰ্দিষ্ট স্নায়ুকোষসমূহৰ 'অন' বা 'অফ' কৰিব পৰা হ'ল। এই কৌশলে স্নায়ুবিজ্ঞানত এক বৈপ্লৱিক পৰিবৰ্তন আনিলে। ইয়াৰ দ্বাৰা বিজ্ঞানীসকলে মগজুৰ বৰ্তনী, আচৰণ অধ্যয়ন, পাৰ্কিনছন ৰোগ, নিচা, দৃষ্টিশক্তি হেৰুওৱাৰ দৰে সমস্যাসমূহৰ সমাধানৰ বাবে গৱেষণাৰ এক নতুন দিশ লাভ কৰিলে।

অৰ্থনীতিবিজ্ঞান

ৰবাৰ্ট ই হল　*মাইকেল উডফোৰ্ড*

এই বছৰৰ (২০২৬ চন) অৰ্থনীতিৰ ন'বেল বঁটা (আলফ্ৰেড ন'বেলৰ স্মৰণত অৰ্থনীতিবিজ্ঞানত ছুইডিছ ৰিক্সবেংক পুৰস্কাৰ) লাভ কৰিছে ৰবাৰ্ট ই হল (Robert E. Hall) আৰু মাইকেল উডফোৰ্ডে (Michael Woodford)। 'সমষ্টিগত অৰ্থনৈতিক স্থিতিশীলতাৰ ক্ষুদ্ৰ অৰ্থনৈতিক ভেটি' (For microeconomic foundations of macroeconomic stabilization) স্থাপনৰ বাবে তেওঁলোকক এই পুৰস্কাৰৰ বাবে নিৰ্বাচন কৰা হৈছে। এই ক্ষুদ্ৰ ভিত্তিসমূহে এক সমষ্টিগত অন্তৰ্দৃষ্টি প্ৰদান কৰে।

ৰবাৰ্ট ই হল আমেৰিকা যুক্তৰাষ্ট্ৰৰ ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক। আনহাতে মাইকেল উডফোৰ্ড আমেৰিকা যুক্তৰাষ্ট্ৰৰে কলম্বিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক।

ৰবাৰ্ট ই হলে ঘৰুৱা আচৰণ আৰু ভৱিষ্যতৰ জীৱনজোৰা সম্পদৰ আশাই বৰ্তমানৰ আচৰণক

কেনেদৰে প্ৰভাৱিত কৰে, সেই বিষয়ে গৱেষণা কৰিছিল। মাইকেল উডফোৰ্ডে ব্যক্তিগত প্ৰত্যাশাক ব্যাৱসায়িক মূল্য নিৰ্ধাৰণৰ বাস্তৱতাৰ সৈতে সংযুক্ত কৰি এটা নতুন আৰ্হিৰ সৃষ্টি কৰিছিল আৰু কেন্দ্ৰীয় বেংকে কেনেকৈ ইয়াক আগবঢ়াই লৈ যাব পাৰে, তাৰ বিশ্লেষণ আগবঢ়াইছিল।

সাহিত্য

এনি কাৰ্ছন

এই বছৰৰ (২০২৬) সাহিত্যৰ ন'বেল বঁটা লাভ কৰিছে কানাডাৰ কবি, লেখিকা আৰু অনুবাদক এনি কাৰ্ছনে (Anne Carson)। কাৰ্ছনৰ জন্ম কানাডাৰ টৰণ্টোত হ'লেও তেওঁ বৰ্তমান আইচলেণ্ডত বাস কৰে। ন'বেল কমিটিয়ে ঘোষণা কৰা মতে 'ধ্ৰুপদী পৰম্পৰাৰ সৈতে এক সজীৱ সংলাপ সৃষ্টি কৰাৰ লগতে সমসাময়িক সাহিত্যৰ এক নতুন ৰূপ গঢ়ি তোলা সাহসী আৰু সৃষ্টিশীল কামৰ বাবে' তেওঁক এই বঁটা দিয়া হৈছে।

এনি কাৰ্ছনে তেওঁৰ কৰ্মজীৱনত কবিতা লিখাৰ লগতে অনুবাদকৰ্মও কৰি আহিছে। তেওঁ বিভিন্ন বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। এগৰাকী অনুবাদক আৰু ভাষাতত্ত্ববিদ হিচাপে তেওঁ শব্দৰ ব্যুৎপত্তি আৰু মূল অৰ্থৰ প্ৰতি তীব্ৰ মনোযোগ দিয়ে। তেওঁ নিজেও শব্দৰ ব্যুৎপত্তিক তেওঁৰ সকলো সৃষ্টিকৰ্মৰ সূচনা বিন্দু হিচাপে চিহ্নিত কৰিছিল।

শান্তি

২০২৬ চনৰ শান্তিৰ ন'বেল বঁটা লাভ কৰিছে দক্ষিণ আফ্ৰিকাৰ আইনবিদ তথা মানৱ অধিকাৰৰ প্ৰবক্তা নৱনেথম 'নাভি' পিল্লাইয়ে (Navanethem 'Navi' Pillay)। শান্তি আৰু আন্তৰ্জাতিক আইনৰ প্ৰসাৰত তেওঁৰ প্ৰচেষ্টাৰ বাবে পিল্লাইয়ে এই পুৰস্কাৰ লাভ কৰিছে।

নৱনেথম 'নাভি' পিল্লাই

বৰ্ণবৈষম্যৰ যুগত দক্ষিণ আফ্ৰিকাৰ ডাৰবানত তামিল পৰিয়ালত জন্মগ্ৰহণ কৰা নাভি পিল্লাইয়ে নেলছন মেণ্ডেলাকে ধৰি বৰ্ণবৈষম্য বিৰোধী কৰ্মীসকলৰ বাবে আইনী সুৰক্ষা প্ৰদান কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ ৰুৱাণ্ডাৰ 'আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণ'ত ন্যায়াধীশ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেওঁ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ উচ্চায়ুক্ত হিচাপেও দায়িত্ব বহন কৰিছিল। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় অপৰাধ আদালত আৰু আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাম কৰিছিল।

আন্তৰ্জাতিক আদালতৰ ঐতিহাসিক গোচৰসমূহ অধ্যয়ন কৰি নাভি পিল্লাইয়ে আঙুলিয়াই দিছিল যে আইনী ব্যৱস্থাই যুদ্ধ আৰু হিংসাৰ ঘটনা প্ৰতিৰোধত সহায় কৰিব পাৰে। তেওঁ আন্তৰ্জাতিক আইনৰ প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰাতো অৱদান আগবঢ়াইছিল। তেওঁৰ স্বাধীন মনোভাব, দক্ষতা আৰু দৃঢ়তাই তেওঁক আমাৰ সময়ৰ অন্যতম সন্মানীয় আন্তৰ্জাতিক আইনবিদত পৰিণত কৰিছে। ❖

তোমালোকৰ বাবে প্ৰশ্ন, নৱেম্বৰ, ২০২৬

১। এছিয়ান গেমছত স্বৰ্ণ পদক জয় কৰা কনিষ্ঠতম ভাৰতীয় খেলুৱৈগৰাকী কোন বাৰু?

২। কোনো এক বিশেষ ক্ষেত্ৰত ছুইডেনৰ ছেলমা লাগেলৰফ যদি প্ৰথমগৰাকী (১৯০৯ চনত) হয়, তেনেহ'লে শেহতীয়াগৰাকী (২০২৬) কোন হ'ব বাৰু?

৩। 'এ পেছেজ টু ইণ্ডিয়া' ডেভিদ লীনে পৰিচালনা কৰা চলচ্চিত্ৰখন একে নামৰ উপন্যাসৰ আধাৰত নিৰ্মিত। ঔপন্যাসিকগৰাকী কোন বাৰু?

৪। লিঅ'নেল মেছিয়ে কেৰিয়াৰৰ অন্তিমখন আন্তঃৰাষ্ট্ৰীয় মেচ খেলা দেশখনৰ ৰাজধানী চহৰখনৰ নাম কি?

৫। 'মোৰ মিনতি তৰা হয় যদি' জয়ন্ত হাজৰিকাৰ কণ্ঠৰ এটা জনপ্ৰিয় গীত। এই চিৰসেউজ গীতটোৰ গীতিকাৰ কোন? ❖

জনপ্ৰিয় অভিনেতা নানা পাটেকাৰৰ দেহাৱসান

হিন্দী আৰু মাৰাঠী চলচ্চিত্ৰ জগতত বিগত পাঁচ দশক ধৰি ব্যতিক্ৰমী দুৰ্দান্ত অভিনয়েৰে নতুন ধাৰাৰ সৃষ্টিকাৰী আপোচহীন অভিনেতা নানা পাটেকাৰৰ যোৱা ৮ অক্টোবৰ তাৰিখে ৭৫ বছৰ বয়সত দেহাৱসান ঘটে। চলচ্চিত্ৰ তথা মঞ্চজগতৰ বলিষ্ঠ অভিনেতাগৰাকীয়ে গোৱাৰ ঘৰত হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। ১৯৫১ চনৰ ১ জানুৱাৰীত মহাৰাষ্ট্ৰৰ মৰুডত জন্মগ্ৰহণ কৰা প্ৰায়োগিক কলাৰ ছাত্ৰ নানা পাটেকাৰে ১৯৭৮ চনত ‘গমন’ ছবিখনৰ জৰিয়তে অভিনয় জগতত প্ৰবেশ কৰে। অস্কাৰ বঁটা বিজয়ী ‘দা চালাম বোম্বে’ত কৰা অসামান্য অভিনয়েৰে দেশ-বিদেশত খ্যাতি অৰ্জন কৰা নানাই এখনৰ পাছত আন এখন ছুপাৰহিট চলচ্চিত্ৰ উপহাৰ দি যাবলৈ সক্ষম হয়। হৃদয়স্পৰ্শী অভিনয়েৰে কোটি কোটি অনুৰাগীৰ অন্তৰ জিনিবলৈ সক্ষম হোৱা তেওঁৰ কেইখনমান জনপ্ৰিয় চলচ্চিত্ৰ হৈছে—অংকুশ, চালাম বোম্বে, পৰিন্দা, প্ৰহাৰ, আংগাৰ, ত্ৰিৰংগা, ৰাজু বন গয়া জেণ্টেলমেন, ক্ৰান্তিবীৰ, অগ্নিসাক্ষী, খামোছী, গোলাম-ই-মোস্তাফা, শক্তি, ভূত, অৱ তক ছাপ্পন, অপহৰণ, ৱেলকাম, ৰাজনীতি, নটসম্ৰাট, গোলমাল এগেইন ইত্যাদি।

দক্ষতা আৰু কৰ্মৰ স্বীকৃতিস্বৰূপে অভিনয় জীৱনত তেওঁ তিনিটাকৈ ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ অভিনেতাৰ বঁটা, দুটা মহাৰাষ্ট্ৰ ৰাজ্যিক শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা, চাৰিটা ফিল্ম ফেয়াৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হয়। ২০১৩ চনত ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী সন্মান আগবঢ়ায়।

জাপান এছিয়ান গেমছৰ সফল সামৰণি

যোৱা ১৯ ছেপ্টেম্বৰৰ পৰা জাপানৰ আইচি-নাগোয়া চহৰত অনুষ্ঠিত ২০ সংখ্যক এছিয়ান গেমছৰ ৪ অক্টোবৰ তাৰিখে সফলভাৱে সামৰণি পৰে। এই বৰ্ষৰ ক্ৰীড়া মহোৎসৱখনত এছিয়া মহাদেশৰ মুঠ ৪৬ টা দলে অংশগ্ৰহণ কৰিছিল। প্ৰথমবাৰৰ বাবে এই মহোৎসৱখনত এটা শৰণাৰ্থী দলে (Asian Refugee Team) অংশগ্ৰহণ কৰে। ক্ৰীড়া মহাৰণখনত ৪৩ বিধ খেলত প্ৰায় ১৭ হাজাৰ প্ৰতিযোগীয়ে ৪৬৯ টা বিভাগত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। এছিয়াড বুলিও পৰিচিত এছিয়ান গেমছ পোনপ্ৰথমবাৰৰ বাবে ১৯৫১ চনত নতুন দিল্লীত অনুষ্ঠিত হৈছিল। পৰৱৰ্তী এছিয়ান গেমছ কাটাৰৰ ডোহাত অনুষ্ঠিত হ’ব। ভাৰতে প্ৰতিযোগিতাখনত মুঠতে ৩৫ বিধ খেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় আৰু চতুৰ্থ স্থান দখল কৰে।

প্ৰতিযোগিতাখনত প্ৰথম পাঁচটা স্থান দখল কৰা দেশৰ স্থিতি :

দেশ	সোণ	ৰূপ	ব্ৰঞ্জ	মুঠ
চীন	১৬৯	৮৯	৮৩	৩৪১
জাপান	৮৩	৯৫	৯১	২৬৯
দক্ষিণ কোৰিয়া	৩৯	৪৩	৬৮	১৫০
ভাৰত	২১	২৭	৩৭	৮৫
উজবেকিস্তান	২১	২৫	২৪	৭০

এই বৰ্ষৰ এছিয়াডত ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা হকী দলে স্বৰ্ণপদক লাভ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে আৰু পৰৱৰ্তী লছ এঞ্জেলছ অলিম্পিকলৈ (২০২৮ চন) যোগ্যতা অৰ্জন কৰে।

গল্পৰ যাদুকৰ জেফ্ৰী আৰ্চাৰৰ বিয়োগ



গল্পৰ যাদুকৰ, ইংলণ্ডৰ প্ৰাক্তন ৰাজনীতিবিদ, বিশ্ব সাহিত্য জগতৰ এগৰাকী সফল তথা প্ৰখ্যাত ঔপন্যাসিক জেফ্ৰী আৰ্চাৰৰ (Jeffrey Archer) যোৱা ৫ অক্টোবৰ তাৰিখে ৮৬ বছৰ বয়সত দেহাৱসান ঘটে। আৰ্চাৰে লিখা গ্ৰন্থসমূহ বিশ্বৰ ৪৯টা ভাষালৈ অনুবাদ হোৱাৰ লগতে ১১৯খন দেশত ৩২ কোটিৰো অধিক কপি বিক্ৰী হৈছে। তেওঁৰ কালজয়ী গ্ৰন্থসমূহৰ ভিতৰত কেইখনমান হৈছে—কেন এণ্ড এবেল, ক্লিফটন ক্ৰ’নিকলছ, পাথচ এণ্ড গ্লোৰী, ফাৰ্ষ্ট এমং ইকুৱেল, এ প্ৰিজনাৰ অফ বাৰ্থ ইত্যাদি। তেওঁৰ উপন্যাসে ছানডে’ টাইমছৰ বেষ্ট ছেলাৰ

(best seller) তালিকাত ১৪ বছৰ আৰু নিউয়ৰ্ক টাইমছৰ তালিকাত পাঁচ বছৰ ধৰি শীৰ্ষ স্থান অধিকাৰ কৰিছিল। ১৯৪০ চনৰ ১৫ এপ্ৰিলত উত্তৰ লণ্ডনত জন্মগ্ৰহণ কৰা আৰ্চাৰে ছমাৰছেটত বাল্যকাল অতিবাহিত কৰিছিল। চৰকাৰে তেওঁক ১৯৯২ চনত ‘লাইফ পিয়াৰ’ উপাধিৰে বিভূষিত কৰে। দেশী-বিদেশী কেইবাটাও সাহিত্য পুৰস্কাৰ লাভ কৰা সাহিত্যিকগৰাকীয়ে অসংখ্য জনপ্ৰিয় চলচ্চিত্ৰত অভিনয় কৰি দৰ্শকৰ মন মুহিবলৈ সমৰ্থ হৈছিল। সাহিত্য তথা অভিনয়ৰ উপৰি আৰ্চাৰে সক্ৰিয় ৰাজনীতিত অংশগ্ৰহণ কৰি দুবাৰ বৃটিছ সংসদলৈ নিৰ্বাচিত হৈছিল।

এছিয়ান পেৰা গেমছত ভাৰতৰ সাফল্য

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত পেৰা এছিয়ান গেমছত (১৮ৰ পৰা ২৪ অক্টোবৰ ২০২৬) ভাৰতে মুঠ ১১৪টা পদক দখল কৰি ইতিহাস ৰচনা কৰে। এই বৰ্ষৰ পেৰা গেমছত ভাৰতে ৩০টা সোণ, ৩৫টা ৰূপ আৰু ৪৯টা ব্ৰঞ্জৰ পদক লাভ কৰে। মুঠ ১১৪টা পদক লাভ কৰি ভাৰতে চতুৰ্থ স্থান দখল কৰে। এই গেমছত এইটোৱেই হৈছে ভাৰতৰ সৰ্বোত্তম প্ৰদৰ্শন। ভাৰতীয় খেলুৱৈসকলে এথলেটিকছ, পেৰা বেডমিণ্টন, পেৰা আৰ্চাৰী, পেৰা শুটিং ইত্যাদি খেলত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। উল্লেখ্য যে ২০২৩ চনত হাংঝুত অনুষ্ঠিত হোৱা পূৰ্বৰ পেৰা এছিয়ান গেমছত ভাৰতে মুঠ ১১১টা পদক লাভ কৰিছিল।

বগীবিলৰ পৰা ঢাকালৈ মিথানল প্ৰেৰণ

বৃহৎ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দেশৰ স্বাধীনতাৰ পাছত যোৱা ৫ অক্টোবৰ তাৰিখে পোনপ্ৰথমবাৰৰ বাবে ডিব্ৰুগড়ৰ পৰা বিদেশী বন্দৰলৈ পণ্য পৰিবহণৰ বাৰ্জ (barge-পণ্যবাহী জাহাজ) প্ৰেৰণ কৰা হয়। মুখ্যমন্ত্ৰীকে ধৰি কেইবাহাজাৰ লোকৰ উপস্থিতিত ডিব্ৰুগড়ৰ বগীবিল টাৰ্মিনেলৰ পৰা বাংলাদেশৰ ঢাকালৈ ৫৪০ মেট্ৰিক টন মিথানল কঢ়িয়াই যাত্ৰা কৰা ডি এল বি পাটকাই নামৰ বাৰ্জখনৰ ফ্লেগ অফ কৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ডি এল বি পাটকাই নামৰ বাৰ্জখনত অসম পেট্ৰ’কেমিকেলছ লিমিটেডৰ নামৰূপস্থিত উদ্যোগত উৎপাদিত মিথানল ঢাকাস্থিত পানগাঁও বন্দৰলৈ পৰিবহণ কৰা হয়। পাটকাই বাৰ্জখনে ৰাষ্ট্ৰীয় জলপথ-২ৰে (ব্ৰহ্মপুত্ৰ নদী) প্ৰায় ৭৬৮ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি তাৰ পাছত ভাৰত-বাংলাদেশ প্ৰট’কল জলপথেৰে যাত্ৰা কৰিব। ডিব্ৰুগড়ৰ পৰা ঢাকাৰ নাৰায়ণগঞ্জলৈ মুঠ দূৰত্ব ১৩০০ কিলোমিটাৰ। এই জলপথটোৰে অন্যান্য পেট্ৰ’লিয়ামজাত সামগ্ৰী, কয়লা, চাহ, কৃষিজাত সামগ্ৰী আদি ৰপ্তানিৰ নতুন সুযোগ কম খৰচতে সৃষ্টি হ’ব। এই ঐতিহাসিক আৰম্ভণিয়ে নতুন অধ্যায়ৰ সূচনা কৰিব আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ উপস্থিতি অধিক শক্তিশালী কৰিব।

যশস্বী কণ্ঠশিল্পী উষা মংগেশকাৰলৈ ভাৰতৰত্ন ভূপেন হাজৰিকা বঁটা

সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম-শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অসম চৰকাৰে যোৱা ২৩ অক্টোবৰ তাৰিখে বিশ্ববৰেণ্য শিল্পীগৰাকীৰ নামত এটা ৰাষ্ট্ৰীয় বঁটা আৰম্ভ কৰা বুলি ঘোষণা কৰে। এই বৰ্ষত এই ৰাষ্ট্ৰীয় বঁটাটো যশস্বী কণ্ঠশিল্পী উষা মংগেশকাৰলৈ আগবঢ়োৱা হ’ব। অসম চৰকাৰে এই বৰ্ষৰে পৰা প্ৰতি তিনি বছৰৰ মূৰে মূৰে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী, কলা-কুশলীলৈ ৰাষ্ট্ৰীয় স্তৰত নতুনকৈ ঘোষিত এই বঁটাটো প্ৰদান কৰিব। অহা ২৯ নৱেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ’বলগীয়া সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম-শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই বঁটা উষা মংগেশকাৰক প্ৰদান কৰিব। এই বঁটাটোত আছে নগদ ১০ লাখ টকা আৰু এখন প্ৰশস্তিপত্ৰ। বঁটাপ্ৰাপক ৯০ বছৰীয়া শিল্পীগৰাকীয়ে অসমীয়া, বাংলা, গুজৰাটী, কানাড়া, হিন্দীকে ধৰি প্ৰায় ১০টা ভাষাত ২০,০০০তকৈ অধিক গীতত কণ্ঠ নিগৰাইছে। কোকিলকণ্ঠী সুৰ সম্ৰাজ্ঞী লতা মংগেশকাৰ তেওঁ কনিষ্ঠা ভগ্নী। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

খবৰৰ লেছেৰি বোটলা

(২১ ছেপ্টেম্বৰ ২০২৬ৰ পৰা ২০ অক্টোবৰ ২০২৬লৈ)

২১ ছেপ্টেম্বৰ : মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চন্দ্ৰপুৰত ইছৰোৰ (ISRO) এডভান্স ৰিছাৰ্চ ৰাডাৰ কেন্দ্ৰৰ (Advanced Research RADAR Center) আধাৰশিলা স্থাপন কৰে।

২২ ছেপ্টেম্বৰ : ব্যক্তিগত তথা ধৰ্মীয় কাৰণত বন্দে মাতৰম গীতটো পৰিৱেশন নকৰিলে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰে।

২৩ ছেপ্টেম্বৰ : স্মৃতি মান্ধানাই আন্তৰ্জাতিক কেৰিয়াৰত ১১,০০০ ৰান সম্পূৰ্ণ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা ক্ৰিকেটাৰ হোৱাৰ অভিলেখ গঢ়ে।

২৪ ছেপ্টেম্বৰ : ইতিহাস ৰচনা কৰি ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে চাহৰ ই-নিলাম সেৱা আৰম্ভ কৰা হয়।

২৫ ছেপ্টেম্বৰ : মাৰ্কিন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প আৰু চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙৰ মাজত হোৱাইট হাউছত দ্বিপাক্ষিক ৰুদ্ধদ্বাৰ বৈঠক অনুষ্ঠিত হয়।

২৬ ছেপ্টেম্বৰ : 'উমৈহতীয়া দেৱানী বিধি (Uniform Civil Code) অসম' ২০২৬ বিধেয়কখনত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে অনুমোদন জনায়।

২৭ ছেপ্টেম্বৰ : ভাৰতৰ ইউপিআই (UPI) সেৱাই প্ৰায় ৪ লাখ কোটি টকা বছৰি লেনদেন কৰি বাণিজ্যিক বিবৰ্তন (revolution) অনা বুলি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে মন্তব্য কৰে।

২৯ ছেপ্টেম্বৰ : ভাৰতৰ বৈদেশিক ঋণৰ পৰিমাণ প্ৰায় ৭৫ লাখ কোটি টকা বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰে।

৩০ ছেপ্টেম্বৰ : পঞ্জাবত ভাওনা-বৰগীত শিকাবৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ আৰু পঞ্জাব বিশ্ববিদ্যালয়ৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

২ অক্টোবৰ : মাত্ৰ ৮ ঘণ্টা সময়ত নাছাই প্ৰেৰণ কৰা (স্পেচ এক্সৰ ৰকেটৰ সহায়ত) মহাকাশযান আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত উপস্থিত হয়।

৩ অক্টোবৰ : ভোটাৰ তালিকাৰ পৰা কৰ্তন হোৱা ১৩ কোটি ভোটাৰৰ নাম এমাহৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলৈ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে নিৰ্দেশ দিয়ে।

৫ অক্টোবৰ : ইংলণ্ডৰ কেম্ব্ৰিজত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় অলিম্পিয়াড প্ৰতিযোগিতাত একমাত্ৰ ভাৰতীয়ৰূপে গুৱাহাটীৰ কৃতি ধানুকাই স্বৰ্ণপদক অৰ্জন কৰে।

৬ অক্টোবৰ : ৰাষ্ট্ৰীয় ছোৱালী ফুটবল প্ৰতিযোগিতাত (ছত্তীশগড়ত অনুষ্ঠিত) অসমে চেম্পিয়নৰ খিতাপ অৰ্জন কৰে।

৭ অক্টোবৰ : প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে ভাৰতৰ প্ৰথমখন ঘৰুৱাভাৱে নিৰ্মিত জাহাজ আইএনএছ-সূৰ্য্য (যুদ্ধ জাহাজ) বিশাখাপট্টনমত উদ্বোধন কৰে।

৯ অক্টোবৰ : দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় মূলৰ ৮৬ বছৰীয়া সমাজকৰ্মী ড° নৰনেথম পিল্লাইলৈ ২০২৬ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱা হয়।

- নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি দলৰ দেৱাশিস শৰ্মাই ৭,১৩,৬২২টা ভোট লাভ কৰি জয়লাভ কৰে।

১০ অক্টোবৰ : বিশিষ্ট সাহিত্যিক ডি এইচ এছ কে কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বিশ্ববিখ্যাত আলোচনী 'ফৰ্বছ'ৰ পাতত স্থান লাভ কৰে।

১১ অক্টোবৰ : তুৰস্কত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন মুকলি প্ৰতিযোগিতাত ভাৰতৰ এলমোল খাৰ্বে চেম্পিয়ন খিতাপ দখল কৰে।

১২ অক্টোবৰ : ভাৰতৰ এজন দৰিদ্ৰ লোকৰ দৈনিক উপাৰ্জন মাত্ৰ ২৮০ টকা বুলি বিশ্ব বেংকে প্ৰকাশ কৰে।

১৩ অক্টোবৰ : অসমৰ তিনিখন স্বায়ত্তশাসিত পৰিষদ ক্ৰমে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ, তিৱা আৰু মিচিং স্বায়ত্তশাসিত পৰিষদক সাংবিধানিক মৰ্য্যাদা দিবলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশনা জাৰি কৰে।

১৫ অক্টোবৰ : মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ভিছা আবেদন কেন্দ্ৰ (৩৬ খন দেশ সামৰি) মুকলি কৰে।

১৬ অক্টোবৰ : বেংগালুৰুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই 'অসম ভৱন' উদ্বোধন কৰে। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

এদিনীয়া ক্ৰিকেটত জিন্টিমণি কলিতাৰ অভিষেক

জিম্বাব্ৱেৰ বিৰুদ্ধ ২৩ অক্টোবৰত অনুষ্ঠিত প্ৰথমখন আন্তৰ্জাতিক এদিনীয়া ক্ৰিকেট মেচত অসমৰ জিন্টিমণি কলিতাৰ ভাৰতীয় দলত অভিষেক ঘটে। এই অংশগ্ৰহণেৰে মঙলদৈৰ জিন্টিমণি হৈ পৰে ভাৰতীয় জাতীয় দলৰ জাৰ্ছি পৰিধান কৰা দ্বিতীয়গৰাকী অসমীয়া মহিলা ক্ৰিকেটাৰ। ইয়াৰ পূৰ্বে উমা চেত্ৰী ভাৰতীয় ক্ৰিকেট দললৈ নিৰ্বাচিত হৈছিল।

শ্যুটিং বিশ্বকাপত উদয়বীৰ সিন্ধুৰ স্বৰ্ণপদক

যোৱা ১২ অক্টোবৰ তাৰিখে ইজিপ্তত অনুষ্ঠিত শ্যুটিং বিশ্বকাপ প্ৰতিযোগিতাত ১০ মিটাৰ এয়াৰ পিষ্টল ইভেণ্টত উদয়বীৰ সিন্ধুৱে স্বৰ্ণপদক দখল কৰে। অলিম্পিক স্বৰ্ণপদক জয়ী জাৰ্মানীৰ ক্ৰিষ্টিয়ান ৰেইটজক ০.৫ পইণ্টত উদয়বীৰে পৰাস্ত কৰে।

চীন অ'পেনত চেম্পিয়ন কিনবেন ঝেং

১১ অক্টোবৰ তাৰিখে চীন অপেনত ইতিহাস ৰচনা কৰি কিনবেন ঝেঙে ফাইনেলত ফ্ৰেন্স অপেন বিজয়ী মীৰা আন্দ্ৰিভাক ৭-৫, ৬-৪ ছেটত পোনপটীয়াভাৱে পৰাস্ত কৰে। কিনবেনে প্ৰতিযোগিতাখনৰ ইতিহাসত প্ৰথমগৰাকী চীনা চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰে।

অভিষেক শৰ্মাৰ শতকেৰে ভাৰতৰ শৃংখলা জয়

যোৱা ২৭ অক্টোবৰত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত ৱেলিংটনত অনুষ্ঠিত T-20 শৃংখলাৰ তৃতীয়খন খেলত অভিষেক শৰ্মাৰ চমকপ্ৰদ বেটিঙেৰে জয়লাভ কৰি ভাৰতে ৩-০ ব্যৱধানত শৃংখলা দখল কৰে। এই খেলখনত অভিষেক শৰ্মাৰ ৩৮টা বলত ১১৩ ৰান আৰু বৈভৱে সূৰ্য্যবংশীৰ ১৯টা

বলত ৪৫ ৰানৰ সহায়ত ভাৰতে নিউজিলেণ্ডক ৬ উইকেটত পৰাস্ত কৰে। উল্লেখ্য যে নিউজিলেণ্ডে প্ৰথমে বেটিং কৰি ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ১৯৮ ৰান কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৩.২ অভাৰত ৪টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। উল্লেখ্য যে এই শৃংখলাৰ আৰু ২খন খেল অনুষ্ঠিত হ'বলৈ বাকী আছে।

হেৰী কেনলৈ ২০২৬ বৰ্ষৰ বেলন ডি অ'ৰ

২০২৬ বৰ্ষৰ বেলন ডি অ'ৰ বঁটা লাভ কৰে ইংলণ্ডৰ ফুটবল দলৰ অধিনায়ক হেৰি কেনে। যোৱা চিজনত খেলুৱৈগৰাকীয়ে ৬৫খন মেচত ৭৩টা গ'ল কৰি অনবদ্য প্ৰদৰ্শন দাঙি ধৰিছিল। তেওঁৰ নেতৃত্বতে ইংলণ্ডে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ২০০১ চনত মাইকেল ওৱেনৰ পাছত ইংৰাজ খেলুৱৈ হিচাপে হেৰি কেনে ২৫ বছৰৰ মূৰত এই বঁটা লাভ কৰে।

আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰক ৰাজকীয় বিদায় কিংবদন্তি মেছিৰ

যোৱা ৭ অক্টোবৰ তাৰিখে কিংবদন্তি মহাতাৰকা অধিনায়ক লিঅ'নেল মেছিয়ে বেনিনৰ বিৰুদ্ধে ফুটবল জীৱনৰ অন্তিমখন মেচত অৱতীৰ্ণ হয়। ৰাজধানী বুয়েন্স আয়াৰ্ছত প্ৰায় ৯০ হাজাৰ দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত খেলখনত মেছিয়ে এটা গ'ল দিয়ে। মেচখনৰ মাজতে ১০ মিনিট সময় খেল বন্ধ কৰি মেছিক বিশেষভাৱে সন্মান জনোৱা হয়। খেলখনত মেছিয়ে পৰিধান কৰা ১০ নম্বৰ জাৰ্চিটো আৰ্জেণ্টিনাৰ জনপ্ৰিয় ক্লাব 'ৰিভাৰপ্লেট'ৰ সংগ্ৰহালয়ত চৰকাৰীভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। তেওঁৰ প্ৰতি সন্মান জনাই আৰ্জেণ্টিনাৰ কোনো খেলত কোনো খেলুৱৈয়ে ১০ নম্বৰ জাৰ্ছি পৰিধান নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

অস্কাৰ ক্লেইন পদক লাভ কৰা প্ৰথমজন ভাৰতীয় পদাৰ্থবিজ্ঞানী
অশোক সেন

■ অভিজিত শৰ্মা বৰুৱা

*টোকা : **এছ-ডুৱেলিটি :** পদাৰ্থবিজ্ঞানৰ এক গাণিতিক ধাৰণা যাৰ সহায়ত কোনো দুটা ভৌতিক ব্যৱস্থাক (যেনে—সবল আৰু দুৰ্বল) সংযোগ কৰা হয়। **এণ্ট্ৰ'পি :** এণ্ট্ৰ'পি কোনো এক প্ৰণালী বা ব্যৱস্থাৰ বিশৃংখলতাৰ জোখ।*

এছ-ডুৱেলিটি (S-duality), কৃষ্ণগহ্বৰৰ এণ্ট্ৰ'পিৰ (entropy) নিখুঁত গণনা আৰু ষ্ট্ৰিং ফিল্ড তত্ত্বৰ (string field theory) বিষয়ে কৰা অগ্ৰণী কামৰ বাবে ভাৰতীয় পদাৰ্থবিজ্ঞানী অশোক সেনে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত স্বীকৃতি লাভ কৰি অস্কাৰ ক্লেইন পদক লাভ কৰিছে। এই পদক লাভ কৰা তেওঁ প্ৰথম ভাৰতীয়। 'ইণ্টাৰনেছনেল চেণ্টাৰ ফৰ থিয়ৰেটিকেল ছায়েন্সেছে (International Centre for Theoretical Sciences—ICTS) নিজৰ ৱেবছাইটৰ এটা পোষ্টৰ যোগেদি এই কথা জানিবলৈ দিছে।

অস্কাৰ ক্লেইন পদক কি?

ছুইডেনৰ পদাৰ্থবিজ্ঞানী অস্কাৰ ক্লেইনৰ নামেৰে নামকৰণ কৰা এই পদক পদাৰ্থবিজ্ঞানলৈ আগবঢ়োৱা অসাধাৰণ অৱদানৰ বাবে প্ৰদান কৰা হয়। ১৯৮৮ চনৰ পৰা এই পদক দি থকা হৈছে। প্ৰথম তিনি বছৰ এই পদক লাভ কৰা আটাইকেইজন বিজ্ঞানী (চেন-নিং ইয়াং, ষ্টিভেন ৱেইনবাৰ্গ আৰু হান্স বেথে) ন'বেল বঁটা বিজয়ী আছিল। ষ্টকহ'ম বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানৰ ন'বেল কমিটি আৰু ৰয়েল ছুইডিছ একাডেমী অৱ ছায়েন্সে (Royal Swedish Academy of Sciences) প্ৰতি বছৰে এই পদক প্ৰদান কৰে।

যোৱা ২২ অক্টোবৰত ষ্টকহ'ম বিশ্ববিদ্যালয়ৰ আলবানোভা চেণ্টাৰত অশোক সেনে ২০২৬ চনৰ অস্কাৰ ক্লেইন স্মৃতিচাৰণ বক্তৃতা প্ৰদান কৰে। ইয়াৰ শিৰোনাম আছিল 'গ্ৰেভিটি ফ্ৰম ষ্ট্ৰিংছ এণ্ড ষ্ট্ৰিংছ ফ্ৰম গ্ৰেভিটি' (Gravity from strings and strings from gravity)।

অশোক সেনৰ বৈজ্ঞানিক অৱদানে আধুনিক ষ্ট্ৰিং তত্ত্ব গঢ় দিয়াত যথেষ্ট অৰিহণা যোগাইছে।

ষ্ট্ৰিং তত্ত্ব

ষ্ট্ৰিং তত্ত্ব হৈছে পদাৰ্থবিজ্ঞানৰ এক তাত্ত্বিক কাঠামো। ইয়াত শূন্য-মাত্ৰিক বিন্দু কণিকাৰ ঠাইত শক্তিৰ ক্ষুদ্ৰ, একমাত্ৰিক কম্পন 'ষ্ট্ৰিং' ব্যৱহাৰ কৰে। এই তত্ত্বৰ মতে ষ্ট্ৰিং হৈছে মৌলিক কণা আৰু ইলেকট্ৰন বা কোৱাৰ্ক বিচ্ছিন্ন বিন্দু নহয়, বৰং ক্ষুদ্ৰ লুপ বা ষ্ট্ৰিঙৰ অংশ। যেনেকৈ ভায়'লিনৰ ষ্ট্ৰিং এডালে কম্পন সৃষ্টি কৰে আৰু তাৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন সুৰ উৎপন্ন কৰে, তেনেকৈ এই তত্ত্বৰ এডাল ষ্ট্ৰিঙে ইয়াৰ অনন্য কম্পন আৰ্হিৰ ওপৰত ভিত্তি কৰি বিভিন্ন কণা (যেনে—ইলেকট্ৰন বা ফ'টন) উৎপন্ন কৰে।

অন্যান্য বঁটা-সন্মান

১৯৫৬ চনত কলকাতাত জন্মগ্ৰহণ কৰা অশোক সেনে ২০১২ চনত 'মৌলিক পদাৰ্থবিজ্ঞানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদানৰ পুৰস্কাৰ' (Breakthrough Prize in Fundamental Physics) আৰু ষ্ট্ৰিং তত্ত্বৰ বাবে এক ঐক্যবদ্ধ কাঠামো স্থাপনৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ২০১৪ চনত ডিৰাক পদক লাভ কৰিছিল। তেওঁ লাভ কৰা আন পুৰস্কাৰসমূহ হ'ল—২০০৯ চনৰ ইনফ'ছিছ বঁটা (গাণিতিক বিজ্ঞান), ১৯৯৪ চনৰ শান্তি স্বৰূপ ভাটনাগৰ বঁটা, ১৯৮৯ চনৰ আই চি টি পি (International Centre for Theoretical Physics) বঁটা, ২০০১ চনৰ পদ্মশ্ৰী আৰু ২০১৩ চনৰ পদ্মভূষণ সন্মান। ১৯৯৮ চনত অশোক সেন ৰয়েল ছ'চাইটিৰ ফেল' হিচাপে নিৰ্বাচিত হৈছিল। ❖

বেলুচিস্তান সংকট : স্বাধীনতাৰ ঘোষণা আৰু ভূ-ৰাজনৈতিক প্ৰেক্ষাপট

■ প্ৰণীতা দেৱী

পাকিস্তানৰ দক্ষিণ-পশ্চিম অঞ্চলত অৱস্থিত বেলুচিস্তান দেশখনৰ এটি অতি অস্থিৰ অঞ্চল। মাটি-কালিৰ দিশৰ পৰা বেলুচিস্তান পাকিস্তানৰ আটাইতকৈ ডাঙৰ প্ৰদেশ হোৱাৰ লগতে প্ৰাকৃতিক গেছ, সোণ, তাম, কয়লা আদি খনিজ সম্পদেৰে ভৰপূৰ। প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ হোৱা সত্বেও বেলুচিস্তান আজিও পাকিস্তানৰ আটাইতকৈ দুখীয়া তথা অৱহেলিত প্ৰদেশ হৈ আছে। বহু বছৰ জুৰি বেলুচিস্তানৰ জনসাধাৰণে এই অৱহেলাৰ বিৰুদ্ধে সংগ্ৰাম চলাই আহিছে আৰু চলিত বছৰটোত এই সংগ্ৰামে এক নতুন গতি লৈছে।

ভাৰত বিভাজনৰ সময়ৰে পৰাই বেলুচিস্তানত প্ৰায়েই সংঘাতময় পৰিস্থিতিৰ উদ্ভৱ হৈ আহিছে। বৃটিছ শাসনৰ কালছোৱাত ১৮৭৬ চনত বৃটিছ আৰু কালাতৰ খানৰ (কালাত প্ৰদেশৰ শাসনকৰ্তা) মাজত হোৱা চুক্তিৰ জৰিয়তে বেলুচিস্তান বৃটিছ সাম্ৰাজ্যৰ অধীন হৈছিল। ইয়াৰ ফলত মাকৰাণ, খাৰাণ আৰু লাছবেলা আদি দেশীয় ৰাজ্য বৃটিছ শাসনৰ আওতালৈ আহিছিল। বৃটিছ ভাৰতত বেলুচিস্তান এখন মুখ্য আয়ুক্তৰ প্ৰদেশ (Chief Commissioner's Province) আৰু চাৰিখন দেশীয় ৰাজ্যৰে গঠিত আছিল। ভাৰত বিভাজনৰ সময়ত বেলুচিস্তানৰ কোনো কোনো দলে এই বিভাজনৰ বিৰোধিতা কৰিছিল।

১৯৪৮ চনৰ মাৰ্চত প্ৰথমে লাছবেলা আৰু পাছত মাকৰাণ আৰু খাৰাণক পাকিস্তানে নিজৰ ভূখণ্ডৰ অন্তৰ্ভুক্ত কৰে। ১৯৪৮ চনৰ ২৭ মাৰ্চত কালাতৰ খান আহমদ য়াৰ খানে পাকিস্তানৰ সৈতে চামিলকৰণৰ চুক্তিত স্বাক্ষৰ কৰে। এই কথাৰ বিৰোধিতাৰে প্ৰদেশখনত সশস্ত্ৰ বিদ্ৰোহ গঢ়ি উঠিছিল। স্বৰাজোত্তৰ কালত বেলুচ বিদ্ৰোহীসকলে ১৯৪৮-৫০, ১৯৫৮-৬০, ১৯৬২-৬৯ আৰু ১৯৭৩-৭৭ চনত বিদ্ৰোহ চলাইছিল। ২০০৩ চনৰ পৰা প্ৰদেশখনত স্বায়ত্তশাসনৰ দাবীত আন এক নতুন সংগ্ৰাম অব্যাহত আছে। বেলুচ নেতাসকলৰ মতে তেওঁলোকৰ ভূমিত থকা বিশাল প্ৰাকৃতিক সম্পদ ইছলামাবাদে শোষণ কৰি আহিছে। তাৰ বাবে বেলুচিস্তান আজিও পাকিস্তানৰ আটাইতকৈ দুখীয়া আৰু পিছপৰা প্ৰদেশ হৈ আছে। এই অসন্তুষ্টিৰ পৰাই জন্ম হৈছিল বেলুচ লিবাৰেছন আৰ্মী চমুকৈ BLAৰ দৰে সশস্ত্ৰ গোটৰ, যিবোৰে দশকৰ পাছত দশক ধৰি পাকিস্তানী সেনা আৰু নিৰাপত্তা বাহিনীৰ বিৰুদ্ধে যুঁজ দি আহিছে।

চলিত বৰ্ষত এই আন্দোলন অধিক শক্তিশালী হৈ উঠে। যোৱা জুলাই মাহত বেলুচ নেতা মীৰ জাৰ বেলুচৰ নেতৃত্বত জাতীয়তাবাদী গোট এটাই একপক্ষীয়ভাৱে স্বাধীন বেলুচিস্তান প্ৰজাতন্ত্ৰৰ কথা ঘোষণা কৰে। তেওঁলোকে নিজা জাতীয় পতাকা, সংগীত আৰু মুদ্ৰা প্ৰৱৰ্তনৰ কথাও ৰাজহুৱা কৰে। প্ৰদেশখনৰ প্ৰায় ৮৫ শতাংশ ভূখণ্ড নিজৰ নিয়ন্ত্ৰণলৈ অনা বুলিও তেওঁলোকে দাবী কৰে। ইয়াৰ লগতে ১১ আগষ্ট তাৰিখটো স্বাধীনতা দিৱস হিচাপে পালন কৰে। অৱশ্যে আইনগত আৰু আন্তঃৰাষ্ট্ৰীয়ভাৱে এই ঘোষণাক এতিয়ালৈকে কোনো দেশে স্বীকৃতি দিয়া নাই আৰু বেলুচিস্তান আনুষ্ঠানিকভাৱে পাকিস্তানৰ অংশ হৈ আছে। কিন্তু এই ঘটনাই বেলুচ আন্দোলনৰ ব্যাপ্তি আৰু গণ অসন্তুষ্টিৰ মাত্ৰাক বিশ্ববাসীৰ আগত উদঙাই দিয়ে।

ইৰান আৰু আফগানিস্তানৰ সীমান্তত অৱস্থিত হোৱাৰ বাবে বেলুচিস্তানৰ ভৌগোলিক গুৰুত্ব অপৰিসীম। দেশখনৰ প্ৰায় ৪৪ শতাংশ ভূমি সামৰি লোৱা এই প্ৰদেশখনত আৰব সাগৰৰ এক বিস্তৃত

উপকূলীয় অঞ্চল থকাৰ হেতুকে বাণিজ্যিক দিশৰ পৰাও অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। চীন-পাকিস্তান অৰ্থনৈতিক কৰিড'ৰৰ (CPEC) গুৰুত্বপূৰ্ণ অংশ গোৱাদাৰ বন্দৰ এই প্ৰদেশতে অৱস্থিত। এই বন্দৰৰ জৰিয়তে চীনক মধ্যপ্ৰাচ্য, আফ্ৰিকা আৰু মধ্য এছিয়াৰ সৈতেও এই প্ৰদেশখনে সংযোগ কৰিছে। আনহাতে প্ৰচুৰ প্ৰাকৃতিক সম্পদৰ বাবে এই প্ৰদেশখনে দেশখনৰ ভৱিষ্যতৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰতো অপৰিসীম সম্ভাৱনা বহন কৰিছে। কিন্তু প্ৰচুৰ প্ৰাকৃতিক সম্পদ থকা সত্ত্বেও এই অঞ্চলটো দেশখনৰ ভিতৰতে আটাইতকৈ অনুন্নত আৰু দৰিদ্ৰ অঞ্চল। চীন-পাকিস্তান অৰ্থনৈতিক কৰিড'ৰৰ দৰে বৃহৎ প্ৰকল্পসমূহে স্থানীয় লোকক উপেক্ষা কৰি কেৱল কেন্দ্ৰীয় শাসকগোষ্ঠী আৰু চীনকহে লাভান্বিত কৰিছে বুলিও অভিযোগ উত্থাপিত হৈছে।

সুকীয়া ভাষা-সংস্কৃতি থকা এই প্ৰদেশখনৰ লোকসকলে নিজকে ৰাজনৈতিক আৰু সাংস্কৃতিকভাৱে পাকিস্তানৰ পৰা পৃথক বুলি অনুভৱ কৰে। তদুপৰি পাকিস্তানৰ নিৰাপত্তা বাহিনীৰ উপস্থিতি, সামৰিক অভিযান, মানৱ অধিকাৰ কৰ্মী, ছাত্ৰ তথা বুদ্ধিজীৱীসকলৰ বলপূৰ্বক অন্তৰ্ধানৰ ঘটনাই জনসাধাৰণক অসন্তুষ্ট কৰি তুলিছে। ইয়াৰ ফলত বেলুচিস্তান লিবাৰেছন আৰ্মীৰ দৰে সংগঠনসমূহে সশস্ত্ৰ বিপ্লৱৰ পথ বাছি লৈ চৰকাৰী আন্তঃগাঁথনি আৰু বিদেশী প্ৰকল্পসমূহক লক্ষ্য কৰি কৰা আক্ৰমণে সংঘাত অধিক জটিল কৰি তুলিছে। এই অঞ্চলটোত চলি থকা অস্থিৰতাই চীনৰ বৃহৎ পৰিমাণৰ বিনিয়োগক সংশয়ৰ মাজলৈ ঠেলি দিছে। নিৰাপত্তা বাহিনী আৰু সাধাৰণ লোকৰ মাজত হোৱা হিংসাত্মক কাৰ্য্যকলাপত বহু লোকৰ মৃত্যু হৈছে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু বিদেশী ঋণৰ ওপৰত নিৰ্ভৰশীল পাকিস্তান চৰকাৰৰ বাবে এই আভ্যন্তৰীণ সংকটে দেশখনৰ অৰ্থনৈতিক আৰু প্ৰশাসনিক দিশত গভীৰ প্ৰভাৱ পেলাইছে।

বেলুচ বিদ্ৰোহীসকলক ভাৰতে সহায় কৰা বুলি পাকিস্তানে অভিযোগ তুলি আহিছে যদিও নতুন দিল্লী মহলে এই অভিযোগ নস্যাৎ কৰিছে। ২০১৬ চনৰ স্বাধীনতা দিৱসত লালকিল্লাৰ পৰা দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বেলুচিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ মানৱ অধিকাৰৰ প্ৰসংগ উল্লেখ কৰাৰ পাছত এই বিষয়টোৱে আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বিশেষ চৰ্চা লাভ কৰে। চলিত বছৰৰ শেহতীয়া ঘটনাৱলী আৰু স্বাধীনতাৰ ঘোষণাৰ পাছত বেলুচ নেতাসকলে ভাৰতৰ সামাজিক আৰু বৌদ্ধিক মহলৰ নৈতিক সমৰ্থনৰ বাবে আহ্বান জনাইছে। বেলুচিস্তানৰ এই সংঘাতৰ বিষয়টোত ভাৰতে কৌশলগতভাৱে সতৰ্ক হৈ আৰু আন্তঃৰাষ্ট্ৰীয় কূটনৈতিক ভাৰসাম্য ৰক্ষা কৰি নিজৰ স্থিতি বজাই ৰাখিছে। বেলুচ বিদ্ৰোহীসকলে আহ্বান জনোৱা সত্ত্বেও ভাৰতে প্ৰত্যক্ষভাৱে অঞ্চলটোত কোনো সামৰিক বা সশস্ত্ৰ হস্তক্ষেপ কৰা নাই।

বেলুচিস্তানৰ সংঘাত বৰ্তমান কেৱল পাকিস্তানৰ আভ্যন্তৰীণ সমস্যা নহৈ সমগ্ৰ দক্ষিণ আৰু মধ্য এছিয়াৰ ভূ-ৰাজনৈতিক প্ৰেক্ষাপটতো গুৰুত্বপূৰ্ণ বিষয় হিচাপে পৰিগণিত হৈছে। আৰব সাগৰৰ উপকূল আৰু গোৱাদাৰ বন্দৰৰ উপস্থিতিয়ে অঞ্চলটোক বিশ্ব বাণিজ্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কৰি তোলাৰ সময়ত সংঘাত নিৰাময় নহ'লে বিদেশী বিনিয়োগ ব্যাহত হোৱাৰ লগতে আঞ্চলিক নিৰাপত্তাও বিঘ্নিত হোৱাৰ সম্ভাৱনা আছে। তদুপৰি পাকিস্তানে স্থানীয় বেলুচ জনগোষ্ঠীৰ ৰাজনৈতিক অধিকাৰ, সম্পদৰ অংশীদাৰিত্ব আৰু মানৱ অধিকাৰৰ সৈতে জড়িত সমস্যাসমূহ আলোচনাৰ মাধ্যমেৰে শান্তিপূৰ্ণভাৱে সমাধান কৰা উচিত। অন্যথা এই সংঘাতে কেৱল পাকিস্তানৰেই নহয়, বৰঞ্চ সমগ্ৰ দক্ষিণ আৰু মধ্য এছিয়াৰ অৰ্থনৈতিক বিকাশ আৰু নিৰাপত্তাৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব। ❖

চুড'কুৰ শুদ্ধ উত্তৰ দিওঁতাসকল, অক্টোবৰ ২০২৬

পল ভৰালী (অষ্টম গ), ময়ূৰী তালুকদাৰ (অষ্টম ক), ৰক্তিম দাস (সপ্তম ক), সুপ্ৰতীক সঞ্জীৱ ডেকা (অষ্টম ঘ), চৈয়দ নুয়াম জাকি (সপ্তম ক)। ❖

নিবন্ধ

স্বৰ্ণকন্যা লাভলীনা বৰগোহাঁই

■ কুশল গোস্বামী

ভাৰতবৰ্ষৰ ক্ৰীড়াজগতৰ বৰ্তমান এটা অতি জনপ্ৰিয় নাম হৈছে এছিয়ান গেমছৰ স্বৰ্ণপদকজয়ী বক্সাৰ লাভলীনা বৰগোহাঁই। যোৱা ২ অক্টোবৰ তাৰিখে জাপানত অনুষ্ঠিত ২০ সংখ্যক এছিয়ান গেমছত মহিলাৰ ৭৫ কেজি শাখাত বক্সিং খেলত অসমৰ জীয়ৰী লাভলীনা বৰগোহাঁয়ে স্বৰ্ণপদক জয়লাভ কৰি ইতিহাস ৰচনা কৰে। জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত ফাইনেল খেলখনত লাভলীনাই চীনৰ বাও জিয়িক ৫-০ পইণ্টৰ ব্যৱধানত ধৰাশায়ী কৰি এই বিৰল কৃতিত্বৰ অধিকাৰী হয় আৰু কিংবদন্তি বক্সাৰ এম চি মেৰী কমৰ অভিলেখ স্পৰ্শ কৰিবলৈ সক্ষম হয়। এছিয়ান গেমছত ভোগেশ্বৰ বৰুৱাৰ সাফল্যৰ ৬০ বছৰৰ পাছত লাভলীনাই স্বৰ্ণপদক দখল কৰি ৰাজ্যখনলৈ সুনাম তথা গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হয়।

উল্লেখযোগ্য যে ১৯৬৬ চনৰ বেংকক এছিয়ান গেমছৰ ৮০০ মিটাৰ দৌৰত অভিলেখ গঢ়ি প্ৰথমবাৰৰ বাবে স্বৰ্ণপদক দখল কৰিছিল কিংবদন্তি ভোগেশ্বৰ বৰুৱাই। এছিয়ান গেমছৰ বক্সিঙৰ ইতিহাসত স্বৰ্ণপদক জয়লাভ কৰা লাভলীনা হৈছে দেশৰ দ্বিতীয়গৰাকী মহিলা খেলুৱৈ। ইয়াৰ পূৰ্বে ২০১৪ চনত দক্ষিণ কোৰিয়াত (এছিয়াডত) মেৰী কমে স্বৰ্ণপদক লাভ কৰিছিল। ২৯ সংখ্যক জন্মদিনত ভাৰতীয় বক্সিং জগতৰ ‘প’ষ্টাৰ গাৰ্ল’ৰূপে খ্যাত লাভলীনাই জীৱনৰ অন্যতম শ্ৰেষ্ঠ উপহাৰ লাভ কৰিবলৈ সক্ষম হয়। ২০২৩ চনৰ চীনত অনুষ্ঠিত এছিয়ান গেমছত স্বৰ্ণপদক যুঁজত উপনীত হৈও লাভলীনাই ৰূপৰ পদকত সন্তুষ্ট থাকিবলগীয়া হৈছিল। ২০২০ চনৰ টকিঅ’ অলিম্পিকত ব্ৰঞ্জৰ পদক দখল কৰি দেশৰ বক্সিং ক্ষেত্ৰখনত চাঞ্চল্যৰ সৃষ্টি কৰা অসম কন্যাগৰাকীয়ে জাপানৰ মাটিতেই এই অন্যতম শ্ৰেষ্ঠ উপহাৰ লাভ কৰে। মাত্ৰ দুমাহ পূৰ্বে গ্লাছগো কমনৱেলথ গেমছত এগৰাকী অখ্যাত প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে স্বৰ্ণপদক যুঁজত পৰাস্ত হৈছিল। এইবাৰ এছিয়াডত লাভলীনাই বীৰদৰ্পে চীনৰ প্ৰাচীৰ ভেদি স্বৰ্ণপদক দখল কৰিবলৈ সক্ষম হয়। তাৰকা বক্সাৰগৰাকীয়ে হতাশাক জয় কৰিব পৰাটো সফলতাৰ চাবি-কাঠি বুলি মন্তব্য কৰে। নিজকে আন কোনো বক্সাৰৰ লগত তুলনা কৰিবলৈ ভাল নোপোৱা বক্সাৰগৰাকীয়ে প্ৰতিগৰাকী খেলুৱৈ নিজৰ নিজৰ গুণেৰে বিশেষ (special) বুলি মন্তব্য কৰে।

গোলাঘাট জিলাৰ বৰমূৰীয়া গাঁৱত ১৯৯৭ চনত জন্মগ্ৰহণ কৰা লাভলীনা হৈছে অলিম্পিক খেলত পদক দখল কৰিবলৈ সক্ষম হোৱা প্ৰথমগৰাকী অসমীয়া খেলুৱৈ। তদুপৰি অলিম্পিক বক্সিঙত পদক লাভ কৰা তৃতীয়গৰাকী ভাৰতীয় খেলুৱৈ। উল্লেখযোগ্য যে কমনৱেলথ গেমছ, এছিয়ান গেমছ আৰু অলিম্পিক এই তিনিওটা ক্ৰীড়া সমাৰোহত পদক দখল কৰা লাভলীনা হৈছে অসমৰ একমাত্ৰ খেলুৱৈ। দেশৰ ভিতৰতে ই এক বিৰল কৃতিত্ব বুলি স্বীকৃত হৈছে।

কৃষক টিকেন বৰগোহাঁই আৰু মৰমী বৰগোহাঁইৰ কন্যা লাভলীনাই ২০১৩ চনৰ পৰাই পদুম বড়োৰ নেতৃত্বত প্ৰশিক্ষণ লাভ কৰি কেৰিয়াৰ আৰম্ভ কৰে। পৰৱৰ্তী সময়ত লাভলীনাই সন্ধ্যা গুৰুঙৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰে। বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত সোণ আৰু ৰূপৰ পদক জয়লাভ কৰা জনপ্ৰিয়

নিবন্ধ

তাৰকাগৰাকীয়ে এতিয়ালৈ ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় মুঠ ৫৭ খন খেলত অংশগ্ৰহণ কৰি ৩৪ খনতে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। এছিয়ান গেমছত এটা স্বৰ্ণ আৰু এটা ৰূপৰ পদক লাভ কৰা বক্সাৰগৰাকীয়ে এছিয়ান চেম্পিয়নশ্বিপত ১টা সোণৰ আৰু দুটা ৰূপৰ পদক লাভ কৰিছে।

লাভলীনা বৰগোহাঁইৰ এই বিৰল কৃতিত্বৰ বাবে অসম চৰকাৰে তেওঁক বিশেষভাৱে সম্বৰ্ধনা জনায় আৰু ৫০ লাখ টকাৰ আৰ্থিক পুৰস্কাৰ আগবঢ়ায়। লগতে লাভলীনাক উপ-আৰক্ষী অধীক্ষক (ডি এছ পি) পদৰ পৰা অতিৰিক্ত আৰক্ষী অধীক্ষক (এ এছ পি) পদবীলৈ পদোন্নতি দিয়ে। যোৱা ৯ অক্টোবৰ তাৰিখে তাৰকা বক্সাৰগৰাকীৰ নামত 'লাভলীনা বক্সিং একাডেমী' স্থাপনত অসম চৰকাৰে অনুমোদন জনায়। নৱপ্ৰজন্মৰ আগ্ৰহীসকলক প্ৰশিক্ষণ দিবৰ বাবে এই একাডেমীখন পলাশবাৰীৰ হুদুমপুৰত স্থাপন কৰা হ'ব। ইতিমধ্যে মাত্ৰ ১ টকা দৰত ৩ বিঘা মাটি বক্সাৰগৰাকীক আবণ্টন দিয়া হৈছে। একাগ্ৰতা, সাধনা আৰু অধ্যৱসায়েৰে লাভলীনাই লাভ কৰা অভিলেখকাৰী বিৰল সফলতা অসম তথা দেশৰ ক্ৰীড়া ইতিহাসত চিৰদিন সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰ'ব।

এছিয়ান গেমছত স্বৰ্ণপদক লাভ কৰাৰ জৰিয়তে লাভলীনাই পৰবৰ্তী ২০২৮ বৰ্ষৰ লছ এঞ্জেলছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰে। ❖

চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

চুড'কু ২৩৬ (সমাধান)

6	1	9	3	5	2	8	7	4
5	3	7	8	4	1	6	2	9
4	8	2	7	9	6	5	1	3
9	5	8	2	6	7	3	4	1
2	7	3	5	1	4	9	8	6
1	4	6	9	8	3	2	5	7
3	9	5	4	7	8	1	6	2
7	2	1	6	3	5	4	9	8
8	6	4	1	2	9	7	3	5

চুড'কু ২৩৭

			7				3	
	6					9		8
	1							
			3					
			2		7		5	
	8					6		
7							2	
3								
				6		1		

তোমালোকে জানানে ?

মেছিৰ নামেৰে ফুলৰ নামকৰণ

পেৰুৰ দক্ষিণ-মধ্য অঞ্চলৰ সমতলভূমিত প্ৰায় ২৪০০ মিটাৰ উচ্চতাত গজা এবিধ গছৰ সুগন্ধি ফুলৰ নাম মেছিৰ নামেৰে নামকৰণ কৰা হৈছে 'ছলভিয়া মেছি' (Salvia Messi) বুলি। এণ্ডিজ পৰ্বতমালাৰ শিলাখণ্ডত জন্ম হোৱা এই ফুলবিধৰ ৰং নীলা আৰু বগা।

ই-আৱৰ্জনা আৰু পুনঃচক্ৰীয়কৰণ

■ বনালী বৰুৱা কাশ্যপ

বৰ্তমান যুগটো হৈছে তথ্য প্ৰযুক্তিৰ যুগ। প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ ফলত আমাৰ দৈনন্দিন জীৱনত ইলেকট্ৰনিক সামগ্ৰীৰ ব্যৱহাৰ বহু বৃদ্ধি পাইছে। মোবাইল ফোন, কম্পিউটাৰ, লেপটপ, টিভি, ফ্ৰিজ, এচি, ৱাশ্বিং মেচিন, বেটাৰী আদিৰ লগতে সৰু-সুৰা বস্তু, যেনে—চাৰ্জাৰ, হেডফোন ইত্যাদি সামগ্ৰীবোৰ আজিকালি প্ৰায় সকলো ঘৰতে দেখা যায়। এই বস্তুবোৰৰ এটা নিৰ্দিষ্ট আয়ুস থাকে। যেতিয়া এই সামগ্ৰীবোৰ নষ্ট হয় অথবা প্ৰযুক্তিৰ দ্ৰুত উন্নয়নৰ ফলত উন্নত আৰ্হিৰ সামগ্ৰীৰ প্ৰচলন হয়, তেতিয়া পুৰণা সামগ্ৰীবোৰ সলনি কৰি নতুন সামগ্ৰী কিনা হয়। পুৰণা বা নষ্ট হোৱা সামগ্ৰীবোৰ আৱৰ্জনাৰ দৰে পেলাই দিয়া হয়। এইবোৰেই হৈছে ই-আৱৰ্জনা বা ইলেকট্ৰনিক আৱৰ্জনা (e-waste)।

ই-আৱৰ্জনা বৰ্তমান বিশ্বৰ পৰিবেশৰ বাবে এটা ডাঙৰ সমস্যাত পৰিণত হৈছে। ই-আৱৰ্জনাৰ মূল উৎস হৈছে—মানুহৰ ঘৰত ব্যৱহাৰ হোৱা বিভিন্ন ইলেকট্ৰনিক সামগ্ৰী, বিদ্যালয়, চিকিৎসালয়, বিভিন্ন ধৰণৰ কাৰ্য্যালয় আৰু উদ্যোগসমূহত ব্যৱহাৰ হোৱা যন্ত্ৰ-পাতি, লেবৰেটৰীৰ বিভিন্ন সামগ্ৰী আদি।

ই-আৱৰ্জনাবোৰত বহুতো জটিল পদাৰ্থৰ লগতে মূল্যবান ধাতু, যেনে—তাম, এলুমিনিয়াম, সোণ, ৰূপ ইত্যাদিৰ উপৰি বিষাক্ত পদাৰ্থ কেডমিয়াম, সীহ (lead), পাৰা, প্লাষ্টিক আদি থাকে। এই সামগ্ৰীবোৰৰ সঠিক ৰূপত ব্যৱস্থাপনা নকৰিলে তাৰ পৰা বহু বিষাক্ত পদাৰ্থ নিৰ্গত হয় আৰু এই পদাৰ্থবোৰে মানুহ, বিভিন্ন ধৰণৰ প্ৰাণী, গছ-গছনি আৰু প্ৰকৃতিৰ ওপৰত কুপ্ৰভাৱ পেলাব পাৰে।

উদাহৰণস্বৰূপে, সীহে মানুহৰ স্নায়ুতন্ত্ৰৰ ওপৰত প্ৰভাৱ পেলায়, বুদ্ধ্যাংক (IQ) হ্ৰাস কৰে। পাৰা সাধাৰণতে পুৰণা টিভি, প্ৰতিপ্ৰভ লেম্প (fluorescent lamp) আদিত থাকে। পাৰাই মগজু, যকৃত আদিৰ ক্ষতি কৰে।

যদি এই আৱৰ্জনাবোৰ মাটিত পেলাই দিয়া হয় তেন্তে ইয়াত থকা ৰাসায়নিক পদাৰ্থবোৰ মাটিৰ লগত মিহলি হৈ মাটিৰ গুণগত মান কমাই দিয়ে আৰু কৃষিৰ উৎপাদন ক্ষতিগ্ৰস্ত হয়, ফলত খাদ্যতন্ত্ৰৰ ওপৰত প্ৰভাৱ পৰে। ই-আৱৰ্জনাবোৰ পানীত পৰিলে পানী দূষিত হয়, ফলত জলজ উদ্ভিদ, প্ৰাণীৰ ওপৰত বেয়া প্ৰভাৱ পৰে আৰু লগতে খোৱা পানী দূষিত হয়। তদুপৰি আৱৰ্জনাবোৰ জ্বলাই দিলে তাৰ পৰা উৎপন্ন হোৱা ধোঁৱাই বায়ু দূষিত কৰে আৰু দূষিত বায়ু সেৱনৰ ফলত মানুহৰ শ্বাস-প্ৰশ্বাসজনিত বিভিন্ন ৰোগ হ'ব পাৰে।

এই সমস্যাবোৰ সমাধানৰ বাবে ই-আৱৰ্জনাবোৰ পুনঃচক্ৰীয়কৰণ (recycling) কৰাৰ প্ৰয়োজন। পুনঃচক্ৰীয়কৰণ মানে হৈছে পুৰণা বা ব্যৱহাৰৰ অযোগ্য সামগ্ৰীসমূহৰ পৰা উপযোগী অংশসমূহ আহৰণ কৰি ব্যৱহাৰ কৰা। ই-আৱৰ্জনাৰ পুনঃচক্ৰীয়কৰণ কৰিলে ইয়াত থকা মূল্যবান ধাতু, যেনে—সোণ, ৰূপ, তাম, এলুমিনিয়াম আদি পুনৰ ব্যৱহাৰ কৰিব পাৰি। নতুন ধাতুৰ খনন কৰাৰ প্ৰয়োজন কিছু পৰিমাণে কমাব পাৰি, ফলত প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ হয়। তদুপৰি পুনৰ উৎপাদন কৰাতকৈ পুনঃচক্ৰীয়কৰণত বহু ক্ষেত্ৰত কম শক্তিৰ প্ৰয়োজন হয়, ফলত শক্তি সঞ্চয় হয়।

ই-আৱৰ্জনাৰ পুনঃচক্ৰীয়কৰণ অসমত এতিয়াও সম্পূৰ্ণৰূপে বিকশিত হোৱা নাই, কিন্তু ইয়াৰ প্ৰয়োজনীয়তা দিনকদিনে বৃদ্ধি পাইছে। ৰাজ্যখনৰ নগৰীকৰণ আৰু প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ লগে লগে ই-আৱৰ্জনাৰ পৰিমাণ বৃদ্ধি পাইছে। সেয়েই ই-আৱৰ্জনা ব্যৱস্থাপনাৰ (management) বাবে সচেতনতা বৃদ্ধি কৰাটো অতি গুৰুত্বপূৰ্ণ। ❖

ড° ভূপেন হাজৰিকাৰ গীতত মহাবাহু ব্ৰহ্মপুত্ৰ

নিষ্ঠা বৰগোহাঁই
দশম শ্ৰেণী

বৰ অসম আৰু অসমীয়া জাতিৰ আয়ুসৰেখা ব্ৰহ্মপুত্ৰ নদীয়ে যি পুৰাতন সভ্যতা-সংস্কৃতিৰ জন্ম দি তাক লালন-পালন কৰিছে, সেয়া সমগ্ৰ বিশ্বৰ ভিতৰতে এক বিৰল তথা অতুলনীয় দৃষ্টান্ত। হাজাৰ হাজাৰ বছৰ ধৰি বুঢ়া লুইতে ইয়াৰ দুয়োপাৰৰ জনগণৰ উত্থান-পতন, মৰম-বেথা, সংগ্ৰাম, সমন্বয়-সম্প্ৰীতিৰ অগণন অকথিত কাহিনীৰ দস্তাবেজ সামৰি প্ৰবহমান হৈ আছে, নিৰৱধি। লুইতে গঢ় দিয়া এই বৰ্ণিল সভ্যতা-সংস্কৃতিৰ বৰপেৰা আকৌ সময়ে সময়ে চহকী কৰিছে একো একোজন সুন্দৰৰ পূজাৰীয়ে, যাৰ সৃষ্টিত পুনৰ উজলি উঠিছে ব্ৰহ্মপুত্ৰৰ ঐতিহ্যময় গৰিমা। উত্তৰ-পূব ভাৰতৰ সংস্কৃতি-সভ্যতাত প্ৰাণৰ সঞ্চাৰ কৰা ব্ৰহ্মপুত্ৰই ইয়াৰ সাৰুৱা পলসৰ কোষে কোষে গঢ়িছে বিচিত্ৰ সংস্কৃতিৰ প্ৰোজ্জ্বল স্মাৰক। জন্ম হৈছে কবি, সাহিত্যিক, শিল্পী, চিত্ৰকৰ, গীতিকাৰৰ—যাৰ সৃষ্টিশীলতাৰ স্ৰোত প্ৰবাহিত হৈছে বৰ লুইতৰ বুকুৰ পৰা।

এই বৰলুইতৰ পাৰতেই আজিৰ পৰা প্ৰায় এশ বছৰ পূৰ্বে শদিয়াত অংকুৰণ হৈছিল এনে এগৰাকী শিল্পীৰ। এই মাটিৰ ধৰাত মানৱতাৰ মন্ত্ৰৰে মানুহৰ সমাজ গঢ়াৰ সপোন ৰচা, অসমৰ মাটিত ঘাই শিপা খামুচি ধৰি সমগ্ৰ বিশ্বৰে নাগৰিক হৈ পৰা সেই বিশ্ববিশ্ৰুত ব্যক্তিত্ব হ'ল সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকা। অসমৰ লগতে সমগ্ৰ ভাৰতৰ সাংস্কৃতিক ক্ষেত্ৰখন চহকী কৰি তোলা ড° ভূপেন হাজৰিকাদেৱৰ গীতি-সাহিত্যৰ সম্ভাৰত হয়তো এনে কোনো বিষয় বাদ পৰা নাই; য'ত জনমানসৰ সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-বিৰহ, সংগ্ৰামী চেতনা আৰু ওপজা মাটিৰ টান প্ৰতিফলিত হোৱা নাই। তেখেতৰ সৃষ্টিৰাজিয়ে যোৱা সাতটা দশক ধৰি সমাজ, ৰাজনীতি, অৰ্থনীতিৰ নানা দিশ সাঙুৰি লোৱাৰ লগতে স্থান-কাল, ধৰ্ম, জাত-পাতৰ ঊৰ্ধলৈ গৈ সাম্য, মৈত্ৰী আৰু সমন্বয়ৰ এনাজৰীৰে বিশ্ব-শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি বান্ধি ৰাখিছে। সেয়েহে হয়তো অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই কৈছিল, "মানুহৰ হৃদয়ৰ ওচৰ চাপিবলৈ ভূপেন হাজৰিকাৰ গীতেই আটাইতকৈ চুটি বাট।"

ভিন ভিন বিষয়কেন্দ্ৰিক তেখেতৰ অলেখ গীতৰ মাজতেই এটি বিশেষ চিৰ প্ৰাসংগিক বিষয় হ'ল বৰলুইত। লুইতৰ পাৰত জন্মি লুইতৰ পাৰতেই জীৱন যাত্ৰা সামৰাৰ কামনাৰে তেখেতে লিখিছিল —

"লৌহিত্যৰে বহল পাৰক প্ৰণিপাত কৰোঁ
জন্ম ল'লোঁ ইয়াতেই, ইয়াতে যেন মৰোঁ।"

লুইতৰ সৈতে হাজৰিকাদেৱৰ আছিল কল্পনাতীতভাৱে নিবিড় এক সম্পৰ্ক। ভৰ বাৰিষাৰ সংহাৰী ৰূপৰ পৰা শীতৰ গম্ভীৰ, সমাহিত লুইতৰ সকলো ৰূপৰ লগতে বিলীন আৰু একাত্ম ড° হাজৰিকাদেৱে এই লুইতকে কেতিয়াবা স্তাবক হিচাপে, আকৌ কেতিয়াবা পটভূমি হিচাপে লৈ ৰচিছে অনেক কালজয়ী গীত। ব্ৰহ্মপুত্ৰক লৈ ৰচা এই গীতসমূহত লুইতৰ সৈতে অসমৰ জনজীৱন, সংস্কৃতি-পৰম্পৰা, চিন্তা-ভাবনাৰ আধ্যাত্মিক আৰু বিশ্বজনীন সংযোগ প্ৰতীয়মান হোৱাৰ লগতে সৃষ্টিৰ এক সাৰ্থক ৰূপক হিচাপে ব্ৰহ্মপুত্ৰ ফুটি উঠিছে। এক কথাত, তেখেতৰ গীতত ব্ৰহ্মপুত্ৰ কেৱল এক নদী নহয়; ই এক সাৰ্থক চেতনা আৰু মানৱীয় অনুভূতিৰ জীৱন্ত দলিল।

ভূপেন হাজৰিকাৰ গীতত লুইতক বিচাৰিলে পোনতেই সকলোৰে মনলৈ অহা গীতটিয়েই হ'ল—

"মহাবাহু ব্ৰহ্মপুত্ৰ মহা মিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি সমন্বয়ৰ অৰ্থ।"

ব্ৰহ্মপুত্ৰৰ বিশালতা আৰু উদাৰতাক মহিমামণ্ডিত কৰি ইয়াৰ দুয়োপাৰে গঢ় লৈ উঠিছে বৈচিত্ৰ্যময়, বাৰেৰহণীয়া সভ্যতাই। প্ৰাগ ঐতিহাসিক কালৰে পৰা বিচিত্ৰতাৰ মাজত ঐক্যৰ বান্ধোন আৰু শান্তি-সম্প্ৰীতিৰ অনন্য নিদৰ্শন দাঙি ধৰা মহাবাহুৱে সকলোকে আদৰি-সামৰি সভ্যতা-সংস্কৃতিৰ বোৱঁতী ধাৰাক অবিৰতভাৱে বৈ থকাৰ বাসনা কৰে। হাজৰিকাদেৱৰ এই গীতটিয়ে অসমৰ স্বৰ্ণিল সম্প্ৰীতিৰ ইতিহাসকে ধৰি অসমৰ আজিকোপতি সমাধান নোহোৱা মৌলিক সমস্যাসমূহৰ সমাধানৰ পথো দেখুৱাইছে।

সামাজিক বৈষম্য, ৰাজনৈতিক শোষণ আৰু নিৰ্বলীৰ ওপৰত চলা নিৰ্য্যাতনে পীড়া দিয়া হাজৰিকাদেৱৰ দৰদী মনত বিদ্ৰোহৰ তীব্ৰ চেতনা জগাই তুলিছিল। সাম্যবাদৰ পোষক হাজৰিকাদেৱে শোষক-শোষিতৰ ভেদভাবৰ বিৰুদ্ধে বিযোদগাৰ কৰি নিপীড়িতসকলৰ বজ্ৰকণ্ঠৰূপে প্ৰবহমান লুইতখনৰ ওপৰত নিজৰ আক্ষেপ আৰু ক্ষোভ প্ৰকাশ কৰিছিল এইদৰে—

"বিস্তীৰ্ণ পাৰৰে অসংখ্যজনৰে
হাহাকাৰ শুনিও নিশব্দে-নীৰৱে
বুঢ়া লুইত তুমি, বুঢ়া লুইত বোৱা কিয়?"

মহাবাহুৱে নিজৰ অদম্য শক্তিৰে সমাজৰ অপশক্তিবোৰ, জ্ঞানহীন আৰু নৈতিকতাবিহীন হৈ পৰা মানুহবোৰ, ভোকাতুৰ আৰ্তজনৰ অথবা অকৰ্মণ্য অবিবেচক প্ৰজন্মৰ অন্ধ সমাজখনক কিয় সংস্কাৰৰ ঢৌৰে ধুৱাই শুদ্ধ কৰিব পৰা নাই; সেই আক্ষেপ আৰু প্ৰতিবাদেই হ'ল গীতটিৰ ভূমি। দক্ষিণ আফ্ৰিকাৰ বিখ্যাত শিল্পী পল ৰব্‌চনৰ 'অ'ল মেন ৰিভাৰ' (Ol Man River) গীতটিৰ সংগতি, ভাব আৰু সুৰ এই গীতটিত দেখা যায় যদিও গীতৰ কথাৰ প্ৰাসংগিকতা আৰু শব্দ-সুৰৰ যুগলবন্দীয়ে ইয়াক হাজৰিকাদেৱৰ গীত বুলিয়েই স্বকীয়তা প্ৰদান কৰিছে। এই গীতটিয়েই পাছত তেখেতে হিন্দী ভাষাত 'অ' গংগা বেহতী হো ক্যো' বুলি ভাবানুবাদ কৰি যি জনপ্ৰিয়তা লাভ কৰিছিল, সিয়ে প্ৰমাণ কৰে যে নামৰ ভিন্নতা সত্বেও নদী এক প্ৰতীকী ৰূপ মাথোন। ইয়াৰ দুয়োপাৰৰ মানুহৰ সংগ্ৰামী জীৱনগাথা সদায়েই একে। বোৱঁতী নদীখনৰ দৰেই হাজৰিকাদেৱৰ চিন্তা আৰু চেতনাৰ জোৱাৰে ভৌগোলিক সংকীৰ্ণতাৰ দেৱাল ভাঙি বিশ্ব নাগৰিকৰ কৃতিত্ব লভিছিল তথা সেই চেতনাৰে তেখেতে লুইতপৰীয়া ৰাইজক গংগা, পদ্মা, গোদাৱৰী, মিছিছিপি, ভল্গা, কংগো আদিৰ কাষ চপাই আনিছিল।

লুইতৰ আজন্ম সংগী হাজৰিকাদেৱে লুইতৰ প্ৰতি থকা ভালপোৱাৰ অধিকাৰ সাব্যস্ত কৰি বাৰিষাত বলিয়া ৰূপ ধৰা নদীখনক কটুক্তি কৰিবলৈও এৰা নাই—

"লুইতৰ বলিয়া বান
তই ক'লৈনো ঢাপলি মেলিছ?
হিৰ হিৰ শবদে কাল ৰূপ ধৰি লৈ
কাকনো বাৰে বাৰে খেদিছ?"

আনহাতে আকাশীযানেৰে তেজপুৰলৈ যাওঁতে যানৰ পৰা দেখা অকোৱা-পকোৱা বিশাল লুইতৰ জলৰাশিয়ে তেখেতক মন্ত্ৰমুগ্ধ আৰু আবেগবিহ্বল কৰি তোলাত তেখেতে লিখিলে—

"অকোৱা-পকোৱা গামোচা এখন
যেন বালিত মেলি থোৱা আছে
সেইখন গামোচা বৰহমপুত্ৰ
শীতত ৰ'দহে পুৱাইছে।"

একেদৰেই লুইতৰ পাৰত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ শুভমুহূৰ্তত তেখেতে ৰচিছিল —

"জিলিকাব লুইতৰে পাৰ
এন্ধাৰৰ ভেটা ভাঙি প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ
শত শত বন্তিৰ জ্ঞানৰে দীপালীয়ে
জিলিকাব লুইতৰে পাৰ।"

এই গীতকেইটিত অসমৰ প্ৰগতিশীল চিন্তা, উন্নয়ন আৰু জ্ঞানান্বেষী উত্তৰ প্ৰজন্মই সমাজলৈ কঢ়িয়াই আনিব পৰা ইতিবাচক প্ৰভাৱৰ আশাত তেখেতৰ উৎসাহ আৰু গভীৰ প্ৰত্যাশা প্ৰতিফলিত হয়। তেখেতৰ খেয়ালী চিন্তাৰ মাজত লুইতখনো আছিল অংগাংগী।

"অস্ত আকাশৰে সপোন ৰহণ সানি
ক্লান্ত লুইতৰে হেঙুলীয়া পানী
বৈয়ে যায়, বৈয়ে যায়, বৈয়ে যায়।"

অথবা

“লুইততে নাও মেলিও পদ্দাৰ
ভাটিয়ালী ৰচোঁ
ৰাজ হংস পাখি মেলি
অ’ মই দুই নদীতে নাচোঁ।”

গভীৰ ভাবপ্ৰৱণ ড° হাজৰিকাদেৱৰ এনে গীতৰ মাজেৰে লুইতৰ সৈতে থকা একাত্মীয়তাই তেখেতৰ সৃষ্টিশীলতাক কিদৰে প্ৰভাৱিত কৰিছিল, তাক মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰি।

লগতে—

“লুইতপৰীয়া ডেকাবন্ধু তোমাৰ তুলনা নাই
জীয়াই থকাৰ যুঁজত নামিছা মৃত্যু শপত খাই।”

অথবা—

“আজি ব্ৰহ্মপুত্ৰ হ’ল বহ্নিমান,
এই বহ্নি নহয় শ্যামলী বনৰ
বহ্নি ক্ৰোধান্বিত লক্ষ মনৰ
পুঞ্জীভূত নোপোৱাৰ বেদনা
আগ্নেয়গিৰি সমান।”

এইসমূহ গীতে আজিও অসমীয়াৰ তেজত সঞ্জীৱনী সঞ্চাৰ কৰে আৰু জাতীয় চেতনাক জাগ্ৰত কৰি ঐক্যবদ্ধভাৱে জাতিৰ যিকোনো সংকটকালত যুঁজিবলৈ অফুৰন্ত সাহস দিয়ে।

আকৌ, তেখেতৰ প্ৰথম প্ৰেমৰ আকলুৱা অনুভৱখিনি লুইতখনে নাজানিব, নেদেখিব—সেয়া জানো হ’ব পাৰে? লুইতক সাক্ষী কৰি, লুইতৰ বুকুৰ পৰা তেওঁৰ হৃদয়লৈ বৈ আহিছিল অনুৰাগৰ ধল আৰু সৃষ্টি হৈছিল এটি মনোমোহা গীতৰ—

“শৈশৱতে ধেমালিতে তোমাৰে ওমলা মনত আছে
ব’হাগ মাহৰ লুইতখনিত দুয়ো সাঁতোৰা মনত আছে।”

গীতটিত তেখেতে ধনী-দুখীয়াৰ বিচাৰে শেষ কৰা প্ৰেমৰ ব্যৰ্থতাত ভাঙি নপৰি সামাজিক বৈষম্যবিহীন এখন সমাজ গঢ়াৰ পণ লৈছে, য’ত সোণ-ৰূপৰ পৰিবৰ্তে মানৱীয় মূল্যবোধেৰে মানুহক সূচাংকন কৰা হয়।

হাজৰিকাদেৱৰ অলেখ গীতত এনেদৰেই ব্ৰহ্মপুত্ৰ ভিন ভিন ধৰণে ৰূপাংকিত হৈছে। তেখেতৰ মন গহনত গঢ় দিয়া বৰ অসমখন—য’ত চুকে-কোণে মানৱতাৰ সমবেত গীত গুঞ্জৰিত হয়; য’ত মৈত্ৰী, শান্তি, সম্প্ৰীতিৰ স্থায়ী ঠিকনা থাকে; য’ত শ্ৰম আৰু কৰ্মৰ মৰ্য্যাদাৰে কেৱল মানুহৰ পৰিচয়েৰে মানুহে বাস কৰে; য’ত তেজোদ্দীপ্ত ডেকাই জাতি-সংস্কৃতিৰ অতন্দ্ৰ সৈনিকৰূপে পহৰা দিয়ে; সেই অসমৰ আত্মা হ’ল মহাবাহু ব্ৰহ্মপুত্ৰ। তেখেতৰ সৃষ্টিশীল প্ৰেৰণাৰ স্ৰোত এই লুইতৰ পৰাই নিগৰি বিশাল সাগৰত বিলীন হৈছে। সেয়েহে তেখেতক ‘ব্ৰহ্মপুত্ৰৰ আজন্ম কবি’ (Bard of Bramhaputra) বুলি জগতে চিনে। মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ভূপেন হাজৰিকাদেৱে পাৰস্পৰিক পৰিপূৰক হিচাপে যি একাত্মীয়তাৰ স্বাক্ষৰ আৰু শক্তিৰ বাৰ্তা জগতলৈ দিছে, তাক হৃদয়ংগম কৰি চেতনাত ধাৰণ কৰাটো উত্তৰসূৰীসকলৰ দায়িত্ব। ব্ৰহ্মপুত্ৰই ইয়াৰ একান্ত অনুৰাগী আৰু আত্মজ ড° ভূপেন হাজৰিকাৰ সৃষ্টি আৰু মূল্যবোধৰ চেতনাক অনন্তকাললৈ বুকুত সামৰি প্ৰবাহিত হৈ থাকিব। ❖

সাহসী নায়কজন

■ ৰশ্মিনন্দা কলিতা
ষষ্ঠ শ্ৰেণী

মুম্বাইৰ ঘাটকোপাৰ নামৰ অঞ্চলত বস্ত্ৰ ব্যৱসায়ৰ লগত জড়িত এটা পৰিয়ালত এটি শিশুৰ জন্ম হৈছিল। শৈশৱৰে পৰা তেওঁৰ লক্ষ্য আছিল বস্ত্ৰ ব্যৱসায়তে যোগদান কৰাৰ। তেওঁ প্ৰথমে ‘টেক্সটাইল ইঞ্জিনীয়াৰিং’ বিষয়ত শিক্ষাগ্ৰহণ কৰে। কিন্তু পাছলৈ তেওঁৰ মন বিভিন্ন কাৰণত বিমান চালনাৰ ফালে ঢাল খালে। পাইলট হোৱাৰ সিদ্ধান্ত লোৱাৰ পাছত নিউজিলেণ্ডলৈ প্ৰশিক্ষণৰ বাবে গ’লেও প্ৰশিক্ষণ সমাপ্ত কৰি দেশপ্ৰেমী ল’ৰাজন উভতি আহি ভাৰতৰ বিমান সংস্থা ‘স্পাইচজেট’ত (spicejet) বাণিজ্যিক পাইলট হিচাপে যোগ দিয়ে। তাত

তেওঁ সুদীৰ্ঘ ১১ বছৰতকৈও অধিক সময় ধৰি সেৱা আগবঢ়াই 'ছিনিয়ৰ কামাণ্ডাৰ' আৰু 'লাইন ট্ৰেইনিং কেপ্টেইন' পদলৈ উন্নীত হয়।

২০২২ চনত তেওঁ সংযুক্ত আৰব আমীৰ শ্বাহীৰ (UAE) বিমান পৰিবহণ সংস্থা 'ফ্লাই ডুবাই'ৰ (Fly Dubai) এগৰাকী জ্যেষ্ঠ কেপ্টেইন হিচাপে যোগদান কৰে। বৰ্তমানলৈ তেওঁৰ প্ৰায় ৯,৭৫০ ঘণ্টাতকৈও অধিক সময় বিমান উৰুওৱাৰ এক বৃহৎ অভিজ্ঞতা আছে।

৩০ ছেপ্টেম্বৰ ২০২৬, বুধবাৰৰ সেই নিষ্ঠুৰ পুৱা ৯ বাজি ২১ মিনিটত ছৌদি আৰবৰ আকাশত উৰি থকা এখন বিমান ৩৪ হাজাৰ ফুট উচ্চতাৰ পৰা তীব্ৰবেগে ১৭ হাজাৰ ফুট তললৈ নামি আহে। বিমানখনৰ গতি প্ৰতি ঘণ্টাত ৭৬০ কিলোমিটাৰৰ পৰা ১,১১০ কিলোমিটাৰলৈ আকস্মিকভাৱে বৃদ্ধি পাইছিল। আতংকিত হৈ পৰিছিল বিমানখনৰ ১৭৪ গৰাকী যাত্ৰী তথা ক্ৰু মেম্বাৰ। প্ৰথমে ইয়াক বিমানখনৰ কাৰিকৰী বিসংগতিৰ ফল বুলি ধাৰণা কৰা হৈছিল যদিও পাছত পোহৰলৈ আহিল প্ৰকৃত তথ্য। বিমানৰ কক্‌পিটৰ ভিতৰত তেজেৰে লুতুৰি-পুতুৰি হৈ ১৮০ জন যাত্ৰীৰ প্ৰাণ ৰক্ষাৰ্থে যুঁজিছিল এজন নায়কে। জানিব পৰা মতে বিমানখনৰ কক্‌পিটত আছিল কেপ্টেইনৰ ৰূপত সেই ল'ৰাজন আৰু সহপাইলটগৰাকী। বিমানখন সংযুক্ত আৰব আমীৰ শ্বাহীৰ ডুবাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা উৰা মাৰিছিল ইজৰাইলৰ তেল আভিভ অভিমুখে। পুৱা প্ৰায় ৮ বজাত বিমানখনে আকাশমাৰ্গৰ ৩৫,০০০ ফুট উচ্চতাত আৰোহণ কৰে আৰু স্বাভাৱিকভাৱে লক্ষ্যস্থান অভিমুখে যাত্ৰা অব্যাহত ৰাখিছিল। ইয়াৰ পাছতে সংঘটিত হয় ভয়াবহ ঘটনাটো। প্ৰথমে বিমানখনৰ লাইটবোৰ বন্ধ হৈ যায় আৰু কেবিনৰ চাপ কম হ'বলৈ আৰম্ভ কৰে। ৯:২১ বজাত বিমানখনত তীব্ৰ জোকাৰণি অনুভৱ কৰা হয় আৰু তাৰ পাছত ই প্ৰথমতে ওপৰলৈ উঠি গৈ তৎক্ষণাৎ দ্ৰুতগতিত তললৈ নামিবলৈ আৰম্ভ কৰে। ৯:৩২ বজাত নিয়ন্ত্ৰণ কক্ষলৈ ৭৫০০ কোড প্ৰেৰণ কৰা হয়। ইয়াৰ অৰ্থ হ'ল বিমানখন অবৈধভাৱে দখল বা অপহৰণৰ চেষ্টা কৰা হৈছে। বিমানখনৰ সহপাইলট হাম্মামিয়ে কেপ্টেইনজনক চোকা অস্ত্ৰৰে মূৰ, হাত আদিত আক্ৰমণ কৰাৰ পাছতো তেওঁ নিয়ন্ত্ৰণ নেহেৰুৱাই ৰক্তাক্ত দেহেৰে কক্‌পিটৰ দৰ্জাখন কোনোমতে খুলি দিছিল আৰু যাত্ৰীসকলে আক্ৰমণকাৰীক আটক কৰিবলৈ সুবিধা পাইছিল। সেই সময়ত বিমানখনত যাত্ৰী হিচাপে উপস্থিত থকা দুজন পাইলটৰ সহায়ত বিমানখন আৰবৰ তাবুক বিমান বন্দৰত অৱতৰণ কৰে। তেজেৰে লুতুৰি-পুতুৰি হৈও তেওঁ ১৮০ জন যাত্ৰীৰ প্ৰাণ ৰক্ষা কৰিছিল। সহপাইলটে কেপ্টেইনক হত্যা কৰি পুনৰ ৯/১১ৰ দৰে মৰ্মান্তিক ঘটনা সংঘটিত কৰিব বিচাৰিছিল। তথ্য অনুসৰি কক্‌পিটৰ দৰ্জা খোলাৰ লগে লগে ভিতৰত প্ৰৱেশ কৰি কেপ্টেইনজনক সহায়, শুশ্ৰূষা কৰা যাত্ৰীজন আছিল য়ানিব হায়ুন।

সেই সাহসী, বুদ্ধিমান, অপৰাজেয় ল'ৰাজনেই হ'ল ভাৰতীয় পাইলট কেপ্টেইন স্মিত মচ্ছৰ।

আক্ৰমণকাৰী হাম্মামি আছিল ওমানৰ বাসিন্দা। তেওঁৰ প্ৰকৃত নাম হামাম আল-হাম্মামি। জেৰাত তেওঁ কয় যে ইজৰাইলৰ বন্দৰত বা কোনো সুউচ্চ অট্টালিকাত খুন্দা মাৰি বিমানখন ধ্বংস কৰাৰ কথা ভাবিছিল। তেওঁ স্মিতক হত্যা কৰিবলৈ বিচাৰিছিল যাতে স্মিতে কোনো সংকেত প্ৰেৰণ কৰিব নোৱাৰে। এই কাৰ্য্য তেওঁ যোৱা জুলাই মাহতে সংঘটিত কৰাৰ পৰিকল্পনা কৰিছিল। কিন্তু ক্ৰু মেম্বাৰৰূপে নিয়োজিত তেওঁৰ ঘনিষ্ঠ বন্ধুৰ প্ৰাণ ৰক্ষাৰ্থে সেই কাম নকৰিলে। তেওঁৰ সন্ত্ৰাসবাদীৰ সৈতে সংস্পৰ্শ থকা বাবে ২০২৪ চনত ওমান এয়াৰে তেওঁক বিমান উৰণত নিষেধাজ্ঞা আৰোপ কৰিছিল, অথচ পৰৱৰ্তী সময়ত ফ্লাই ডুবাইত কেনেদৰে সহকাৰী পাইলট নিযুক্তি পালে সেয়া হৈ পৰিছে গুৰুত্বপূৰ্ণ প্ৰশ্ন।

বৰ্তমান স্মিত মচ্ছৰ হৈ পৰিছে বিশ্বৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। তেওঁৰ সাহসিকতা আৰু বীৰোচিত পদক্ষেপৰ বাবে ১৮০ জন যাত্ৰীৰ প্ৰাণ ৰক্ষা পৰাই নহয়, আন অকল্পনীয় ভয়াবহ দুৰ্য্যোগ প্ৰতিৰোধ কৰাটো সম্ভৱ হৈ উঠিল।

শেষত আশা কৰোঁ যে সাহসী, প্ৰকৃত নায়ক স্মিত মচ্ছৰ যেন অতি সোনকালেই সুস্থ হৈ উঠে। ❖

কঁহুৱা বন

■ দেৱাংগনা বৰঠাকুৰ
সপ্তম শ্ৰেণী

"কঁহুৱা বন মোৰ অশান্ত মন
আলফুল হাতেৰে লোৱা সাবটি
এটি এটি ক্ষণ যেন মুকুতাৰে ধন
এনেয়ে হেৰুৱালে নাহে উভতি..."

ড° ভূপেন হাজৰিকাৰ এই কালজয়ী গীতটি সকলোৰে পৰিচিত। কোমল কঁহুৱা বনৰ চঞ্চলতাক তেওঁ তেওঁৰ অশান্ত মনটোৰ সৈতে বুজাব খুজিছে। এই আকৰ্ষণীয় কঁহুৱা বন (kanas gras) হৈছে শৰৎ কালৰ প্ৰতীকস্বৰূপ। ইয়াৰ বৈজ্ঞানিক নাম হৈছে চেক্কেৰাম স্পণ্টেনিয়াম (*Saccharum spontaneum*)। কঁহুৱা ফুলৰ বৰণ হৈছে বগা। কঁহুৱা বন সাধাৰণতে শৰৎ কালত অৰ্থাৎ ছেপ্টেম্বৰ আৰু অক্টোবৰ মাহত গজে। এই বন নদীৰ বালিচৰ, খেৰনি, বননি আদিত গজে। কঁহুৱা তিনি মিটাৰমানলৈ ওখ হয়।

কঁহুৱা বন বীজৰ জৰিয়তে গজে। ইয়াৰ সৰু বীজবোৰ বনৰ নোমাল অংশৰ সৈতে লাগি থাকে। কঁহুৱা গজাৰ পাছত মাটিৰ তলৰ শিপাসদৃশ কাণ্ডবোৰ চাৰিওফালে বিয়পি পৰে। পাছত তাৰ পৰা নতুন গজালি ওলাই একেলগে জোপোহা হৈ গজে। তদুপৰি বতাহৰ দ্বাৰা কঁহুৱাৰ পাতল বীজবোৰ পলসুৱা মাটিত পৰিলে তাৰ পৰাও ইয়াৰ অংকুৰণ ঘটে। কঁহুৱা বনৰ ফুলৰ থোপা পোন্ধৰৰ পৰা ত্ৰিছ ছেণ্টিমিটাৰ দীঘল হয়।

কঁহুৱা বন পঁচি মাটিত মিহলি হ'লে মাটি সাৰুৱা হয় আৰু পুষ্টিও বৃদ্ধি পায়। গৰাখহনীয়া ৰোধ, নতুন ভূমি গঠন আদি কাৰ্য্যৰ সৈতেও ইয়াৰ সম্পৰ্ক আছে। তদুপৰি গোলকীয় উষ্ণতা ৰোধৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ আছে। জলবায়ু গৰম কৰা কাৰ্বন ডাই-অক্সাইড কঁহুৱা বনে অতি কম সময়ৰ ভিতৰতে শুহি লয় আৰু অক্সিজেন এৰি দিয়ে।

কঁহুৱা বনে মাটিৰ পৰা বহু পৰিমাণে সাৰ আৰু পানী শুহি লয়। খেতি কৰা মাটিত সোমাই পৰিলে দ্ৰুতগতিত হোৱা অংকুৰণৰ বাবে ইয়াক সহজে উভালিব নোৱাৰি। ফলত খেতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হয়। চাহ বাগিচাৰ ওচৰৰ মাটিত কঁহুৱা গজিলে চাহ গছৰ বৃদ্ধিতো বাধাৰ সৃষ্টি হয়।

কঁহুৱা বন বিভিন্ন ক্ষেত্ৰত ব্যৱহৃত হয়। ইয়াক টোকোৰা চৰায়ে বাহ সাজোঁতে ব্যৱহাৰ কৰে। তদুপৰি শস্যৰ পথাৰত বেৰ দিয়া, কঠ তৈয়াৰ কৰাত ই ব্যৱহৃত হয়। কঁহুৱা বন কিছুমান তৃণভোজী প্ৰাণীৰো খাদ্য।

কঁহুৱা বনৰ সৌন্দৰ্য্য অতি মনোৰম। শাৰদীয় দুৰ্গোৎসৱৰ বতৰা কঢ়িয়াই লৈ অহা কঁহুৱা বনৰ সৌন্দৰ্য্য বিষয়ক বহুতো গীত-কবিতা ৰচিত হৈছে। প্ৰকৃতিৰ অন্যান্য জীৱ-জন্তু, উদ্ভিদৰ দৰেই কঁহুৱা বনৰো আমাৰ পৰিবেশতন্ত্ৰত গুৰুত্বপূৰ্ণ স্থান আছে। ❖

কুইজৰ উত্তৰসমূহ

১। জয়ন্ত হাজৰিকা ২। অকণিৰ মেল ৩। পুৰুষোত্তম দাস ৪। প্ৰতিভা ৫। এম এফ হুছেইন ৬। গীতি কবি পাৰ্বতিপ্ৰসাদ বৰুৱা ৭। ঊষা মংগেশকাৰ ৮। জীৱনৰ দীঘ-বাণি ৯। সুমন কল্যাণপুৰ ১০। জোনাকৰে ৰাতি অসমীৰে মাটি জিলিকি জিলিকি পৰে ১১। জ্যোতি দিৱস ১২। তুমি নতুন পুৰুষ, তুমি নতুন নাৰী ১৩। দমন ১৪। ৰতিমোহন নাথ ১৫। নিউ ইণ্ডিয়া ❖

ৰং

■ ৰাগিনী শিৰম
দশম শ্ৰেণী

ব্যস্ত চহৰখনৰ সৰু ৰাস্তাটোৰ দাঁতিত সি পৰি আছিল। তাৰ আগেদি বহু মানুহ পাৰ হৈ গৈছিল, কিন্তু প্ৰচুৰ কোলাহলৰ মাজত কোনেও তাক মন কৰা নাছিল। বাটত অহা-যোৱা কৰা কাৰো তাৰ অৱস্থাটোৰ প্ৰতি ভ্ৰূক্ষেপেই নাছিল। তেজেৰে লুতুৰি-পুতুৰি হৈ সি বিষত জঠৰ হৈ পৰি ৰৈছিল। মাজৰাতি ৰাস্তাত শুই থাকোঁতেই হঠাৎ তীব্ৰবেগেৰে অহা গাড়ী এখনে তাক খুন্দিয়াই গুৰুতৰভাৱে আঘাত কৰি থৈ গৈছিল। এই অধম মানুহবোৰৰ বৰ্বৰতাৰ পৰিচয় সিহঁতৰ বিলাসিতাই দিয়ে কেতিয়াবা।

কিন্তু সি প্ৰায়েই তাৰ অতীতৰ চিনাকি মুখকেইখনলৈ মনত পেলাই কথাটো এবাৰ বিশ্লেষণ কৰি চায়। তেওঁলোকে তাক নাম দিছিল 'ৰং'। তাৰ তিনিবৰণীয়া গাৰ ৰংটোৰ বাবেই হয়তো তাৰ নাম ৰং থৈছিল। তাৰ মনত আছে—মাকৰ গাখীৰ এৰাৰ সময়তে চাৰিটা কুকুৰ পোৱালিৰ মাজৰ পৰা দাঙি লৈ আহি তেওঁলোকে তাক নিজৰ পৰিয়ালৰ সদস্যৰ নিচিনাকৈ ৰাখিছিল। তেওঁলোকে তাক খোৱাবস্তু, ব্যৱহাৰ কৰা পুৰণি তুলী হ'লেও শুবলৈ উমাল ঠাই এডোখৰ দিছিল। তেওঁলোকৰ নাতি-নাতিনী দুটা আহিলে যে তাৰ স্ফূৰ্তিৰ সীমাই নোহোৱা হৈছিল। কিন্তু দিনবোৰ সদায় একেই হৈ নাথাকিল। এদিন হঠাতে বয়সিয়াল মানুহহালক তেওঁলোকৰ নিজৰ সন্তানেই কিবা কথাত কাজিয়া কৰি ক'ৰবাত থৈ আহিছিলগৈ। সেই সময়ত কি হৈ আছিল সি টলকিবই পৰা নাছিল, মাথোঁ গাৰ সমস্ত জোৰেৰে ডিঙিৰ শিকলিডাল টানি টানি সি চিঞৰিছিল। এসময়ত চিঞৰি চিঞৰি তাৰ মাতটো সৰু হৈ পৰিছিল। সি মাথোঁ



অপেক্ষা কৰি ৰৈছিল তাৰ আপোনজনলৈ। কিন্তু নাই, তেওঁলোক উভতি অহা নাছিল। নিজৰ মানুহেই যে ইমান পৰ হ'ব পাৰে তাৰ দৰে ক্ষুদ্ৰ জীৱটোৱে বুজিবই পৰা নাছিল। তেওঁলোক নোহোৱাৰ বাবে তাৰ যত্ন লোৱা, মৰমতে ৰং বুলি এষাৰ মাত দিয়া কোনোৱেই নোহোৱা হ'ল। পাছে তাৰ বোজানো কোনে ইমানদিন ল'ব ! সিও অৱশেষত মানুহঘৰৰ গেটৰ সন্মুখৰ ৰাস্তাটোতেই বাস কৰিবলগীয়া হৈছিল। সি সদায় বাট চাই ৰৈছিল এদিন তেওঁলোক ঘূৰি আহিব। সি আকৌ ঘূৰাই পাব তাৰ হেৰুওৱা মৰমখিনি। অহাত এদিন তাৰ গৰাকীজন নিশ্চয় ঘূৰি আহিল। সেইদিনা ৰাস্তাৰ পৰাই বগা পেণ্ডেলেৰে আৱৰি থোৱা ঘৰটোলৈ সি জঠৰ হৈ চাই ৰৈছিল। তাত তাৰ গৰাকীজন আছিল, কিন্তু তাক ৰং বুলি মাত দিয়া নাছিল। মৰমেৰে হাত ফুৰাই দিয়া নাছিল।

মৰমে জীয়াই থকাৰ হেঁপাহ দিয়ে আৰু স্মৃতিয়ে বেদনা। ৰাস্তাত পৰি থকা ৰঙৰ চকুৰেদি অশ্ৰু বৈ আহিছিল, আজি সিও নিৰুপায়। হঠাতে সি কাৰোবাৰ মাত এষাৰ শুনিবলৈ পালে, "ৰং ! কি হ'ল তোৰ? কেনেকৈ হ'ল এইবোৰ?" সি ভাবিলে, তেওঁলোক নহয়তো? ❖

তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, অক্টোবৰ, ২০২৬

১। ভূপেন উজীৰ
২। কৰ্নম মালেশ্বৰী
৩। দি চাৰ্কল অব ৰিজন
৪। ট্যুৰ ডি ফ্ৰান্স
৫। ১৯৪৮ চনত শান্তিৰ ন'বেল বঁটা প্ৰদান কৰা হোৱা নাছিল গান্ধীজীৰ সন্মানত। ❖

মন যায়

■ **চহাম এছ কাশ্যপ**
ষষ্ঠ শ্ৰেণী

মোৰ মন যায় পাইলট হ'বলৈ
প্লেন চলাই আকাশত উৰি ফুৰিবলৈ
মোৰ মন যায় বেলি হ'বলৈ
পৃথিৱীক পোহৰ বিলাবলৈ
মোৰ মন যায় চৰাই হ'বলৈ
গছৰ ডালে ডালে ঘূৰি ফুৰিবলৈ
মোৰ মন যায় বৈজ্ঞানিক হ'বলৈ
নতুন নতুন বস্তু আৱিষ্কাৰ কৰিবলৈ
মোৰ মন যায় গছ হ'বলৈ
মানুহক শীতল ছাঁ দিবলৈ
মোৰ মন যায় প্ৰধানমন্ত্ৰী হ'বলৈ
দেশৰ সমস্যা সমাধান কৰিবলৈ ❖

ফুল

■ **উদীপ্তা চৌধুৰী**
ষষ্ঠ শ্ৰেণী

ফুল ফুল ফুল
তুমি কিয় ইমান ধুনীয়া
মোক কোৱাচোন
ৰঙা, নীলা, হালধীয়া নানা পখিলাই
উৰি উৰি আহি
তোমাৰ মৌ চুহি খায়
তোমাৰ ফুলৰ পৰা
বৰ সোৱাদ লগা ফল হয়
এই ফলবোৰ মানুহৰ বাবে
বৰ পুষ্টিকৰ হয়
শেৱালি, খৰিকাজাঁই ৰাতি ফুলা ফুল
পুৱা তুমি সৰিলে
গোন্ধায় আমোলমোল ❖

শেহতীয়া পুৱা

■ **নিচান প্ৰতীম ভৰদ্বাজ**
নৱম শ্ৰেণী

প্ৰভাতৰ কোমল ৰ'দে
বুকু জুৰি ঢালে পোহৰ
গছৰ পাতত নিয়ৰৰ টোপাল
যেন একোটি মুকুতাৰ ঘৰ
কোমল বতাহে ধীৰে ধীৰে
গাই যায় এটি নতুন গান
শেৱালিৰ আমোলমোল গোন্ধত
জাগি উঠে পবিত্ৰ প্ৰাণ
অতীতৰ দুখ-বেদনাবোৰ
দূৰলৈ থৈ
আশাৰ জোনাকী বাটেৰে
আগবাঢ়োঁ নতুন দিনলৈ চাই
হাঁহি আৰু পোহৰেৰে
আঁকি লওঁ সপোনৰ ছবি
প্ৰকৃতিৰ বাকৰিত সাৰ পায়
এটি নতুন যুগৰ কবি ❖

দুৰ্গা পূজা

■ **বৰষা শৰ্মা**
ষষ্ঠ শ্ৰেণী

শেৱালিৰ সুবাসে
প্ৰফুল্লিত কৰে মন
সেই শৰততেই হয়
দুৰ্গাৰ আগমন
ষষ্ঠীত পূজা আৰম্ভ হৈ
দশমীত শেষ হয়
দশমীৰ দিনাই ধুমধামেৰে
দুৰ্গাই বিদায় লয়
পূজাৰ আগৰ অমাৱস্যা তিথিক
মহালয়া বোলা হয়
তাৰ পিছদিনাই নৱৰাত্ৰিৰ
প্ৰথম দিন আৰম্ভ হয়
দুৰ্গাই আমাৰ আদিশক্তি
দুৰ্গাই আমাৰ সাধনা
শুদ্ধ মনেৰে আৰাধনা কৰিলে
পূৰণ হয় সকলোৰে কামনা ❖

সীমান্ত গান্ধী

■ নৱনীতা কলিতা



এগৰাকী স্বাধীনতা সংগ্ৰামী তেওঁ। বুকুত অদম্য সাহস, সহনশীলতা আৰু চকুত অপাৰ দয়া, যিজনে আজীৱন অহিংসা নীতি ধাৰণ কৰি বৃটিছ বাহিনীৰ বিৰোধিতা কৰিছিল। হিন্দু-মুছলমানৰ মাজত প্ৰেম আৰু সদভাবনাৰ প্ৰতীক আছিল তেওঁ। তেৱেঁই আছিল প্ৰথমজন পাকিস্তানৰ নাগৰিক যিয়ে নিজৰ ত্যাগ আৰু কৰ্মৰাজিৰ বাবে ১৯৮৭ চনৰ ১৪ আগষ্ট তাৰিখে 'ভাৰত ৰত্ন' উপাধিৰে বিভূষিত হৈছিল। ইয়াৰ উপৰি ১৯৬৭ চনত তেওঁক নেহৰু পুৰস্কাৰেৰেও সন্মানিত কৰা হৈছিল। তেওঁ আছিল এজন ভাল খেলুৱৈ, ভাল চিকাৰী তথা ভাল সাঁতোৰবিদ। নাম আছিল তেওঁৰ—'খান আব্দুল গফ্ফৰ খান'।

নামৰ প্ৰথম খানৰ অৰ্থ হ'ল জমিদাৰ। অৰ্থাৎ পিতৃ বেহৰাম খান আছিল এজন স্থানীয় জমিদাৰ। সেয়েহে জমিদাৰৰ পুত্ৰ সূত্ৰে তেওঁ 'খান' উপাধিটো পায়। ইয়াৰ উপৰি তেওঁ সীমান্ত গান্ধী, ফ্ৰণ্টিয়াৰ গান্ধী আৰু বাদছাহ খান আদি নামেৰেও জনাজাত।

৬ ফুট ৪ ইঞ্চি উচ্চতাৰ এজন সুন্দৰ-সুঠাম পাঠানী সম্ভ্ৰান্ত ঘৰৰ পাহোৱাল ডেকা; যিয়ে আৰামৰ জীৱন ত্যাগ কৰি দেশমাতৃৰ হকে প্ৰাণ দিবলৈ আগবাঢ়ি আহিছিল। মনত তীব্ৰ অহিংসাৰ জোৱাৰ প্ৰবাহিত গফ্ফৰ খানে জীৱনৰ ৪২টা বছৰ কেৱল জেলতেই অথবা নজৰ বন্দী হৈ কটাইছিল। স্বাধীনতা বিচৰাই আছিল তেওঁৰ একমাত্ৰ দোষ।

তেওঁৰ জন্ম হৈছিল ১৮৯০ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে বৰ্তমান পাকিস্তান আৰু আফগানিস্তানৰ সীমান্তত অৱস্থিত 'খাইবাৰ পখটুনখোৱা' (Khyber Pakhtunkhwa) নগৰৰ উত্তমাংজাই নামৰ গাঁৱত। অতি ভিতৰুৱা তথা পৰ্বত-পাহাৰেৰে আবৃত এই ঠাইটুকুৰা শিক্ষা-দীক্ষা তথা আন বহুতো স্থানীয় সমস্যাৰে জৰ্জৰিত আছিল। এই অঞ্চলত প্ৰায় ৯৩% মুছলমান লোক আছিল, যিসকলে ধৰ্মৰ নামত গোড়ামি, হিংসা আৰু নাৰী শিক্ষাৰ বিৰোধিতা কৰিছিল। ঐতিহাসিক তথ্য অনুসৰি পখটুন অৰ্থাৎ North-West Frontier Province, NWPP অঞ্চলটো হৈছে পৰম্পৰাগত বন্দুকধাৰী লোকেৰে ভৰা। পাৰিবাৰিক বিষয় লৈ তেওঁলোক প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি সংঘাতত লিপ্ত হৈছিল। এনে এটা পিছপৰা অঞ্চলত জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল হৈ আব্দুল গফ্ফৰ খানে নিজৰ 'পাখটুন' জাতিটোৰ উন্নতিৰ হকে কাম কৰিবলৈ বিচাৰিছিল। মানুহবোৰৰ চিন্তাধাৰা সলনি কৰিব খুজিছিল শিক্ষাৰ দিশত, প্ৰগতিৰ দিশত। সেই উদ্দেশ্যেৰেই তেওঁ আলিগড় মুছলিম ইউনিভাৰ্ছিটিৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰি পুনৰ নিজ জন্মভূমিলৈ উভতি আহে আৰু শিক্ষা প্ৰচাৰৰ উদ্দেশ্যে নিজ বাসগৃহত এখন বিনামূলীয়া বিদ্যালয় খোলে। নাম দিয়ে 'আজাদ ইছলামিয়া'। তেওঁ জানিছিল যে এই বন্দুকধাৰী লোকসকলক শিক্ষাৰ দিশেৰে আগুৱাই নিলেহে অঞ্চলটোৰ তথা দেশৰ উন্নতি সাধন হ'ব।

কিন্তু তেওঁৰ এই মহান কাৰ্য্যত ইংৰাজ চৰকাৰৰ চকু পৰে। তেওঁলোকে নিৰীহ জনতাক জাতি-ভেদ প্ৰথা তথা জাতি গোড়ামি আদিক লৈ যি কূটনীতি তথা ৰাজনৈতিক ষড়যন্ত্ৰ কৰিছিল তাত বাধা অহাৰ সংকেত পাইছিল। গফ্ফৰ খানৰ স্কুলখন ১৯১৫ চনত বৃটিছে বলপূৰ্বকভাৱে বন্ধ কৰি দিছিল। লগে লগে সকলো শেষ হৈ যায় আৰু শিক্ষাৰ বীজটিক পোখা মেলাৰ আগতেই ভাঙি-মোহাৰি পেলোৱাৰ চেষ্টা কৰা হয়।

পাছে স্বদেশ প্ৰেমৰ স্ফুলিংগ দেহত প্ৰবাহিত হৈ থকা এই পাহোৱাল ডেকাজনে ইয়াতে হাৰ নামানি এই ঘটনাৰ পাছত প্ৰায় তিনি বছৰ কাল 'পখটুন' অঞ্চলৰ গাঁৱে গাঁৱে, ঘৰে ঘৰে গৈ নিজেই গাঁওবাসীক শিক্ষা দি ফুৰে। সকলোকে শিক্ষাৰ গুৰুত্ব তথা ধৰ্মীয় গোড়ামি আৰু পাৰিবাৰিক হিংসাৰ পৰাও বিৰত থাকিবলৈ উদগনি

যোগায়। লাহে লাহে তেওঁৰ উদ্দেশ্য সফল হয় আৰু মানুহবোৰে তেওঁৰ কথাবোৰ বুজিবলৈ লয়। সকলোৰে মন জয় কৰি তেওঁ এই পিছপৰি থকা জাতিটোক শিক্ষাৰ দিশত আগুৱাই নিবলৈ অহোপুৰুষাৰ্থ কৰে আৰু সফলো হয়। তেওঁক সকলোৱে সন্মান কৰিবলৈ লয় আৰু তেওঁ দেখুওৱা পথেৰে আগবাঢ়িবলৈ লয়। পাছত সামাজিক পৰিস্থিতিৰ ওপৰত লক্ষ্য ৰাখি তেওঁ মহাত্মা গান্ধীৰ অহিংসা নীতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ 'খুদাই খিদমতগাৰ' (Khudai Khidmatgar) নামৰ এটি সংস্থা গঠন কৰে। 'খুদাই খিদমতগাৰ' অৰ্থাৎ ঈশ্বৰৰ সেৱক (servants of god)। সেই বন্দুকধাৰী লোকসকলক অহিংসা নীতি ধাৰণ কৰোৱা আব্দুল গফ্ফৰ খানৰ মহানুভৱতাক সন্মান জনাই ৰাইজে তেওঁক 'বাদছাহ খান' নামেৰে মাতিবলৈ লয়।

১৯২৮ চনত তেওঁ এখন আলোচনী প্ৰকাশ কৰে আৰু নাম দিয়ে 'পখ্টুন' (Pakhtun)। ১৯২৯ চনত ইংৰাজ চৰকাৰৰ শোষণ নীতিৰ বিৰুদ্ধে North-West Frontier Province (NWFP) অঞ্চলৰ পৰা এক আন্দোলন আৰম্ভ হয়। তেওঁ এই আন্দোলনৰ নেতৃত্ব দিছিল।

১৯২৯ চনত আব্দুল গফ্ফৰ খানে ৰাজনৈতিক সাহায্যৰ বাবে কংগ্ৰেছৰ শৰণাপন্ন হয় আৰু ওতপ্ৰোতভাৱে জড়িত হৈ পৰে। ১৯৩০ চনত যেতিয়া গান্ধীজীয়ে লোণ সত্যাগ্ৰহ আৰম্ভ কৰিছিল, তেতিয়া তেওঁ এই কাৰ্য্যসূচীতো ওতপ্ৰোতভাৱে জড়িত হৈছিল। এই আন্দোলনতে বাদছাহ খান আৰু তেওঁৰ কিছু সতীৰ্থক ১৯৩০ চনৰ ২৩ এপ্ৰিল তাৰিখে ইংৰাজসকলে গ্ৰেপ্তাৰ কৰে আৰু জেলত ভৰাই থয়।

এইদৰেই আব্দুল গফ্ফৰ খান আৰু তেওঁৰ দলটি স্বাধীনতা আন্দোলনৰ লগত জড়িত হৈ পৰে। স্বাধীনতাৰ অগ্নিগৰ্ভ সময়ছোৱাত বৃটিছ বাহিনীৰ নানান হুমকি নেওচি তেওঁলোক আগবাঢ়ি আহিছিল আৰু আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচীৰ লগত জড়িত হৈ হিন্দু-মুছলমান এক হৈ একেলগে থিয় দিছিল। অৱশেষত বৃটিছ বাহিনী ভাৰত এৰি উভতি যাবলৈ বাধ্য হয় আৰু ১৯৪৭ চনত আমাৰ দেশ স্বাধীন হয়।

১৯৪৭ চনৰ জুন মাহত যেতিয়া ভাৰত-পাক বিভাজনৰ কথা আহিল তেতিয়া কংগ্ৰেছৰ পাঁচজন ব্যক্তি—মহাত্মা গান্ধী, আব্দুল গফ্ফৰ খান, জয়প্ৰকাশ নাৰায়ণ, ৰামমনোহৰ লোহিয়া আৰু মৌলানা আবুল কালাম আজাদে এই বিভাজনৰ সজোৰে বিৰোধ কৰিছিল। অৱশেষত বৃটিছ চৰকাৰৰ সৈতে হোৱা বৈঠকত ভাৰত আৰু পাকিস্তান দুখন সুকীয়া স্বাধীন দেশলৈ বিভক্ত হয়। এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি আব্দুল গফ্ফৰ খানে মহাত্মা গান্ধীক কৈছিল যে—'You have thrown us to the wolves.'

NWFP অঞ্চলটো আফগানিস্তান আৰু পাকিস্তানৰ সীমান্তত অৱস্থিত, গতিকে খুদাই খিদমতগাৰসকলে পাকিস্তানৰ অন্তৰ্গত হোৱাতকৈ নিজস্ব এখন দেশ পখ্টুনিস্তান (Pakhtunistan) দাবী কৰে যদিও বৃটিছ চৰকাৰে এই দাবী মানি নল'লে।

দেশ বিভাজন হোৱাৰ পাছত বাদছাহ খানে চৰকাৰৰ সিদ্ধান্ত মানি লয় আৰু পাকিস্তানৰ নাগৰিকত্ব গ্ৰহণ কৰে। ১৯৪৮ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে তেওঁ পাকিস্তানৰ সংবিধান সভাত যোগদান কৰে আৰু অতি নিষ্ঠা সহকাৰে শপতগ্ৰহণ কৰে। ১৯৪৮ চনৰ ৫ মাৰ্চ তাৰিখে খান আব্দুল গফ্ফৰ খানে প্ৰথমবাৰ সংসদত ভাষণ দিয়ে। তেওঁ এই ভাষণত স্বীকাৰ কৰে যে তেওঁ ভাৰত-পাকিস্তানৰ বিভাজনৰ বিৰোধ কৰিছিল আৰু এই বিভাজনৰ ফলত হোৱা মানুহৰ বিলৈ আৰু আপদৰ কথাও উনুকিয়ায়। লগতে এইটোও কয় যে—"যিহেতু এতিয়া বিভাজন হৈছেই, সেয়েহে তেওঁ এই সিদ্ধান্ত মানি লৈছে আৰু চৰকাৰলৈ সম্পূৰ্ণ আস্থা আছে।"

কিন্তু বাদছাহ খানৰ এই ভাষণৰ ওপৰত ভিত্তি কৰিয়েই পাকিস্তানত তেওঁক সন্দেহৰ চকুৰে চোৱা হয় আৰু নজৰবন্দী কৰি ৰখা হয়। পাকিস্তানৰ চৰকাৰে তেওঁক কেতিয়াও বিশ্বাসত নল'লে। ১৯৪৮ চনত তেওঁক দেশদ্ৰোহী সজাই জেলত বন্দী কৰি থয়।

জীৱনজোৰা অহিংসাৰ সাধনা কৰা এই মহান ব্যক্তিজনৰ ১৯৮৮ চনৰ ২০ জানুৱাৰী তাৰিখে নিজ বাসগৃহত নজৰবন্দী অৱস্থাত মৃত্যু হয়। মৃত্যুৰ পাছত তেওঁৰ ইচ্ছা অনুযায়ী তেওঁক আফগানিস্তানত কবৰ দিয়া হয়। ❖

ডিব্ৰু-চৈখোৱাৰ বনৰীয়া ঘোঁৰা

■ দোলন বৰা

'প্ৰকৃতি হৈছে জীৱনৰ আধাৰ আৰু বন্যপ্ৰাণী হৈছে তাৰ প্ৰাণ।' এই গভীৰ আৰু অৰ্থবহ কথাষাৰ ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰযোজ্য। অসমৰ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ সীমান্তত অৱস্থিত এই উদ্যানখন ব্ৰহ্মপুত্ৰ, লোহিত আৰু দিহিং নদীৰ মিলনভূমিত বিস্তৃত। নদী, জলভূমি, চৰাঞ্চল, ঘাঁহনি আৰু ঘন বনাঞ্চলৰ সমন্বয়ত গঠিত এই বনাঞ্চলখন অসমৰ এক গুৰুত্বপূৰ্ণ জৈৱ-বৈচিত্ৰ্যৰ ভাণ্ডাৰ। এইখন ৰাষ্ট্ৰীয় উদ্যানক ইউনেস্ক'ই 'সংৰক্ষিত জৈৱমণ্ডল' (biosphere reserve) হিচাপে স্বীকৃতি প্ৰদান কৰিছে, যি ইয়াৰ আন্তঃৰাষ্ট্ৰীয় গুৰুত্বক সূচিত কৰে। এইখন উদ্যানৰ অন্যতম আকৰ্ষণ আৰু গৌৰৱৰ বিষয় হৈছে বনৰীয়া ঘোঁৰা।

ডিব্ৰু-চৈখোৱাৰ বনৰীয়া ঘোঁৰাবোৰ বিশেষকৈ উদ্যানখনৰ বিস্তৃত ঘাঁহনি আৰু চৰাঞ্চলত দেখা যায়। ইহঁত দলবদ্ধভাৱে বাস কৰে। ঘোঁৰাবোৰে মুক্তভাৱে বিস্তৃত বনাঞ্চলখনত বিচৰণ কৰি ফুৰে। এই ঘোঁৰাবোৰৰ দেহৰ গঠন অত্যন্ত বলিষ্ঠ, পেশী শক্তিশালী আৰু দৌৰৰ গতি অত্যন্ত তীব্ৰ। ঘোঁৰাবোৰৰ ৰং সাধাৰণতে বাদামী, ক'লা-বাদামী বা ধূসৰ। দীঘল ডিঙি, শক্তিশালী খুৰা আৰু নোমযুক্ত নেজেই সিহঁতৰ দেহৰ গঠনক সৌন্দৰ্য্য প্ৰদান কৰে। এই ঘোঁৰাবোৰৰ চলন-ফুৰণ আৰু দৌৰাৰ দৃশ্য প্ৰকৃতিপ্ৰেমীসকলৰ বাবে এক মনোমোহা অভিজ্ঞতা।

ডিব্ৰু-চৈখোৱাৰ বনৰীয়া ঘোঁৰাবোৰৰ উৎপত্তিৰ এক ইতিহাস আছে। জনা যায় যে এই ঘোঁৰাবোৰ আচলতে সম্পূৰ্ণ বনৰীয়া নহয়, কিন্তু মানুহৰ সংগ এৰি প্ৰকৃতিৰ মাজত ডাঙৰ-দীঘল হোৱা বাবে ইহঁতক বন-ঘৰচীয়া (feral horses) বুলি কোৱা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বৃটিছ বা আমেৰিকান সৈন্যই এই অঞ্চল এৰি যাওঁতে এৰি যোৱা ঘোঁৰাবোৰেই কালক্ৰমত বনৰীয়া হৈ পৰে। বৰ্তমান এই ঘোঁৰাবোৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ মুখ্য আকৰ্ষণ।

ডিব্ৰু-চৈখোৱাৰ বনৰীয়া ঘোঁৰাবোৰে পৰিৱেশত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সিহঁতে ঘাঁহ খাই ঘাঁহনিবোৰ নিয়ন্ত্ৰণ কৰে, যাৰ ফলত উদ্ভিদৰ সুষম বৃদ্ধি বৰ্তি থাকে। এই প্ৰক্ৰিয়াই পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰে।

পৰ্য্যটনৰ ক্ষেত্ৰতো ডিব্ৰু-চৈখোৱাৰ বনৰীয়া ঘোঁৰাবোৰৰ গুৰুত্ব অপাৰ। দেশ-বিদেশৰ বহু পৰ্য্যটক এই অনন্য ঘোঁৰাবোৰ চাবলৈ এই উদ্যানখনলৈ আহে। বিশেষকৈ শীতকালত পৰ্য্যটকৰ সংখ্যা বৃদ্ধি পায়। ইয়াৰ ফলত স্থানীয় লোকসকলৰ জীৱিকাৰ পথো মুকলি হয় আৰু অঞ্চলটোৰ অৰ্থনীতি শক্তিশালী হয়। সেইবাবেই এই ঘোঁৰাবোৰ কেৱল প্ৰাকৃতিক সম্পদেই নহয়, অৰ্থনৈতিক দিশতো ইয়াৰ গুৰুত্ব আছে।

'বন্যপ্ৰাণী অবিহনে প্ৰকৃতিৰ সুৰ নাথাকে'—এই কথাষাৰ ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত বৰ সুন্দৰভাৱে প্ৰতিফলিত হয়। তথাপি, বৰ্তমান সময়ত এই মূল্যবান প্ৰাণীবোৰ বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। অঞ্চলটোত প্ৰতি বছৰে হোৱা ভয়ংকৰ বানে সিহঁতৰ জীৱনৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান মাতি আনিছে। বানৰ সময়ত থকা ঠাইবোৰ ডুব যোৱাৰ লগতে খাদ্যৰ সংকটে দেখা দিয়ে। বহু সময়ত ঘোঁৰাবোৰে সুৰক্ষিত ঠাই বিচাৰি অন্য অঞ্চললৈ গুচি যাবলগীয়া হয়, যাৰ বাবে সিহঁত মানুহৰ সংস্পৰ্শলৈ আহে আৰু সংঘাতৰ সৃষ্টি হয়। তদুপৰি বনাঞ্চলৰ সংকোচন, অবৈধ বনোচ্ছেদ আৰু মানুহৰ অনিয়ন্ত্ৰিত হস্তক্ষেপেও ইহঁতৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। পৰিৱেশ প্ৰদূষণ আৰু জলবায়ু পৰিৱৰ্তনেও এই ঘোঁৰাবোৰৰ জীৱন-যাপনক প্ৰভাৱিত কৰিছে। ❖

জন সম্বোধন

■ জয়ন্ত ডেকা

ৰাজহুৱা স্থানত ভাষণ প্ৰদান কৰা বা জন সম্বোধন (public speaking) এক পদ্ধতিগত পৰিবেশ্য কলা। ইয়াৰ জৰিয়তে বক্তাজনে নিজৰ মনৰ ভাব বা কোনো বিষয় সাৱলীল আৰু বিশ্বাসজনকভাৱে দৰ্শকৰ আগত উপস্থাপন কৰে আৰু দৰ্শকেও বিশ্বাস কৰিবলৈ মান্তি হয়। অভিনয় বা সংগীতৰ দৰে জন সম্বোধনৰ ক্ষেত্ৰতো বক্তাজনৰ বিষয়বস্তুৰ উপস্থাপন, কণ্ঠস্বৰৰ নিয়ন্ত্ৰণ, শব্দৰ আবেগিক আৰু সুস্থ প্ৰকাশৰ প্ৰয়োজন।

দৈনন্দিন বাৰ্তালাপৰ লগত ইয়াৰ বহুতো পাৰ্থক্য আছে, কাৰণ জন সম্বোধন এক আনুষ্ঠানিক প্ৰক্ৰিয়া। ৰাজহুৱা স্থানত বা সভা-সমিতিত দৰ্শকৰ আগত বিষয় এটা উপস্থাপন কৰাৰ ক্ষেত্ৰত বহুতো সামাজিক বাধ্যবাধকতা থাকে। বক্তাজনে মাৰ্জিত পোছাক পৰিধান কৰিব লাগে। বিভিন্ন বয়সৰ, সমাজৰ বিভিন্ন স্তৰৰ পুৰুষ-মহিলা, শিশু-ডেকা উপস্থিত থকা এখন সভাত প্ৰথমতে সভাপতিক সম্বোধন কৰিহে উপস্থিত আন ব্যক্তিসকলক সম্বোধন কৰি শ্ৰদ্ধা জনাই ভাষণ আৰম্ভ কৰা হয়। জন সম্বোধনৰ ক্ষেত্ৰত দক্ষ হ'বলৈ হ'লে প্ৰথমতে যি বিষয়ৰ ওপৰত ভাষণ দিয়া হ'ব, সেয়া ভালকৈ অধ্যয়ন কৰি মূল কথাকেইটা আয়ত্ত কৰি লোৱা, ভাষণ শুনিবলৈ ৰৈ থকা আগ্ৰহী দৰ্শকক ভালদৰে জানি লোৱা আৰু স্পষ্টকৈ আৰু সাৱলীলভাৱে আত্মবিশ্বাসেৰে কথাখিনি উপস্থাপন কৰাৰ বাবে প্ৰস্তুতি চলোৱাৰ প্ৰয়োজন। বক্তাই নিজৰ মনৰ সংশয়, ভয় বা অস্পষ্টতা আঁতৰাব লাগিব, নহ'লে বক্তাৰ আচৰণত (body language) এই মানসিক অৱস্থা ধৰা পৰিব। দৰ্শকৰ মনোযোগ আকৰ্ষণ কৰাৰ বাবে কেতিয়াবা নিজৰ বক্তব্য এটা প্ৰশ্নেৰে বা সৰু কাহিনীৰে বা বক্তব্যৰ লগত সংগতি থকা ঐতিহাসিক কথা উল্লেখ কৰিব পাৰি।

গোটেই প্ৰেক্ষাগৃহত অজস্ৰ দৰ্শক থাকিব, ব্যক্তিগতভাৱে কোনো মানুহৰ ওপৰত দৃষ্টি নিবদ্ধ নকৰি সমগ্ৰ দৰ্শকৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। বক্তব্য সদায় স্পষ্ট হ'ব লাগে, বেছি খৰধৰকৈ ক'ব নালাগে। মূল কথাকেইটাত জোৰ দিব লাগে, প্ৰয়োজন হ'লে কথাৰ মাজত এক ছেকেণ্ড, দুই ছেকেণ্ড ৰৈ দিব লাগে। মূল কথাকেইটা উল্লেখ কৰোঁতে বা ঘোষণা কৰোঁতে হস্ত সঞ্চালন কৰিব পাৰি বা কৰা হয়, কিন্তু দৃষ্টিকটু হ'ব নালাগে। সামান্য ভয় বা সংশয় অহাটো স্বাভাৱিক কথা; হয়তো বহুতো বক্তাৰ ক্ষেত্ৰত এনেকুৱা হয়, কিন্তু নিজৰ ওপৰত বিশ্বাস আৰু আস্থা ৰাখিব লাগে। সংশয় বা ভয় পৰিহাৰ কৰি বক্তব্যৰ মূল কথাখিনিত গুৰুত্ব দিব লাগে।

প্ৰথমতে নিজৰ বক্তব্যখিনি প্ৰস্তুত কৰি নিজৰ ঘৰৰ মানুহ বা বিশ্বাসী বন্ধুসকলৰ আগত অভ্যাস কৰিব লাগে। মোবাইল ফোনত বাণীবদ্ধ কৰি চাবও পাৰি। বক্তব্যৰ মূল কথাখিনি স্পষ্টভাৱে বুজি লৈ আত্মবিশ্বাসেৰে আৰু সাৱলীল শব্দ প্ৰয়োগেৰে উপস্থাপন কৰি প্ৰথম এক মিনিটৰ ভিতৰতে দৰ্শকৰ মন জিনিব লাগিব। সময়ৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। বেছি দীঘলীয়া বক্তব্যই বা তৰল চালে-বেৰে কোবোৱা তথ্যহীন যুক্তি আগবঢ়ালে দৰ্শক বিৰক্ত হ'ব পাৰে। এবাৰ দৰ্শকৰ মন ভাগি গ'লে পুনৰ ঘূৰাই আনিব নোৱাৰি। সন্মুখত বহি থকা দৰ্শকক ব্যক্তিগত যোগাযোগত আনিবলৈ বক্তব্যৰ মাজতে সৰু ৰসাল কাহিনী উপস্থাপন কৰিব পাৰি। ইয়ে দৰ্শকক বেছি আপ্লুত কৰে আৰু মনোযোগ বৃদ্ধি কৰে। আজিকালি দৃশ্য-শ্ৰাব্য মাধ্যমো ব্যৱহাৰ কৰা হয়। জন সম্বোধনৰ আৰম্ভণি আৰু সমাপ্তি সদায় স্পষ্ট আৰু আকৰ্ষণীয় হ'ব লাগে, সদায়ে দৰ্শকে মনত ৰাখে সমাপ্তিৰ মূল গুৰুত্বপূৰ্ণ আৰু ৰসাল কথাকেইটা। ❖

নেহৰু খুৰা আৰু শিশু দিৱস



স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ জন্মদিনটোতে 'শিশু দিৱস' উদযাপন কৰা হয় বুলি আমি সকলোৱে জানো। শিশুসকলৰ প্ৰতি তেওঁৰ মৰম আৰু আদৰৰ বাবেই শিশুসকলে তেওঁক 'নেহৰু চাচা' বুলি সম্বোধন কৰিছিল। নেহৰু খুৰাই জন্মগ্ৰহণ কৰিছিল ১৮৮৯ চনৰ ১৪ নৱেম্বৰত উত্তৰ প্ৰদেশৰ এলাহাবাদত। তেওঁৰ পিতৃ মতিলাল নেহৰু পেছাত এগৰাকী উকীল আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। জৱাহৰলাল নেহৰুৰ মাতৃ স্বৰূপ ৰাণী নেহৰু এগৰাকী ধৰ্মপৰায়ণা মহিলা আছিল।

জৱাহৰলাল নেহৰু এগৰাকী বৰ অধ্যয়নশীল ব্যক্তি আছিল। তেওঁ সৰুকালত গৃহ শিক্ষকৰ পৰা শিক্ষা গ্ৰহণ কৰিছিল। ঘৰুৱা শিক্ষকৰ তত্ত্বাৱধানতে তেওঁ ইংৰাজী, সংস্কৃত, হিন্দী, উৰ্দু আদি ভাষাৰ জ্ঞান আহৰণ কৰাৰ লগতে ৰসায়নবিজ্ঞান, উদ্ভিদবিজ্ঞান, পদাৰ্থবিজ্ঞান আদিৰ শিক্ষাও লাভ কৰিছিল। তেৰ বছৰ বয়সত তেওঁ থিয়ছ'ফিকেল সংঘত যোগদান কৰিছিল আৰু এই সংঘৰ জৰিয়তে প্ৰাচীন ধৰ্মপুথিবোৰ অধ্যয়ন কৰিছিল। শৈশৱত তেওঁৰ ব্যায়াম চৰ্চা, ঘোঁৰা চলোৱা, সাঁতোৰ আদিতো ৰাপ আছিল। ১৫ বছৰ বয়সত তেওঁ ইংলণ্ডলৈ যায় আৰু তাৰ হেৰ' পাব্লিক স্কুলত নামভৰ্তি কৰে। অৱশ্যে হেৰ' পাব্লিক স্কুলৰ পৰিবেশে তেওঁক আকৃষ্ট নকৰাৰ বাবে তেওঁ পৰবৰ্তী সময়ত কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজত নামভৰ্তি কৰে। ট্ৰিনিটি কলেজৰ পৰাই তেওঁ স্নাতক ডিগ্ৰী লাভ কৰে।

জৱাহৰলাল নেহৰুৱে একেৰাহে ১৭ বছৰৰ বাবে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হৈ আছিল। তেওঁ এগৰাকী প্ৰখ্যাত লেখকো আছিল। বিশ্ব ইতিহাসৰ জিলিঙনি (Glimpses of World History), দ্য ডিস্ক'ভাৰী অৱ ইণ্ডিয়া (The Discovery of India) তেওঁৰ উল্লেখযোগ্য সৃষ্টি। পণ্ডিত নেহৰু আছিল এগৰাকী অক্লান্ত কৰ্মী। প্ৰতিটো মুহূৰ্তৰ তেওঁ সদ্ব্যৱহাৰ কৰিছিল। ১৯৫৫ চনত তেওঁ ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' লাভ কৰিছিল। নেহৰুৱে ১৯১৬

চনত কমলা কৌলৰ সৈতে বিবাহপাশত আবদ্ধ হয়। তেওঁলোকৰ একমাত্ৰ কন্যা ইন্দিৰা গান্ধী ভাৰতৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী আছিল।

উল্লেখযোগ্য যে ১৯৪৭ চনৰ পৰা সমগ্ৰ ভাৰততে নেহৰুৰ জন্মদিনটো ৰাজহুৱাভাৱে উদযাপন কৰা হৈছিল যদিও সেই দিনটো শিশু দিৱস হিচাপে নামকৰণ কৰা হোৱা নাছিল। ১৯৫৪ চনত প্ৰথমবাৰৰ বাবে এই দিনটো শিশু দিৱস হিচাপে উদযাপন কৰা হয়।

বিশ্বৰ বিভিন্ন দেশত বিভিন্ন তাৰিখত এই দিৱস উদযাপন কৰা হয়। ১৯২৫ চনত শিশু কল্যাণ সম্পৰ্কীয় বিশ্ব সন্মিলনৰ সময়ত জেনেভাত প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় শিশু দিৱসৰ কথা উত্থাপন কৰা হৈছিল। ১৯৫৫ চনৰ পৰা প্ৰায়বোৰ কমিউনিষ্ট আৰু উত্তৰ কমিউনিষ্ট দেশতে ১ জুন তাৰিখে এই দিৱস উদযাপন কৰা হয়। ১৯৫৯ চনৰ ২০ নৱেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে শিশুৰ অধিকাৰ ঘোষণা কৰাৰ স্মৃতিত ২০ নৱেম্বৰত বিশ্ব শিশু দিৱস পালন কৰিবলৈ সিদ্ধান্ত লয়। কিছুমান দেশত শিশু দিৱসৰ সলনি শিশু সপ্তাহ পালন কৰা হয়। শিখসকলে ২০ ডিচেম্বৰৰ পৰা ২৭ ডিচেম্বৰলৈ গুৰু গোবিন্দ সিংহৰ পুত্ৰৰ স্মৃতিত শিশু সপ্তাহ পালন কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত জুন মাহৰ দ্বিতীয় দেওবাৰে শিশু দিৱস পালন কৰা হয়, ম্যানমাৰত ১৩ ফেব্ৰুৱাৰীত, নিউজিলেণ্ডত মাৰ্চ মাহৰ প্ৰথম দেওবাৰে, বাংলাদেশত ১৭ মাৰ্চত, লিবিয়াত ২১ মাৰ্চ তাৰিখে, তুৰস্কত ২৩ এপ্ৰিল তাৰিখে শিশু দিৱস পালন কৰা হয়। এনেদৰেই বিশ্বৰ বিভিন্ন প্ৰান্তত সুকীয়া সুকীয়া দিনত শিশু দিৱস উদযাপন কৰা হয়।

শিশুৰ অধিকাৰ, শিক্ষা, কল্যাণৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যেই এই দিৱস পালন কৰা হয়। এই দিনটোত সমগ্ৰ বিশ্বতে শিশুসকলৰ বাবে বিভিন্ন শিক্ষামূলক আৰু প্ৰেৰণাদায়ক কাৰ্য্যসূচী গ্ৰহণ কৰা হয়। ❖

শুৱলা ভাষা

শিক্ষাৰ্থীসকল, আমি সততে কওঁতে বা লিখোঁতে ভুল কৰা কেইটিমান শব্দ জানি থওঁ আহা :

ভুল	শুদ্ধ	প্ৰায়োগিক বাক্য
তাজ্য/তেজ্য	ত্যাজ্য	ল'ৰাটোৱে সেই অপকৰ্মটো কৰাৰ বাবে পৰিয়ালটোৱে তাক ত্যাজ্য পুত্ৰ কৰিলে।
দাবী-ধমকি	ডাবি-ধমকি	ল'ৰাটোক ইমান ডাবি-ধমকি দি নাথাকিবিচোন, সি মন দি পঢ়া-শুনা কৰিব নহয়।
মাল্যৰ্পণ	মাল্যাৰ্পণ	শ্বহীদগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰে তেওঁৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰা হৈছে। ❖

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

অসমীয়া ভাষাৰ ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন আদি

গাঁঠিত নাই ধন, বৰসবাহলৈ মন



বৰসবাহ পাতিবৰ বাবে বহু টকা-পইচাৰ প্ৰয়োজন হয়। হাতত ধন নথকাকৈ বৰসবাহ পাতিবলৈ বিচাৰিলে সেই আশা কেতিয়াও পূৰণ নহয়। বৰং তেনে আশাক প্ৰশ্ৰয় নিদি নিজৰ আৰ্থিক অৱস্থা অনুসৰি মন মেলাহে যুগুত। হাতত পা-পইচা নথকাকৈ ডাঙৰ কামলৈ মন মেলা মানুহৰ ক্ষেত্ৰত এই যোজনাটো ব্যৱহাৰ কৰা হয়।

প্ৰায়োগিক বাক্য : এইবাৰ কণটিলৌয়ে বোলে তীৰ্থ ভ্ৰমিবলৈ যাব, দুবেলা-দুমুঠি খাবৰ বাবেই ইমান সমস্যা, এতিয়া তীৰ্থ ভ্ৰমিবলৈ হেঁপাহটো কিয়বা জাগিল তাৰ ! ইয়াকে কয় গাঁঠিত নাই ধন, বৰসবাহলৈ মন। ❖

উপদেশতকৈ আৰ্হি ভাল

আনক বিভিন্ন দিশত উপদেশ দিয়াটো বৰ ডাঙৰ কথা নহয়, ডাঙৰ কথা প্ৰথমে সেই উপদেশ নিজৰ জীৱনত কাৰ্য্যকৰী কৰা। সজ আচৰণ, নৈতিকতা আদিৰ দিশত আনক উপদেশ দিওঁতে তাৰ পূৰ্বে নিজে তেনে সজ আচৰণ প্ৰদৰ্শন কৰিলেহে অৰ্থাৎ আৰ্হি দাঙি ধৰিলেহে তেনে উপদেশ ফলপ্ৰসূ তথা প্ৰভাৱশালী হয়। উপদেশ দিওঁতাজনে বাস্তৱক্ষেত্ৰত যদি তাৰ ওলোটা আচৰণ কৰে তেনেহ'লে তেওঁ দিয়া উপদেশ কোনেও গুৰুত্বসহকাৰে নলয়। সেয়েহে কোৱা হয় উপদেশতকৈ আৰ্হি ভাল।

প্ৰায়োগিক বাক্য : এই যে সুযোগ পালেই তই মানুহবোৰক উপদেশ দি ফুৰ, তই নিজেও জীৱনত সেইবোৰ মানি চলিবি, উপদেশতকৈ আৰ্হি ভাল, মনত ৰাখিবি। ❖

মহাদুষ্টৰ দুষ্টবুদ্ধি

"ইদ্ৰিছক চিনি পোৱানে? বাপৰে বাপ! কি দুষ্ট! তাৰ কাণ্ড-কাৰখানাৰ কথা শুনিলে কেতিয়াবা তোমালোকৰ মুখৰ মাত নাইকিয়া হৈ যাব, কেতিয়াবা খং উঠিব, কেতিয়াবা হাঁহোঁতে-হাঁহোঁতে পেটৰ বিষ উঠি যাব, চকুৰ পানী ওলাই যাব। কিমান যে কাণ্ড! কৈ থাকিলে মোৰ মুখ বিষাই যায়। সেইকাৰণে নকওঁ।" এয়া মহাদুষ্টৰ দুষ্টবুদ্ধিৰ নমুনা। মহাদুষ্টৰ দুষ্টবুদ্ধিনো আচলতে কি সেয়া নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। কিতাপ পঢ়ি ভালপোৱা শিশু-কিশোৰে এই কিতাপখন কেতিয়াও নপঢ়াকৈ নাথাকে। অসমৰ এগৰাকী বিখ্যাত লেখক তথা চলচ্চিত্ৰ পৰিচালক ড° ভবেন্দ্ৰ নাথ শইকীয়াই শিশুসকলৰ বাবে লিখা এই কিতাপখন ইমানেই জনপ্ৰিয় যে কিতাপখনৰ কাহিনীবোৰ শিশুসকলৰ প্ৰায় মুখস্থ বুলিলেও ভুল কোৱা নহ'ব।

মহাদুষ্টৰ দুষ্টবুদ্ধিত আছে ৭৮টা কাহিনী। কম দৈৰ্ঘ্যৰ এই কাহিনীবোৰৰ প্ৰতিটোতে এটা বুদ্ধিদীপ্ত অথচ ৰসাল কাহিনী আছে।

কিতাপখনৰ মূল আকৰ্ষণ হৈছে ইয়াৰ চৰিত্ৰসমূহ আৰু সিহঁতৰ কাণ্ড-কাৰখানা। কিতাপখনত মুখ্যতঃ শিশু-কিশোৰৰ সহজ-সৰল, চঞ্চল আৰু দুষ্টালিপূৰ্ণ দিশটো অতি ৰসালভাৱে ফুটাই তোলা হৈছে। কাহিনীবোৰৰ মুখ্য চৰিত্ৰটোৱে নিজৰ চোকা মগজু আৰু দুষ্টবুদ্ধি ব্যৱহাৰ কৰি যিবোৰ পৰিস্থিতিৰ সৃষ্টি কৰে, সেয়া পঢ়িলে হাঁহি ৰখাব নোৱাৰি। কিন্তু ডাঙৰ কথাটো হৈছে—এই দুষ্টবুদ্ধিবোৰৰ আঁৰত কোনো হিংসুক বা অনিষ্টকাৰী মনোভাব নাথাকে, থাকে কেৱল নিৰ্দোষ ধেমালি আৰু শিশুসুলভ চঞ্চলতা। কিতাপখনৰ পদে পদে থকা ব্যংগ আৰু ধেমেলীয়া সংলাপে পঢ়ুৱৈক শেষলৈকে মোহিত কৰি ৰাখে।

কেৱল ধেমালিয়েই নহয়, ৰসাল কাহিনীবোৰৰ মাজেৰে লেখকে শিশুৰ প্ৰতিভা, সৃজনশীলতা আৰু মুক্ত মনৰ গুৰুত্বও পৰোক্ষভাৱে আঙুলিয়াই দিছে।

উল্লেখযোগ্য যে ভবেন্দ্ৰনাথ শইকীয়াই শিশু-কিশোৰ উপযোগী কেইবাখনো ৰসাল তথা ভাবোদ্দীপক গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। মৰম, শান্ত-শিষ্ট হৃষ্ট-পুষ্ট-মহাদুষ্ট, তোমালোকৰ ভাল হওক, মৰমৰ দেউতা আদি সকলো শিশু-কিশোৰে পঢ়িবলগীয়া গুৰুত্বপূৰ্ণ গ্ৰন্থ। শিশুৰ মনোজগত ভবেন্দ্ৰ নাথ শইকীয়াই বৰ সূক্ষ্মভাৱে অনুধাৱন কৰিব পাৰিছিল আৰু সেয়েহে শিশুসকলে পঢ়ি আমোদ পাব পৰা এনে সুন্দৰ কাহিনীবোৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ❖

ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক জন্তুসমূহ

কস্তুৰী মৃগ (ইংৰাজী নাম : Mask deer, বৈজ্ঞানিক নাম *Moschus moschiferus*) :

কস্তুৰী মৃগ হৈছে শিং নথকা এবিধ সৰু আকৃতিৰ হৰিণা। ই মছকিডি (Moschidae) পৰিয়ালৰ অন্তৰ্গত এবিধ স্তন্যপায়ী প্ৰাণী। চীন দেশৰ পৰা হিমালয়ৰ কাশ্মীৰলৈকে কস্তুৰী মৃগ পোৱা যায়। সাধাৰণতে পাৰ্বত্য অঞ্চলৰ ২৬০০ মিটাৰৰ পৰা ৪৫০০ মিটাৰ উচ্চতাত ইহঁতে বাস কৰে। ছাইবেৰিয়া, ছাখলিন, কোৰিয়া আদিতো কস্তুৰী মৃগ পোৱা যায়। পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰায় ৭ টা প্ৰজাতিৰ কস্তুৰী মৃগ পোৱা যায়। ভাৰতত পোৱা কস্তুৰী মৃগবোৰৰ ভিতৰত কাশ্মীৰৰ পৰা অৰুণাচললৈ পোৱা কস্তুৰী মৃগৰ প্ৰজাতিটোৰ সংখ্যাই বেছি। এইবিধ প্ৰাণী ভাৰতবৰ্ষৰ উত্তৰাখণ্ডৰ ৰাজ্যিক জন্তু। এই মৃগৰ মতা মৃগবোৰৰ নাভিৰ ওচৰত হোৱা এটা টেমুনাত এক বিখ্যাত সুগন্ধি দ্ৰব্য 'কস্তুৰী'ৰ সৃষ্টি হয়। সেয়েহে ইয়াক কস্তুৰী মৃগ বোলা হয়।

প্ৰায়েই অকলশৰীয়াকৈ থকা এই মৃগই ৰাতি চৰিবলৈ ওলায়। দিনটো ই জোপোহা বা ফুটুকানিৰ মাজত সোমাই থাকে। ইহঁতৰ প্ৰধান খাদ্য ঘাঁহ, বন, শেলাই, লাইকেন, গছৰ ফল ইত্যাদি।

পূৰ্ণবয়স্ক এটা কস্তুৰী মৃগ ওখই প্ৰায় ৬০ ছেণ্টিমিটাৰ আৰু ইহঁতৰ ওজন হয়গৈ প্ৰায় ১০ কিলোগ্ৰাম। গাটো ডাঠ মুগা আৰু সোণালী বৰণৰ নোমেৰে আবৃৰা। কিছুমানৰ পেটৰ তলফালে বগা ফুট ফুট থাকে। কাণ দুখন থিয়। ৭ৰ পৰা ১০ ছেণ্টিমিটাৰ আকাৰৰ দুটা দাঁত বাহিৰৰ ফালে ওলাই থাকে। এই দাঁত দুটাৰ গুৰি অংশ ঢিলা হোৱাৰ বাবে দুটা পহুৰ মাজত যুঁজ-বাগৰ লাগিলে অথবা কিবা আঘাত পালেই দাঁত দুটা ভাগি থাকে। ইয়াৰ নেজডাল বৰ চুটি আৰু নেজৰ মূৰত সামান্য একোছা নোম থাকে। ইয়াৰ আগঠেং দুখনৰ তুলনাত পিছ ঠেং দুখন শকত আৰু দীঘল। মতা মৃগবোৰৰ পেটৰ তলফালে নাভিৰ ওচৰত সুগন্ধিযুক্ত টেমুনাটো থাকে। কেতিয়াবা নেজৰ ওচৰতো সৰু আকৃতিৰ টেমুনা থকা দেখা যায়। এই টেমুনাবোৰো সুগন্ধিযুক্ত।

চোৰাংচিকাৰ, বনাঞ্চল ধ্বংস, খাদ্যবস্তুৰ নাটনি আদি বিভিন্ন কাৰণত এইবিধ প্ৰাণীৰ সংখ্যা দিনক দিনে হ্ৰাস পাই আহিছে। লুপ্তপ্ৰায় এইবিধ প্ৰাণী সংৰক্ষণৰ বাবে ১৯৭২ চনৰ 'বন্যপ্ৰাণী সুৰক্ষা আইন'ৰ দ্বাৰা এই জন্তুবিধ বধ কৰা আৰু এইবিধ প্ৰাণীৰ তলপেটৰ নাভিৰ ওচৰত টেমুনাটোত থকা 'কস্তুৰী' আমদানি আৰু ৰপ্তানি কৰা সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। লগতে জনগণৰ মাজতো এই বিষয়ে সজাগতাৰ সৃষ্টি কৰা হৈছে। ❖

চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

অসমীয়া	ইংৰাজী	অসমীয়া	ইংৰাজী
আপাত, স্পষ্ট	apparent	যাদৃচ্ছিক	arbitrary, random
আবিৰ্ভাৱ হোৱা	appear		
ক্ষমা-প্ৰাৰ্থনা	apology	বৃত্তচাপ	arc
পৰিশিষ্ট	appendix	পুৰাতত্ত্ব	archaeology
ভোক	appetite	পুৰাতত্ত্ববিদ	archaeologist
সঁজুলি, আহিলা	appliance, tool	ধনুৰ্বিদ্যা	archery
দৰ্খাস্ত, আবেদন	application	স্থাপত্য বিদ্যা	architecture
ব্যাৰহাৰিক বিজ্ঞান	applied science	স্থপতি	architect
নিযুক্ত কৰা	appoint	লেখাগাৰ, মহাফেজখানা	archive
প্ৰশংসা কৰা	appreciate, praise		
শিক্ষানবিচ	apprentice	উত্তৰ-মেৰু সংক্ৰান্ত	arctic
অনুমোদন, মঞ্জুৰী	approval	কৃত্ৰিম, বাহ্যিক	artificial
প্ৰায়, আসন্ন	approximate	যুক্তি প্ৰদৰ্শন কৰা	argue
উপযুক্ত, সঠিক	apt, eligible	আভিজাত্য	aristocracy
কাঁড়	arrow	অভিজাত ব্যক্তি	aristocrat
জলজ, জলচৰ	aquatic	স্বায়ত্তশাসিত	autonomous ❖

কুইজ

■ দীপাংকৰ কৌশিক

এইবাৰৰ শিতান বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিৰ আধাৰত সজোৱা হৈছে।

১। ভূপেন হাজৰিকাই পৰিচালনা কৰা পঞ্চমখন চলচ্চিত্ৰ 'চিকমিক বিজুলী'ৰ 'মৃত্যু সাৰটি সমাধি তলিত' গীতটো গোৱাৰ লগতে কোনে অভিনয়ো কৰিছিল?

২। 'চেনেহৰ অকণি বীৰ'—১৯৪৮ চনত সুধাকণ্ঠই ৰচনা কৰা এটি গীত। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কোনটো অনুষ্ঠানৰ আৰম্ভণি গীতৰূপে এইটো প্ৰচাৰ কৰা হৈছিল?

৩। 'কাৰ আকাশৰ ৰামধেনুখনি' শীৰ্ষক গীতটো ভূপেন হাজৰিকাই লিখিছিল এখন চলচ্চিত্ৰৰ বাবে। কণ্ঠদানো কৰিছিল। সংগীত পৰিচালনা আন এজন বিখ্যাত শিল্পীয়ে কৰিছিল। চলচ্চিত্ৰখন আৰু শিল্পীগৰাকীৰ নাম কি কি?

৪। 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে'—সুধাকণ্ঠই ৰচনা কৰা প্ৰথমটো গীত। এই গীতটো তেজপুৰ হাইস্কুলৰ এখন হাতেলিখা আলোচনীত সন্নিবিষ্ট হৈছিল। আলোচনীখনৰ নাম কি আছিল?

৫। ২০০০ চনত মুক্তিপ্ৰাপ্ত 'গজগামিনী' নামৰ হিন্দী ছবিখনৰ সংগীত পৰিচালনা কৰিছিল ভূপেন হাজৰিকাই। ছবিখনৰ পৰিচালক কোন আছিল?

৬। ভূপেন হাজৰিকাই সম্পাদনা কৰা অসমৰ প্ৰথমখন আৰ্ট জাৰ্ণাল 'গতি'ৰ এটা সংখ্যা এগৰাকী প্ৰসিদ্ধ ব্যক্তি জীৱিত থকাৰ সময়তে তেওঁলৈ সন্মান প্ৰদৰ্শন কৰি বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হৈছিল। কোন আছিল সেই ব্যক্তিগৰাকী?

৭। ১৯৭৫ চনত চামেলি মেমচাব চলচ্চিত্ৰখনৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছিল সুধাকণ্ঠই। ছবিখনৰ তিনিটা গীত 'ক খ গ ঘ', 'অসম দেশৰ বাগিচাৰে ছোৱালী' আৰু 'হাৰা নাই বতাহ নাই'ত কোনগৰাকী গায়িকাই কণ্ঠদান কৰিছিল?

৮। ২০০২ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰযোগে প্ৰচাৰ হোৱা অনাতাঁৰ আত্মজীৱনীখনৰ নাম কি আছিল?

৯। 'জীৱন ঘড়ীৰ প্ৰতিটো পল' সুধাকণ্ঠই ৰচনা কৰা এটা বিখ্যাত গীত। 'কাঁচঘৰ' ছবিখনত এই গীতটো কোনে গাইছিল?

১০। 'মলয়াৰ এছাটি দুহাতে সাৰটি ধুনীয়া মালতী সৰে।' এটা বিখ্যাত আৰু জনপ্ৰিয় গীতৰ এটি কলি। এই গীতটোৰ প্ৰথম দুটা শাৰী কি?

১১। ১৯৫৩ চনৰ ১৭ জানুৱাৰীত সুধাকণ্ঠ আৰু হেমাংগ বিশ্বাসৰ চেষ্টাত গুৱাহাটী আৰু বৰপেটাত প্ৰথমবাৰৰ বাবে ৰূপকোঁৱৰৰ মৃত্যু দিৱস কি নামেৰে পালন কৰা হৈছিল?

১২। সুধাকণ্ঠৰ কোনটো বিখ্যাত গীত 'আমাৰ প্ৰতিনিধি' আলোচনীত 'আশাৰ গগনা' শিৰোনামেৰে প্ৰকাশ পাইছিল?

১৩। সুধাকণ্ঠই সংগীত পৰিচালনা কৰা কোনখন হিন্দী চলচ্চিত্ৰৰ মূল নাৰী চৰিত্ৰটোৰ নাম দুৰ্গা শইকীয়া?

১৪। 'দিহিঙে দিপাঙে'—সুধাকণ্ঠৰ যাযাবৰী জীৱনৰ ভ্ৰমণ কাহিনীৰ সংকলন। কিতাপখনৰ সম্পাদনা কোনে কৰিছিল?

১৫। ভূপেন হাজৰিকাই সম্পাদনা কৰা প্ৰথমখন পত্ৰিকা প্ৰকাশ পাইছিল ইংৰাজীত। পত্ৰিকাখনৰ নাম কি আছিল? ❖

তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, অক্টোবৰ ২০২৬

ধৃতাশ্ৰী ভৰদ্বাজ (অষ্টম খ), পল ভৰালী (অষ্টম গ), সৌম্যদ্বীপ কলিতা (পঞ্চম ঙ), ছায়াক্ষী পৰাশৰ (সপ্তম খ), জীয়ান ফুকন ঠাকুৰীয়া (সপ্তম গ), নীহাৰিকা শৰ্মা (পঞ্চম ঙ), জ্ঞানশ্ৰী কাশ্যপ (সপ্তম খ), কাব্যম ডেকা (ষষ্ঠ ঘ)। ❖

A Journey to the Center of the Earth

■ **Papari Kalita**

(Contd. from October issue)



After seven hours of walking, they stop in an underground cave. Axel points out that they have found no underground springs, wondering how they will replenish their water supply, but Lidenbrock assures him that they will encounter springs when the rocks are not composed of lava. When Axel expresses doubt about their path, Lidenbrock talks him through a series of calculations. He concludes that since they have reached 6,000 feet below the earth's surface, the greatest depth anyone has ever travelled, the temperature should be 81 degrees Celsius. Instead, the temperature is only 15 degrees. Axel relents that this is "well worth thinking over."

The next day, June 30th, the men continue following the passage downward. They reach a crossroads, which gives Axel and Hans pause. Lidenbrock, on the other hand, chooses the eastern tunnel seemingly by chance and starts down it without hesitation. Though the heat stays bearable, Axel continues to worry that Snäffel will erupt and kill them all. He does not voice these concerns to Lidenbrock, whose only goal is to move forward. The next day, the passage seems to slope uphill, but Lidenbrock angrily ignores Axel when he brings this up. Axel recognizes rock formations that mark a more recent geological period, proving that Lidenbrock chose the wrong tunnel and has led the group back toward the surface. Axel is too excited by his discovery to hide it from his uncle, so he informs Lidenbrock.

Lidenbrock refuses to turn around. He insists that he may have made a mistake, but he cannot be sure until they reach the end of their current passage. Axel argues that they are running out of water, but Lidenbrock tells him that they can simply ration the water.

The men start to ration the water. They walk in silence. Axel continues to notice geological proof that they are heading the wrong direction, but Lidenbrock ignores this evidence. Axel surmises that Lidenbrock expects to encounter either a vertical wall that will allow the men to resume their descent or an obstacle that will force them to turn around. They walk for another two days and encounter no obstacles.

Axel reflects on the rock formations, and how they disprove aspects of Lidenbrock's theories. At the end of the day, they reach a dead end. Lidenbrock declares that he now knows for certain that they were on the wrong path, so they should return to the fork. When Axel points out that their water supply will run out the following day, Lidenbrock gives him a stern look and instructs him not to lose his courage. ❖

Contd.

Spike Strip: A small device for road safety

■ Bhaktimala Saikia

In today's world, ensuring public safety has become a major responsibility of law enforcement agencies. A spike strip is a special device used by the police to stop vehicles that try to escape. When the police chase criminals in speeding vehicles, it can be dangerous for pedestrians, other drivers and police officers. A spike strip helps the police stop such vehicles and prevent accidents.

A spike strip is also known as a stinger or a tyre deflation device. It is a long, flat strip fitted with sharp metal spikes that point upwards. It is placed across the road to stop a moving vehicle. When a vehicle passes over the strip, the spikes puncture its tyres and allow the air to escape slowly. As a result, the vehicle gradually slows down and comes to a stop.

Spike strips are mainly used by the police during high-speed chases and at checkpoints. They help officers stop criminals who try to escape in their vehicles. This reduces the need for dangerous car chases and helps protect the lives of innocent people.

However, spike strips must be used carefully by trained police officers. If they are used in the wrong way, they may cause accidents and harm other road users. ❖

Whey: The nutritious by-product of milk

Whey is the watery liquid that remains after milk is used to make cheese or paneer. When milk curdles, it separates into solid curds and a liquid called whey. Although it is often thrown away, whey is a valuable source of nutrients and has several uses.

Whey contains high-quality proteins, vitamins, minerals and lactose, a natural sugar found in milk. Its protein helps to build and repair muscles and supports the growth of the body. It is also useful for people who exercise regularly and need protein for muscle recovery.

There are two main types of whey: sweet whey and acidic whey. Sweet whey is obtained during the preparation of certain types of cheese, while acidic whey is produced when milk is curdled using an acid. The whey left after making paneer at home is an example of acidic whey.

Whey can be used in many ways. It can be added to soups, curries, dough and smoothies to improve their nutritional value. It is also used in the food industry to make whey protein powder, which is popular among sportspersons and fitness enthusiasts. However, people who are allergic to milk proteins should avoid it and those who are lactose intolerant may need to limit their intake.

Thus, whey is much more than a leftover liquid. It is a useful and nutritious product that can help reduce food waste and make better use of milk. ❖

চিংহুৱা বিশ্ববিদ্যালয়

■ চন্দনা মেধি চৌধুৰী

চীনৰ বেইজিং চহৰৰ হাইডিয়ান জিলাত অৱস্থিত চিংহুৱা বিশ্ববিদ্যালয় (Tsinghua University) বিশ্বৰ এক অন্যতম শ্ৰেষ্ঠ আৰু সন্মানীয় শিক্ষানুষ্ঠান। ১৯১১ চনত স্থাপিত এই বিশ্ববিদ্যালয়খনে বিগত ১০০ বছৰতকৈও অধিক কাল চীনৰ শিক্ষা, বিজ্ঞান প্ৰযুক্তি আৰু ৰাজনৈতিক ক্ষেত্ৰলৈ অসাধাৰণ অৱদান আগবঢ়াই আহিছে। বৰ্তমান সময়ত চিংহুৱাক এছিয়াৰ শীৰ্ষস্থানীয় বিশ্ববিদ্যালয় আৰু বিশ্বৰ প্ৰথম শাৰীৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত গণ্য কৰা হয়। ২০২৬ চনৰ টাইমছ হায়াৰ এডুকেছন ৱৰ্ল্ড ইউনিভাৰ্ছিটি ৰেংকিঙত চিংহুৱা বিশ্ববিদ্যালয়ে দ্বাদশ স্থান আৰু এছিয়া মহাদেশৰ ভিতৰত প্ৰথম স্থান দখল কৰিছে।

বিশ্ববিদ্যালয়খনৰ প্ৰাৰম্ভিক ইতিহাস অধ্যয়ন কৰিলে আমি জানিব পাৰোঁ যে ১৯১১ চনৰ ২৯ এপ্ৰিলত চিংহুৱা ইম্পেৰিয়েল কলেজ নামেৰে এখন শিক্ষানুষ্ঠান স্থাপন কৰা হৈছিল। এই শিক্ষানুষ্ঠানখনৰ মূল উদ্দেশ্য আছিল চীনৰ ছাত্ৰ-ছাত্ৰীক আমেৰিকা যুক্তৰাষ্ট্ৰত উচ্চ শিক্ষাৰ বাবে প্ৰেৰণ কৰিবলৈ প্ৰস্তুত কৰা।

১৯১২ চনত এই শিক্ষানুষ্ঠানখনৰ নাম সলনি কৰি 'চিংহুৱা কলেজ' ৰখা হয়। ১৯২৫ চনত চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰা হয় আৰু ১৯২৮ চনত এই কলেজখনক পূৰ্ণাংগ বিশ্ববিদ্যালয়ৰ মৰ্য্যাদা দি 'ৰাষ্ট্ৰীয় চিংহুৱা বিশ্ববিদ্যালয়' হিচাপে নামকৰণ কৰা হয়। ১৯২৯ চনৰ পৰা ইয়াত স্নাতকোত্তৰ পাঠ্যক্ৰমো আৰম্ভ কৰা হয়।

বিশ্ববিদ্যালয়খনৰ চৌহদটো প্ৰায় ৪৮০ হেক্টৰ মাটিকালি জুৰি বিস্তৃত হৈ আছে। চৌহদটোৰ চাৰিওফালে বহুতো ঐতিহাসিক স্থান আছে আৰু ইয়াৰ স্থাপত্যত চীনৰ পৰম্পৰাগত শৈলী আৰু আধুনিক শৈলীৰ সংমিশ্ৰণ ঘটা দেখা যায়। বিশ্ববিদ্যালয়খনৰ বিশাল পুথিভঁৰালটো তিনিটা পৰ্য্যায়ত সম্প্ৰসাৰিত হৈ এক বিস্তৃত সংগ্ৰহশালালৈ পৰিণত হৈছে।

বৰ্তমান চিংহুৱা বিশ্ববিদ্যালয়ত ৫৯টা বিভাগ আছে, প্ৰায় ৯০টাতকৈও অধিক স্নাতক পাঠ্যক্ৰম আছে। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় ৬০ হাজাৰৰো অধিক। ইয়াৰ ভিতৰত ১৬,০০০ৰো অধিক স্নাতক, ২২,০০০ৰো অধিক স্নাতকোত্তৰ আৰু প্ৰায় ২৩,০০০ৰো অধিক গৱেষক ছাত্ৰ-ছাত্ৰী অন্তৰ্ভুক্ত হৈ আছে। তদুপৰি ১৭,০০০তকৈও অধিক কৰ্মচাৰী আৰু কেইবাহাজাৰো পূৰ্ণকালীনভাৱে শিক্ষকতা কৰি থকা অধ্যাপক আছে।

বিশ্ববিদ্যালয়খনক ইঞ্জিনীয়াৰিং, কম্পিউটাৰ বিজ্ঞান আৰু ৰসায়নবিজ্ঞানৰ ক্ষেত্ৰত বিশ্বৰ শীৰ্ষস্থানীয় প্ৰতিষ্ঠানসমূহৰ ভিতৰত গণ্য কৰা হয়। তদুপৰি বিশ্ববিদ্যালয়খনৰ গৱেষণামূলক কাৰ্য্য আৰু উদ্ভাৱন বিশ্বজুৰি সমাদৃত। এই বিশ্ববিদ্যালয়ৰ কেইটামান উল্লেখযোগ্য বিভাগ হ'ল—

কৃত্ৰিম বুদ্ধিমত্তা, ইঞ্জিনীয়াৰিং আৰু প্ৰযুক্তি, স্বাস্থ্য আৰু জীৱবিজ্ঞান, পৰিষ্কাৰ শক্তি আৰু পৰিৱেশ, উদ্ভাৱন আৰু উদ্যোগ আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা।

কেৱল শিক্ষাগত ক্ষেত্ৰতেই নহয়, চিংহুৱা বিশ্ববিদ্যালয়ে চীনৰ সাংস্কৃতিক আৰু সামাজিক উন্নয়নতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশ্ববিদ্যালয়খনৰ নীতিবাক্য হ'ল—'নিজকে অবিৰাম শক্তিশালী কৰি ৰখা আৰু গভীৰ গুণেৰে জগতখন ধাৰণ কৰা'। এই নীতিবাক্যষাৰিয়ে বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত আত্মশৃংখলা, নৈতিকতা আৰু সামাজিক দায়বদ্ধতাৰ মূল্যবোধ সিঁচি দিয়াৰ প্ৰয়াস কৰে। বিশ্ববিদ্যালয়খনে বিভিন্ন আন্তৰ্জাতিক সন্মিলন, কৰ্মশালা আৰু গৱেষণা প্ৰকল্পৰ আয়োজন কৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিক্ষাবিদ আৰু ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰি আহিছে। ❖

প্ৰকৃতিৰ ঐতিহ্য ক্ষেত্ৰ 'মাওফ্লাং'

■ ৰীতামণি মহন্ত



ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতিৰ সৌন্দৰ্য্য অতুলনীয়। এই অঞ্চলত থকা সেউজীয়া পাহাৰ-পৰ্বতে প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু অধিক মনোমোহা কৰি তুলিছে। এই অঞ্চলৰ প্ৰতিখন ৰাজ্যই নিজস্ব জীৱনশৈলী আৰু প্ৰাকৃতিক বৈশিষ্ট্যৰে নিজৰ এক সুকীয়া পৰিচয় দি আহিছে। এই ৰাজ্যসমূহৰ ভিতৰত 'মেঘালয়' অন্যতম, যাক মেঘৰ আলয় বুলি কোৱা হয়। নামটোৰ দৰেই ইয়াৰ অৰণ্য, পাহাৰ আৰু জলবায়ু হৈছে প্ৰকৃতিৰ অনুপম সৃষ্টি। এই মেঘালয় ৰাজ্যখনৰ পূব খাচি পাহাৰ জিলাতে অৱস্থিত 'মাওফ্লাং' নামৰ ঠাইখন।

'মাওফ্লাং' হৈছে প্ৰাকৃতিক সৌন্দৰ্য্য আৰু প্ৰাচীন খাচি পৰম্পৰাৰ এক আদৰ্শ স্থান। এই সৰু গাঁওখন কেৱল পৰ্য্যটনস্থলী নহয়, বৰং মানৱ-প্ৰকৃতিৰ সহাৱস্থানৰ এক আদৰ্শ স্থান হিচাপে পৰিগণিত হৈছে। মেঘালয়ৰ ৰাজধানী শ্বিলঙৰ পৰা প্ৰায় পঁচিছ কিলোমিটাৰ দক্ষিণ-পশ্চিম দিশত মাওফ্লাং অৱস্থিত। 'মাওফ্লাং' ইয়াৰ পবিত্ৰ অৰণ্য (sacred grove) আৰু ঐতিহাসিক শিলৰ স্তম্ভসমূহৰ (monoliths) বাবে পৰিচিত। খাচি ভাষাত 'মাও' শব্দৰ অৰ্থ হৈছে 'শিল' আৰু ফ্লাং শব্দৰ অৰ্থ হৈছে 'ঘাঁহেৰে আবৃত'। মাওফ্লাঙৰ অৰ্থ ঘাঁহেৰে আবৃত শিলৰ ভূমি। বৈজ্ঞানিক দৃষ্টিৰেও ইয়াৰ ভূ-প্ৰকৃতি বিশেষ গুৰুত্বপূৰ্ণ। এই অঞ্চলৰ মাটি, জলবায়ু আৰু প্ৰাকৃতিক পৰিৱেশে বহুতো উদ্ভিদ আৰু প্ৰাণীৰ বাবে বাসস্থান গঢ়ি তুলিছে। এই পবিত্ৰ অৰণ্যখন স্থানীয় খাচি জনগোষ্ঠীয়ে প্ৰায় ৮০০ বছৰ ধৰি সংৰক্ষণ কৰি আহিছে।

স্থানীয় লোকসকলে বিশ্বাস কৰে যে এই অৰণ্যখনত লাবাসা (Labasa) নামৰ দেৱতাই বাস কৰে। সেয়ে এই অৰণ্যত কোনো গছ কটা বা জীৱ-জন্তু চিকাৰ কৰা নিষেধ। সেই বিশ্বাসৰ বাবেই এই অৰণ্যৰ পৰা এটা পাত, এটা ফুল, শুকান ডাল, আনকি এটা শিলো বাহিৰলৈ নিয়াটো সম্পূৰ্ণ নিষিদ্ধ। এই নিয়ম চৰকাৰী আইনৰ ওপৰত নহয়; মানুহৰ নৈতিকতা বিবেকৰ ওপৰত প্ৰতিষ্ঠিত। বহু বছৰ পুৰণি বহুতো অচিনাকি উদ্ভিদে গোটেই অৰণ্যখনৰ পৰিৱেশ শান্ত কৰি ৰাখিছে। বিভিন্ন উদ্ভিদৰ উপৰি এই অৰণ্য চৰাই, উভচৰ প্ৰাণী, পতংগ, স্তন্যপায়ী জীৱৰ বাবে আশ্ৰয়স্থল।

বৰ্তমান বনাঞ্চল ধ্বংসৰ ফলত য'ত বহু জীৱ বিলুপ্ত হৈছে, তাত মাওফ্লাঙে প্ৰমাণ কৰিছে যে স্থানীয় সমাজৰ দায়িত্ববোধ আৰু সচেতনতাই প্ৰকৃতিক সফলভাৱে সংৰক্ষণ কৰিব পাৰে। মাওফ্লাঙে আমাক এইটোও শিকায় যে মানুহ প্ৰকৃতিৰ অধিকাৰী নহয়, বৰঞ্চ প্ৰকৃতিৰ সেৱক। আমি সকলোৰে মিলি যদি অৰণ্য ৰক্ষা কৰোঁ, তেনেহ'লে অৰণ্যই আমাক বিশুদ্ধ বায়ু, পানী, খাদ্যৰ লগতে জীৱনৰ ভেটি প্ৰদান কৰিব। মাওফ্লাঙলৈ যোৱা বহু পৰ্য্যটকে মনত এটা কথা লৈ উভতি যায় যে প্ৰকৃতিক সংৰক্ষণ কৰা কেৱল চৰকাৰৰ দায়িত্ব নহয়, বৰঞ্চ ই হৈছে প্ৰতিজন সুনাগৰিকৰ নৈতিক কৰ্তব্য।

মাওফ্লাঙৰ প্ৰকৃতি সংৰক্ষণৰ প্ৰকৃত পাঠ আহৰণ কৰিবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা উদ্ভিদবিজ্ঞানী, ইতিহাসবিদ, পৰিৱেশবিদ আৰু পৰ্য্যটকসকল ইয়ালৈ আহে। প্ৰতিজন সচেতন নাগৰিকে প্ৰকৃতিৰ প্ৰতি দায়িত্ববোধ গঢ়ি তোলাটো অতি প্ৰয়োজন। ই সমাজৰ সামূহিক দায়বদ্ধতা।

'প্ৰকৃতিক জয় কৰি নহয়, প্ৰকৃতিৰ সৈতে সহাৱস্থান কৰিয়েই মানৱ সভ্যতাৰ প্ৰকৃত উন্নতি সম্ভৱ। মাওফ্লাঙে নীৰৱে এই কথাই ব্যক্ত কৰিছে। মাওফ্লাং কেৱল মেঘালয়ৰ গৌৰৱ নহয়, ই সমগ্ৰ ভাৰতবৰ্ষৰে সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্য। ❖

ৰুদ্ৰ বৰুৱা : অসমৰ মাটি আৰু মানুহৰ কণ্ঠস্বৰ

■ অপৰ্ণা দেৱী

লুইতৰ বুকুত যেতিয়া ঢৌ উঠে, কলঙৰ পথাৰত যেতিয়া বতাহে গান গায়, পকা ধানৰ সোণালী পথাৰত যেতিয়া অসমৰ মাটিয়ে নিজৰ কথা ক'ব খোজে, তেতিয়া যেন কাণত ভাহি আহে এটি চিনাকি সুৰ—

'পকা ধানৰ মাজে মাজে সৰু সৰু আলি অ' সৰু সৰু আলি'...।

সেই সুৰৰ আঁৰত থকা গীতিকাৰ, সুৰকাৰ আৰু স্বপ্নদ্ৰষ্টাগৰাকীয়েই হৈছে ৰুদ্ৰ বৰুৱা। ৰুদ্ৰ বৰুৱাৰ গীতত ব্ৰহ্মপুত্ৰ নদী অৰ্থাৎ বৰ লুইতে বিশেষ গুৰুত্ব লাভ কৰিছিল বাবে তেওঁক 'লুইত কোঁৱৰ' উপাধিৰে বিভূষিত কৰা হৈছে।

ৰুদ্ৰ বৰুৱাই কেৱল গান ৰচনা কৰা নাছিল। তেওঁ গীতৰ মাজেৰে আঁকিছিল মাটি আৰু মানুহৰ, পথাৰ আৰু প্ৰকৃতিৰ, আশা আৰু অনুভৱৰ এখন অসম। ৰুদ্ৰ বৰুৱা সঁচাকৈয়ে অসমৰ মাটি আৰু মানুহৰ কণ্ঠস্বৰ।

লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ জন্ম হয় নগাঁও জিলাৰ পুৰণিগুদামৰ ওচৰৰ ভীমৰ গাঁৱত ১৯২৬ চনৰ ২৬ নৱেম্বৰ তাৰিখে। নগাঁও জিলাৰ মিকিৰহাট প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰা ৰুদ্ৰ বৰুৱাই ৰাধাকান্ত বৰুৱা হাইস্কুলৰ পৰা ১৯৪৫ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। মহাবিদ্যালয় পৰ্য্যায়ৰ শিক্ষা নগাঁৱতে আৰম্ভ কৰি আইএ পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে শ্বিলঙলৈ যায়। শ্বিলঙৰ চেইণ্ট এন্থনী কলেজৰ নৈশ শাখাত অধ্যয়ন কৰি তেওঁ ১৯৫১ চনত স্নাতক ডিগ্ৰী লাভ কৰে। পিতৃ বিয়োগকে আদি কৰি কিছুমান প্ৰতিকূলতাৰ মাজতো ৰুদ্ৰ বৰুৱাই শিক্ষা গ্ৰহণৰ পৰা বিৰত থকা নাছিল। আৰ্থিক সমস্যাক সমস্যা বুলি গণ্য নকৰি ৰুদ্ৰ বৰুৱাই অধ্যয়ন আৰু সাংস্কৃতিক সাধনাক একেলগে আগুৱাই নিছিল।

লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা শৈশৱৰ পৰা এগৰাকী সংগীত অনুৰাগী আছিল। পৰৱৰ্তী সময়ত তেওঁ অসমৰ আধুনিক সংগীত জগতৰ এগৰাকী অগ্ৰণী শিল্পী হিচাপে পৰিচিত হয়। তেওঁৰ ৰচনা আৰু সুৰেৰে প্ৰাণ পাই উঠিছিল 'পকা ধানৰ মাজে মাজে...', 'বন্ধু সময় পালে আমাৰ ফালে...' আদি কালজয়ী গীত। তদুপৰি তেওঁ সুৰাৰোপ কৰা এটা অন্যতম গীত হ'ল 'কলৰে পাততে কাউৰী পৰে...'। ৰুদ্ৰ বৰুৱাৰ গীতত অসমৰ গাঁৱলীয়া জীৱন, অসমৰ সেউজীয়া প্ৰকৃতি, অসমৰ চিৰসেউজ পথাৰ, চিৰপ্ৰবহমান লুইত আৰু অসমীয়া লোক-সংস্কৃতিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়।

অসমীয়া লোকগীতৰ সুৰ আৰু আধুনিক সংগীতৰ সমন্বয়ত ৰুদ্ৰ বৰুৱাই অসমীয়া সংগীতক এক নতুন মাত্ৰা প্ৰদান কৰে। আধুনিক অসমীয়া গীতৰ এক অন্যতম ধাৰা 'বনগীত'ক জনপ্ৰিয় কৰাসকলৰ ভিতৰত অন্যতম আছিল ৰুদ্ৰ বৰুৱা।

অসমীয়া সংগীতৰ এগৰাকী কালজয়ী শিল্পী ৰুদ্ৰ বৰুৱাই অসমীয়া চলচ্চিত্ৰ আৰু সাংস্কৃতিক ক্ষেত্ৰতো উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। তেওঁ অসমীয়া চলচ্চিত্ৰত অভিনেতা আৰু সংগীত পৰিচালক হিচাপে কাম কৰিছিল।

ৰুদ্ৰ বৰুৱাই কেইবাটাও শিশু গীত ৰচনা কৰিও সমাদৰ লাভ কৰিছে। 'বৰষুণৰ বতৰত মইনা নুঠে মটৰত', 'অ' তুলতুল অ' বুলবুল' আদি গীতসমূহে এটি প্ৰজন্মৰ পৰা আন এটি প্ৰজন্মলৈ ৰুদ্ৰ বৰুৱাৰ শিল্পী সত্তাক কঢ়িয়াই নিবলৈ সক্ষম হৈছে।

অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালকৰ দায়িত্ব পালন কৰি থকা সময়তে ১৯৮০ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে ৰুদ্ৰ বৰুৱাই অকাল মৃত্যুবৰণ কৰে। লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ গীত আজিও অসমৰ মানুহৰ মনত অনুৰণিত হৈ আছে আৰু ভৱিষ্যতেও অনুৰণিত হৈ থাকিব বুলি আমি আশাবাদী। ❖

মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

1. 33 গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হোৱা এটা পৰীক্ষাৰ ফলাফল ওলোৱাত দেখা গ'ল ৰমেশৰ স্থান ত্ৰয়োদশ। স্থানৰ তালিকাত সুৰেশৰ তলত 5 গৰাকী পৰীক্ষাৰ্থী আছে। স্থানৰ তালিকাত ৰমেশ আৰু সুৰেশৰ মাজত কিমানগৰাকী আছে?

   a) 12 b) 14 c) 15 d) 16

2. কিছুসংখ্যক মানুহৰ মাজত চলোৱা এটা সমীক্ষাৰ পৰা দেখা গ'ল যে 70% মানুহৰ ঘৰত গাড়ী আৰু 75% মানুহৰ ঘৰত টিভি আছে আৰু 55% মানুহৰ ঘৰত গাড়ী আৰু টিভি দুয়োটাই আছে। কিমান শতাংশ মানুহৰ ঘৰত গাড়ী আৰু টিভিৰ এবিধো নাই?

   a) 25% b) 20% c) 10% d) 5%

3. যদি এবিধ সংকেতৰ সহায়ত 'DANCE'ক 'GXQZH'ৰে বুজোৱা হয়, তেন্তে সেই সংকেতৰ সহায়ত 'RIGHT'ক কিদৰে বুজোৱা হ'ব?

   a) UFJEW b) SGKFX c) UFJWE d) UFWJE

4. এবিধ সংকেতৰ সহায়ত 'LOSE'ক '1357' ৰে 'GAIN'ক '2468' ৰে বুজোৱা হয়, তেন্তে '84615'ৰ অৰ্থ কি হ'ব?

   a) NAILS b) SNAIL c) LANES d) SLAIN

5. 'COMPREHENSION' শব্দটোৰ আখৰবোৰৰ সহায়ত তলৰ কোনটো শব্দ গঠন কৰিব নোৱাৰি?

   a) COMPRISE b) PENSION c) ONION d) PREACH

6. এজন মানুহে দক্ষিণ দিশত 8 কিমি. গৈ সোঁফালে ঘূৰি 4 কিমি. গ'ল। তাৰ পাছত তেওঁ পুনৰ সোঁফালে ঘূৰি 8 কিমি. গ'ল। আৰম্ভণিৰ অৱস্থানৰ পৰা তেওঁ বৰ্তমান কিমান কিমি. দূৰত আছে?

   a) 7 b) 6 c) 4 d) 8

7. '?' চিনৰ ঠাইত কোনটো সংখ্যা বহিব?



   a) 127 b) 31 c) 217 d) 328

উত্তৰসমূহ : 1. b 2. c 3. a 4. a 5. d 6. c 7. c

হিমালয়ৰ হীৰা—কেনজো ফুল

■ জিংথিশ্ৰী গগৈ

হিমালয় কেৱল পৃথিৱীৰ উচ্চতম পৰ্বতমালা তথা বৰফেৰে আবৃত সুন্দৰ উপত্যকাৰ বাবেই বিখ্যাত নহয়; ই এক অনন্য জৈৱ-বৈচিত্ৰ্যৰো ভঁৰাল। ইয়াত পোৱা কিছুমান অতি সংবেদনশীল আৰু অসাধাৰণ উদ্ভিদৰ বাবেও হিমালয় বিশেষভাৱে পৰিচিত। তুষাৰে আবৃত শৃংগ, গভীৰ উপত্যকা, হিমবাহ আৰু শীতল জলবায়ুৰ মাজতো হিমালয়ৰ বুকুত এনে বহু উদ্ভিদৰ জন্ম হয়, যিবোৰৰ অস্তিত্ব আৰু জীৱনচক্ৰ প্ৰকৃতিৰ বিস্ময়কৰ অভিযোজনৰ নিদৰ্শন। সেইবোৰৰ ভিতৰত শেহতীয়াকৈ বিশেষ কৌতূহল সৃষ্টি কৰা এবিধ ফুল হৈছে 'কেনজো' ফুল (kenzo) যাক স্থানীয় ভাষাত 'পদমচল' (padamchal) বুলি জনা যায়। প্ৰকৃতিপ্ৰেমী আৰু উদ্ভিদবিজ্ঞানীসকলৰ মাজত এই বিস্ময়কৰ ফুলপাহক 'হিমালয়ৰ হীৰা' (diamond of the Himalayas) আখ্যা দিয়া হৈছে। কেনজো ফুলৰ বৈজ্ঞানিক নাম হৈছে *ৰিয়াম নোবাইল* (*Rheum nobile)*। কেনজো ফুলক পলিগ'নেচি (polygonaceae) পৰিয়ালত অন্তৰ্ভুক্ত কৰা হয়।

এই উদ্ভিদৰ দুৰ্লভতা, অতি উচ্চ পৰ্বতীয়া পৰিবেশত জীয়াই থকাৰ সামৰ্থ্য আৰু দীঘলীয়া সময়ৰ মূৰত ফুল ফুলাৰ চক্ৰই ইয়াক প্ৰকৃতিৰ এক বিৰল বিস্ময় হিচাপে পৰিগণিত কৰিছে। সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় চাৰি হাজাৰ মিটাৰতকৈ অধিক উচ্চতাত থকা অত্যন্ত প্ৰত্যাহ্বানজনক হিমালয়ৰ হিমশীতল বৰফাবৃত অঞ্চলত এই কেনজো ফুল গজে। উত্তৰাখণ্ডৰ ভেলী অৱ ফ্লাৱাৰ্ছ, গংগোত্ৰী ৰাষ্ট্ৰীয় উদ্যান, ছিকিম আৰু ভুটানৰ উচ্চ হিমালয়ৰ অঞ্চলসমূহত এই বিশেষ উদ্ভিদ দেখা পোৱা যায়। অতি কম অক্সিজেন, তীব্ৰ অতিবেঙুনীয়া ৰশ্মি আৰু হাড় কঁপোৱা ঠাণ্ডাৰ মাজতো এই ফুলে যিধৰণে নিজকে জীয়াই ৰাখে, সেয়া সঁচাকৈয়ে প্ৰকৃতিৰ এক আচৰিত কৌশল। কেনজো গছৰ দৈৰ্ঘ্য দুই মিটাৰতকৈ অধিক হোৱা দেখা যায়। এই ফুলবিধক হিমালয়ৰ হীৰা বুলি কোৱাৰ মূল কাৰণ হ'ল ইয়াৰ হীৰাৰ দৰে অসাধাৰণ সহনশীলতা। ইয়াৰ উপৰি উদ্ভিদজোপাৰ ওপৰফালে থকা পাতবোৰ অৰ্ধ-স্বচ্ছ আৰু কিছু হালধীয়া সোণালী ৰঙৰ। দূৰৰ পৰা সূৰুযৰ পোহৰ পৰিলে এই পাতবোৰে এনেদৰে জিলিকি উঠে যেন বৰফৰ মাজত একো একো টুকুৰা ডাঙৰ হীৰাহে জিলিকি আছে।

কেনজো ফুলৰ আটাইতকৈ আকৰ্ষণীয় দিশটো হ'ল ইয়াৰ জীৱনচক্ৰ। সাধাৰণ উদ্ভিদৰ দৰে ইয়াৰ প্ৰতি বছৰে ফুল নুফুলে। উদ্ভিদজোপাই প্ৰায় ৭ৰ পৰা ১৫ বছৰ শক্তি আৰু পুষ্টি সংগ্ৰহ কৰাৰ পাছত যেতিয়া উপযুক্ত পৰিবেশ পায়, তেতিয়াহে এক সুন্দৰ আৰু আকৰ্ষণীয় ৰূপত জীৱনকালত এবাৰৰ বাবে ফুল বিকশিত কৰে। এই বিৰল দৃশ্য দেখা পোৱাটো পৰ্য্যটক তথা উদ্ভিদবিদসকলৰ বাবে এক সৌভাগ্যৰ কথা।

হিমালয় অঞ্চলৰ স্থানীয় সম্প্ৰদায় আৰু পৰম্পৰাগত আয়ুৰ্বেদ চিকিৎসাত এই কেনজো উদ্ভিদৰ বিশেষ গুৰুত্ব আছে। শতিকা শতিকা ধৰি ইয়াৰ মূল আৰু বিভিন্ন অংশসমূহ বিভিন্ন ৰোগৰ উপশমৰ বাবে ব্যৱহাৰ হৈ আহিছে। পেটৰ বিষ, জ্বৰ আৰু পেশীৰ বিষ নিৰাময়ৰ বাবে স্থানীয় লোকসকলে ইয়াক ব্যৱহাৰ কৰে।

বৰ্তমান জলবায়ু পৰিবৰ্তন, গোলকীয় উষ্ণতা বৃদ্ধি আৰু অনিয়ন্ত্ৰিত পৰ্য্যটনৰ বাবে এই বিৰল উদ্ভিদবিধৰ অস্তিত্ব কিছু পৰিমাণে সংকটত পৰিছে। যিহেতু ফুল ফুলাৰ বাবে কেইবাবছৰো সময় লয়, গতিকে ইয়াক ছিঙিলে বা ধ্বংস কৰিলে ই বিলুপ্ত হোৱাৰ আশংকাই দেখা দিয়ে। সেয়েহে উদ্ভিদবিজ্ঞানীসকলে আৰু পৰিবেশপ্ৰেমীসকলে পৰ্য্যটকসকলক এই হীৰাসদৃশ বিৰল ফুলপাহৰ সৌন্দৰ্য্য দূৰৰ পৰাই উপভোগ কৰিবলৈ আৰু সংৰক্ষণত সহায় কৰিবলৈ আহ্বান জনায়। ❖

ভাৰতৰ একমাত্ৰ জাগ্ৰত আগ্নেয়গিৰি : বেৰেন দ্বীপ

■ হিমাশ্ৰী ডেকা

ভাৰতৰ একমাত্ৰ জাগ্ৰত আগ্নেয়গিৰি হৈছে বেৰেন দ্বীপ (Barren Island)। এই দ্বীপটো ভাৰতৰ কেন্দ্ৰীয়শাসিত অঞ্চল আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জত অৱস্থিত। 'বেৰেন' শব্দৰ অৰ্থ হৈছে 'অনুৰ্বৰ'। কাৰণ ইয়াত মানুহৰ স্থায়ী বসতি নাই আৰু গছ-গছনিও অতি কম।

বেৰেন দ্বীপ প'ৰ্টব্লেয়াৰৰ পৰা প্ৰায় ১৩৫ কিলোমিটাৰ উত্তৰ-পূব দিশত অৱস্থিত। এই দ্বীপটো প্ৰায় ৩ কিলোমিটাৰ ব্যাসৰ আৰু ইয়াৰ মুঠ মাটি-কালি প্ৰায় ১০ বৰ্গ কিলোমিটাৰ। দ্বীপটোৰ মাজভাগত এটা সক্ৰিয় আগ্নেয়গিৰি অৱস্থিত। আগ্নেয়গিৰিটোৰ উচ্চতা সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ৩৫৪ মিটাৰ। ইয়াৰ চাৰিওফালে এটা বৃহৎ গহ্বৰ (caldera) আছে। এই গহ্বৰটো অতীতৰ শক্তিশালী আগ্নেয়গিৰি উদগীৰণৰ ফলত সৃষ্টি হৈছিল। এই দ্বীপৰ আগ্নেয়গিৰি ইণ্ডো-অষ্ট্ৰেলিয়ান টেক্‌ট'নিক ফলক আৰু বাৰ্মা মাইক্ৰ'ফলকৰ সংঘৰ্ষৰ ফলত সৃষ্টি হৈছে। এই অঞ্চলত ভূমিকম্প আৰু আগ্নেয়গিৰি উদগীৰণ সঘনাই হোৱা দেখা যায়।

ঐতিহাসিক তথ্য অনুসৰি, বেৰেন দ্বীপত প্ৰথমবাৰৰ বাবে ১৭৮৭ চনত আগ্নেয়গিৰিৰ উদগীৰণৰ লিপিবদ্ধ তথ্য পোৱা যায়। তাৰ পাছত বহু বছৰ নীৰৱ হৈ থকাৰ পাছত ১৯91 চনত পুনৰ প্ৰচণ্ড উদগীৰণ আৰম্ভ হয়। ইয়াৰ পাছত ১৯৯৪, ২০০৫, ২০০৮, ২০১৭, ২০১৮ আৰু তাৰ পাছৰ বছৰবোৰতো সময়ে সময়ে লাভা, ধোঁৱা, ছাই আৰু গেছ নিৰ্গত হোৱা দেখা গৈছে। বিজ্ঞানীসকলে ইয়াৰ ওপৰত এতিয়াও নিয়মীয়া গৱেষণা চলাই আছে।

আগ্নেয়গিৰিৰ পৰা নিৰ্গত হোৱা গলিত শিলক লাভা বোলা হয়। লাভাৰ লগতে আগ্নেয় ছাই, ধোঁৱা আৰু বিভিন্ন গেছ বায়ুমণ্ডললৈ ওলাই আহে। উদগীৰণৰ সময়ত দ্বীপটোৰ পৰিৱেশ অত্যন্ত বিপদজনক হৈ পৰে।

ভাৰতীয় ভূতাত্ত্বিক জৰীপ বিভাগ আৰু অন্যান্য বৈজ্ঞানিক সংস্থাসমূহে নিয়মীয়াকৈ এই আগ্নেয়গিৰিৰ ক্ৰিয়া-কলাপ পৰ্য্যবেক্ষণ কৰি আছে। উপগ্ৰহৰ পৰা লোৱা তথ্য আৰু আধুনিক প্ৰযুক্তিৰ সহায়ত আগ্নেয়গিৰিৰ উদগীৰণৰ সম্ভাৱনা নিৰীক্ষণ কৰা হয়। ইয়াৰ ফলত যিকোনো সম্ভাব্য বিপদৰ বিষয়ে আগতীয়াকৈ সতৰ্কতা জাৰি কৰিব পৰা যায়।

যদিও এই দ্বীপত মানুহৰ বসতি নাই, তথাপি ইয়াৰ চাৰিওফালে থকা সাগৰীয় অঞ্চল জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ। ইয়াত বিভিন্ন প্ৰজাতিৰ মাছ, কাছ, ডলফিন আদি দেখা যায়। কিছুমান চৰাই আৰু সৰু প্ৰাণীৰ উপস্থিতিও লক্ষ্য কৰা যায়।

বেৰেন দ্বীপ পৰ্য্যটকৰ বাবেও এক আকৰ্ষণৰ স্থান। বেৰেন দ্বীপলৈ যোৱাৰ বাবে প্ৰথমে বিমান বা জাহাজযোগে আন্দামান-নিকোবাৰ দ্বীপপুঞ্জৰ ৰাজধানী প'ৰ্টব্লেয়াৰলৈ যাব লাগে। ভাৰতৰ কলকাতা, চেন্নাই, বিশাখাপট্টনম আদি চহৰৰ পৰা প'ৰ্টব্লেয়াৰলৈ নিয়মীয়া বিমান সেৱা উপলব্ধ। প'ৰ্টব্লেয়াৰত উপস্থিত হোৱাৰ পাছত বেৰেন দ্বীপলৈ যোৱাৰ বাবে অনুমতি সংগ্ৰহ কৰিব লাগে। সাধাৰণতে চৰকাৰী অনুমোদিত ক্ৰুজ, চাৰ্টাৰ নাও অথবা বিশেষ পৰ্য্যটন জাহাজেৰে ভ্ৰমণৰ ব্যৱস্থা কৰা হয়। ভ্ৰমণকাৰীসকলে সাগৰৰ মাজৰ পৰাই আগ্নেয়গিৰিৰ মনোমোহা দৃশ্য উপভোগ কৰিব পাৰে। সুৰক্ষাজনিত কাৰণত বেৰেন দ্বীপত নামি ভ্ৰমণ কৰাৰ অনুমতি দিয়া নহয়। আগ্নেয়গিৰিটো সক্ৰিয় হোৱাৰ বাবে নিৰাপদ দূৰত্বৰ পৰাই ইয়াক দৰ্শন কৰিব লাগে। নৱেম্বৰৰ পৰা এপ্ৰিল মাহলৈ সাগৰ তুলনামূলকভাৱে শান্ত হৈ থাকে, সেয়েহে এই সময়ছোৱাক ভ্ৰমণৰ বাবে সৰ্বোত্তম বুলি ধৰা হয়। প্ৰাকৃতিক সৌন্দৰ্য্য, নীলা সাগৰ, সামুদ্ৰিক জীৱ-বৈচিত্ৰ্য আৰু জাগ্ৰত আগ্নেয়গিৰিৰ অপূৰ্ব দৃশ্যই বেৰেন দ্বীপক এক অনন্য পৰ্য্যটনস্থলী হিচাপে পৰিগণিত হৈছে। ❖

শিক্ষাৰ্থীয়ে অঁকা ছবি



জুয়েনা কাকতি, নৱম খ

উৎকৰ্ষা ভাগৱতী, পঞ্চম ঙ



অভিনীত বি পাঠক, অষ্টম ক

দৰ্শন ডেকা, ষষ্ঠ ক



নিবাস শইকীয়া, পঞ্চম ঘ

কৃতিকা ভট্টাচাৰ্য্য, চতুৰ্থ ঙ

ৰুণা ইছলাম, সপ্তম খ

ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক ফুল

মণিপুৰ: শ্বিৰুই লিলি (Shirui lily)

ৰাজস্থান: ৰোহিড়া (Rohida)

তামিলনাডু: গ্ল'ৰিওছা লিলি (Gloriosa lily)

মিজোৰাম: ৰক্ত ভাণ্ডা (Red vanda)

মহাৰাষ্ট্ৰ: এজাৰ (Jarul)

মধ্যপ্ৰদেশ: পলাশ (Palash)

হাৰিয়ানা: পদুম (Lotus)